REFERENCE
Not for Issue

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ~~SEVENTH~~ Eighth GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

### VOLUME II

### No. 5

The 18th March, 1986

1989

PRINTED AT THE PAPLOO PRINTERS
JORHAT

REFERENCE
Not for Issue
A. L. A. Library

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

### VOLUME II

### No. 5

The 18th March, 1986

सत्यमेव जयते

1989
PRINTED AT THE PAPLOO PRINTERS
JORHAT

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

( BUDGET SESSION )

Vol. II

No. 5

The 18th March, 1986

CONTENTS


| | | Pages |
|---|---|---|
| 1. | Questions .... ... ... | 6—18 |
| 2. | General Discussion on the Budget — — | 18—85 |
| 3. | Obituary Reference .... .... .... | 85-86 |
| 4. | Adjournment .... .... ... | 86 |


—x—

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

### BUDGET SESSION

### VOLUME II

### NO. 5

The 18th March, 1986

**Proceedings of The Budget Session of the Assam Legislative Assembly assembled after the ~~Seventh~~ Eighth General Elections under Sovereign Democratic Republican Constitution of India**

The House met in the Assembly Chamber, Dispur Guwahati on Tuesday, the 18th March, 1986 with the Hon'ble Speaker, in the Chair, 6 ( six ) Ministers, 4 ( four ) Ministers of State, and 92 ( ninty two ) Members present.

## STARRED

## QUESTIONS AND ANSWERS

(To which oral replies were given)

### Re: Legal Aid to poor

Shri Mayidul Islam Borah asked :

*22. Will the Minister, Law be pleased to state-

a) Whether the scheme of providing legal aid to poor has been implemented and if so, since when ?

b) Whether any norms have been prescribed for sanctioning legal aid, and if so, what are these norms ?

c) If not, on what basis the legal aid would be sanctioned ?

Shri Surendra Nath Medhi (Minister, Legislative) replied :

22. (a) 'Yes' since, 1979.

b) 'Yes, norms has been prescribed for extending legal aid. Persons having annual income of not more than Rs. 5,000.00 for general people, and Rs. 12,000·00/-for SC/ST people, are eligible for legal aid and advise in the disputes arising out of the laws as specified in the schedule of the Assam Legal Aid Rules, 1984.

c) Does not arise in view of reply at (b) above.

শ্ৰীময়িদুল ইচলাম বৰা : অধ্যক্ষ মহোদয়, মাননীয় আইন মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এতিয়ালৈকে কিমান মানুহক আইনৰ সাহায্য দিয়া হৈছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী, (আইন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যিটো প্ৰশ্ন উঠিছে সেই প্ৰশ্নৰ উত্তৰ হিচাপে কব বিচাৰিছো যে এই লিগেল এইদ কেম্প প্ৰথমতে গোৱালপাৰা জিলাৰ গোলোকগঞ্জত খোলা হৈছিল তাৰ পিচত আৰু মুঠতে চাৰিটা

খোলা হয়। সিবিলাক হল গোলোকগঞ্জ, বিলাসীপাৰা, বগৰীবাৰী আৰু আগমনী।

শ্ৰীময়িনুল ইচলাম বৰা : অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল এই কেম্পৰ জৰিয়তে এতিয়ালৈকে কিমান মানুহক আইনৰ সাহায্য দিয়া হৈছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী, (আইন মন্ত্ৰী) : এতিয়ালৈকে সৰ্ব্বমুঠ উনআশীটা কেচ ৰেজিষ্টাৰড্ হৈছে তাৰ ভিতৰত ছয়টা কেচ ইতিমধ্যে দিয়া হৈছে।

শ্ৰীদেবেশ্বৰ বৰা : লিগেল এইডৰ কাৰণে বেলেগ এডভোকেট লব পাৰে নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী. (আইনমন্ত্ৰী) : তাত নৰ্ম্চ্ দিয়া হৈছে। যিথিনি উকীল বেলেগ ভাবে দিয়া হয় তাৰ কাৰণে মাননীয়ো দিয়া হয়।

শ্ৰীমজিৰুদ্দিন আহমেদ : এতিয়ালৈকে কিমান উকীল নিযুক্তি দিয়া হৈছে আৰু ক'ত ক'ত দিয়া হৈছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী, (আইনমন্ত্ৰী) : লিগেল এইডৰ কাৰণে এটা কমিটি আছে। গুৱাহাটী হাইকোৰ্টৰ মাননীয় মুখ্য বিচাৰপতি ইয়াৰ চেয়াৰম্যান। এতিয়ালৈকে চাৰি ঠাইত কেম্প কৰা হৈছে।

শ্ৰীমজিৰুদ্দিন আহমেদ : বাকী ঠাই বিলাকত কেতিয়া কৰা হব আইন মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী, (আইনমন্ত্ৰী) : ইতিমধ্যে এই সম্পৰ্কে আলোচনা কৰা হৈছে আৰু আন আন ঠাইতো খোলাৰ কাৰণে আশাকৰা হৈছে।

Shri Charan Narzary : Hon'ble Speaker Sir, why so many Minister are not present here ?

মাননীয় অধ্যক্ষ : মুখ্যমন্ত্ৰী, গৃহমন্ত্ৰী, শিক্ষামন্ত্ৰী আৰু পৰিবহন মন্ত্ৰীয়ে মোক জনাইছে যে ৰাষ্ট্ৰপতি আজি গুৱাহাটী বিশ্ববিদ্যালয়ত গুৰুনানক আসন উদ্বোধন কৰিবলগীয়া অনুষ্ঠানত তেখেতসকল উপস্থিত থাকিব আৰু সেয়ে বিধান সভাত উপস্থিত থাকিব নোৱাৰিব। বাকী মন্ত্ৰীসকলে মোক এতিয়ালৈকে জনোৱা নাই। সদনৰ কাৰ্য্যসূচীত মন্ত্ৰীসকল উপস্থিত থাকিব লাগে সেই বিষয়ে

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয় যিসকল মন্ত্ৰী ইয়াত উপস্থিত নাই সেই সকলৰ প্ৰশ্ন বাদ দি যি সকল মন্ত্ৰী ইয়াত উপস্থিত আছে তেখেত সকলৰ প্ৰশ্ন লব লাগে ।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী : অধ্যক্ষ মহোদয়, এই সদনৰ কাম কাজ চলাবৰ কাৰণে এখন নিয়মাৱলী আছে। আমি এই নিয়মাৱলী............ ..

We cannot cooperate with the functioning of this House if the business is continued in this way. Sir, there are rules that when the Ministers are to remain absent they have to inform the Hon'ble Speaker about it and this is a mandatory provision and if these provisions are disregarded in this House then it is of no use for us and sit and continue in this House. And we will walk out.

শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ. মহোদয়, বিৰোধী পক্ষৰ মাননীয় দলপতি গৰাকী, এজন অভিজ্ঞ, বয়োজ্যেষ্ঠ নেতা। তেখেতে এই পৱিত্ৰ সদনৰ মৰ্য্যাদা ৰাখি কথা কলে ভাল হয়। সন্মান সহকাৰে কথা কলে ভাল হয়।

(বিৰোধী পক্ষৰ কংগ্ৰেছ (ই), কংগ্ৰেছ (এচ) আৰু পি, টি, চি, এ আৰু সংযুক্ত মৰ্চাই সদন কক্ষ ত্যাগ কৰে।)

Shri Binoy Khungur Basumatari : Sir, (showing the Rules and Procedure and Conduct of the House) these are the rules and we have to go by the rules. Those Ministers who have informed you, can you give us the evidence ? We have a right to know who are those Ministers who have informed you and who have not informed you about their absence from the House.

Mr. Speaker : I have already said that.

Shri Binoy Khungur Basumatari : Who are those Ministers who have not given information. This is a matter of breach

of privilege in the House and not a matter of joke. We have a right to know the names of those Ministers who have not informed you.

Mr. Speaker : I have already said who have informed me.

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আপুনি পিচৰ প্ৰশ্ন আৰম্ভ কৰিবৰ কাৰণে নিৰ্দ্দেশ দিছে। গতিকে পিচৰ প্ৰশ্ন আৰম্ভ হব লাগে।

Shri Binoy Khungar Basumatari : Sir, Question 24 relates to the Minister, Agriculture and he is not present in the House and he has also not informed you about his absence. Sir, have you gone through the Rules and Procedure and conduct of the Business in the House ? I have gone through this just now. The rules are very clear. When the Minister is not present in the House..........

(Voices - he is here, he is here)

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ সদস্য গৰাকীয়ে যদি আমাৰ মন্ত্ৰী সকলক চিনি নেপায় তেন্তে চিনি পোৱা ভাল। বিৰোধী পক্ষৰ সদস্য সকলক আমি কেতিয়াও শত্ৰু বুলি নেভাবো। সদনত কথা কওতে অলপ বিচাৰ বিবেচনা কৰি কোৱাটো ভাল।

**Re : Yield rate of Rice**

Shri Abhijit Sarmah asked :

*24. Will the Minister. Agriculture be pleased to state—

(a) The Yield rate of Rice in Assam against India ( in Kg. per Hectre )

(b) The total quantity of improved paddy seed distributed in the year 1982-83, 1983-84 and 1984-85 against the total area in the State ( in terms of P/C ) ?

Shri Nilamani Das ( Minister, Agriculture ) replied :

24 (a)—1088 Kg/Hect. against National average of 1958 Kg/Hect.

(b)—The position is indicated in the statement placed on the table of the House.

## বি ঃ বিহাৰৰ গৃহৰক্ষী বাহিনী

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৩৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৫ চনৰ ডিচেম্বৰ মাহত অসমত অনুষ্ঠিত নিৰ্ব্বাচনৰ বাবে বিহাৰৰ পৰা গৃহৰক্ষী বাহিনী আনিবৰ বাবে ৮২ লাখ টকা মঞ্জুৰ কৰা কথাটো সচাঁনে ?

(খ) যদি সচাঁ এই মঞ্জুৰী কাৰ নিৰ্দ্দেশত কৰা হৈছিল ?

(গ) উক্ত টকা খৰচ হল নেকি আৰু যদি খৰচ হ'ল—কেনে ধৰণে খৰচ কৰিলে জনাবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী, ( আইন মন্ত্ৰী ) ঃ গৃহমন্ত্ৰীৰ হৈ উত্তৰ দিছে

৩৩। (ক) সচাঁ নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে এটা প্ৰশ্ন হৈছে যে, গৃহৰক্ষী বাহিনী আনিবৰ কাৰণে বিত্ত বিভাগৰ পৰা টকা মঞ্জুৰ কৰিবৰ কাৰণে চেষ্টা চলোৱা হৈছিলনেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ঃ ( মন্ত্ৰী ) এই বিষয়ে আমাৰ ইয়াত কোনো নথিপত্ৰ নাই।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, নিৰ্ব্বাচনৰ সময়ত চৰকাৰে গৃহৰক্ষী সকলৰ বাবে কিবা টকা পইচা খৰচ কৰিছিল নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি : ( মন্ত্ৰী ) এই বিষয়ে বেলেগ প্ৰশ্নৰ আৱশ্যক হব।

## Re : Training Centre for All India Services

Shri Pabin Chandra Deka asked :

*34. Will the minister, Labour & Employment be pleased to state—

(a) Whether the Government has proposed to set up training centres in each District Head Quarters of Assam to train up the local Youths for All India Bank and other Services ?

(b) If so, when the proposal will be implemented ?

Shri Barki Prasad Telenga ( Minister, Labour and Employment ) replied :

34. (a) No training centre to train local Youth has been set up in the District Head-Quarters under this Department for the All India Bank and other Services.

(b) Does not arise.

Shri Pabin Chandra Deka : Mr. Speaker, Sir, from the answer of the hon'ble Minister Labour it is clearly mentioned that there is no provision of setting up any training centre in the district headquarters of Assam,. May I know from the hon'ble Minister Labour whether the Government will consider setting up of such training centre in the district headquarters.

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গা : ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, সন্মানিত সদস্য গৰাকীয়ে যি প্ৰশ্ন কৰিছে সেই সম্পৰ্কত মই কব বিচাৰিছো যে, নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ কিছু নিয়ম থাকে। নিয়োগ বিনিময় কেন্দ্ৰ বিলাকে চাকৰি বিচৰা প্ৰাৰ্থীৰ নাম পঞ্জীয়ন কৰে আৰু তেওঁলোকৰ নাম বিভিন্ন চৰকাৰী আধা চৰকাৰী কাৰ্য্যালয়লৈ নিয়োগৰ বাবে প্ৰেৰণ কৰে। সৰ্ব্বভাৰতীয় বেংকৰ বা অন্যান্য

সেৱাৰ বাবে প্ৰশিক্ষন দিয়াৰ কোনো ব্যৱস্থা এই বিভাগত নাই। গতিকে যদি আমি এই বিভাগত কোনো ধৰণৰ প্ৰশিক্ষনৰ ব্যৱস্থা কৰিব পাৰো তেন্তে আমি সুখী হম। আৰু চৰকাৰেও পিচত এই বিষয়ে চিন্তা কৰিব।

## বিঃ পুলিচ বৰ্খাস্ত

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে :

*৩৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) জয় আই অসম ধ্বনি দিওঁতে 4 জন পুলিচ বিভাগৰ চিপাহীক ( ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহত ) চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিলনে ?

(খ) যদি হৈছিল, তেন্তে তেওঁলোকৰ নাম কি জনাবনে ?

(গ) অসম চুক্তিমতে তেওঁলোকক এতিয়া চাকৰি ঘূৰাই দিব নোৱাৰিবনে ?

(ঘ) ইন্দিৰা গান্ধীৰ মৃত্যুৰ বাতৰি শুনি টানকৈ হাহোঁতে তেজপুৰৰ সেই সময়ৰ শোণিতপুৰৰ SP. Mr. D.B. Choudhury য়ে এজন দুখীয়া চিপাহীক চাকৰীৰ পৰা বিদায় দিয়াটো সচাঁনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( আইন মন্ত্ৰী ) গৃহমন্ত্ৰীৰ হৈ উত্তৰ দিছে ঃ

৩৫। (ক) ১৮।২।৮৩ তাৰিখে তেজপুৰত 4 জন চিপাহীক বৰ্খাস্ত কৰা হৈছিল। তেওঁলোকে "জয় আই অসম, ওলাই আহ, চি, আৰ, পি, আতৰি যাওক" ইত্যাদি ধ্বনি দিছিল। তেওঁলোকক এই কাৰণে বৰ্খাস্ত কৰা হৈছিল।

(খ)—(1) ABC/1074 ৰোমেশ্বৰ হাজৰীকা।

(2) ABC/798 জয়কান্ত শইকীয়া।

(3) ABC/677 ধনীৰাম হাজৰীকা।

(4) ABC/634 বুদ্ধেশ্বৰ শৰ্ম্মা।

(গ) অসম চুক্তিমতে এনেকুৱা ধৰণৰ বিষয় ও আৱশ্যকীয় ব্যৱস্থা লোৱাৰ নিৰ্দ্দেশ দিয়া হৈছে। সেই নিৰ্দ্দেশ অনুসৰি আপীল বা আবেদন সংশ্লিষ্ট বিষয়াই বিবেচনা কৰিব লাগিব। এনে আপীল বা আবেদন পালে চৰকাৰে সহানুভূতিসূচক ভাৱে বিবেচনা কৰিব।

(ঘ) চৰকাৰৰ হাতত তেনে কোনো প্ৰতিবেদন নাই।

শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, 'জয় আই অসম' বুলি কোৱাটো এটা দোষৰ ভিতৰত পৰেনেকি ?

শ্ৰীসুৰেন মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই জনাত পুলিচৰ মেনুৱেলত এনেকুৱা প্ৰকাশ বা 'জয় আই অসম' বুলিলে এটা শাস্তিমূলক ব্যৱস্থা লোৱাৰ তেনে ধৰণৰ কোনো কথা নাই।

শ্ৰীজয় নাথ শৰ্ম্মা : অধক্ষ্য মহোদয় যদি 'জয় আই অসম' বুলি কোৱাত কোনো দোষ হোৱা নাছিল তেনেহলে বিনাদোষত ৪ জন চিপাহীক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ কাৰণ কি ? সেই সম্পৰ্কে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসুৰেন মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এনে ধৰণৰ উদাহৰণ এই সময়ত বহুতো আছে। গতিকে এতিয়া যিটো প্ৰশ্নৰ উত্থাপন হৈছে সেই বিষয়ে অনুসন্ধান কৰি উপযুক্ত ব্যৱস্থা গ্ৰহন কৰিম।

শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ উত্তৰ হোৱা নাই। মন্ত্ৰী মহোদয়ে কৈছে যে, 'জয় আই অসম' বুলি কোৱাটো দোষনীয় নহয় কিন্তু কোনো দোষনীয় কথা নোহোৱাৰ ফলত বিনা দোষত ৪ জন দুখীয়া চিপাহীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা কাৰণে দোষী কোন আৰু দোষী আমুৰিক বিষয়াক অনুসন্ধান কৰি বিহিত ব্যৱস্থা গ্ৰহন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীসুৰেন মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে অনুসন্ধান কৰিম আৰু যদি দেখা যায় যে এজন বিষয়াৰ ভুল পথে পৰিচালিত কৰাৰ বাবে কিছু নিৰিহ বিষয়াৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহন কৰা হৈছে তেনেহলে তেওঁলোকৰ ওপৰত উপযুক্ত ব্যৱস্থা গ্ৰহন কৰা হব।

শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, আমি জানো যে, এই ৪ জন চিপাহীয়ে নীতিগত ভাৱে চৰকাৰৰ ওচৰত আবেদন জনাইছে, কিন্তু চৰকাৰে তেওঁলোকক চাকৰি ঘূৰাই দিয়াৰ কোনো ব্যৱস্থা গ্ৰহন কৰা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসুৰেন মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যদি তেওঁলোকে আবেদন বা আপীল কৰিছে সেই আবেদন অতি সোনকালে মীমাংসা কৰি আমি ব্যৱস্থা গ্ৰহন কৰিম।

শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, (ঘ) প্ৰশ্নৰ উত্তৰ আছে যে, শোনিতপুৰৰ

এচ,পি শ্ৰী ডি, বি, চৌধুৰীয়ে এনে দুখীয়া চিপাহীক চাকৰিৰ পৰা বিদায় দিয়া কথাটো সচানে ? এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

শ্ৰীসুৰেণ মেধি (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰ মই দিছো আৰু চৰকাৰৰ ওচৰত তেনে কোনো আবেদন নাই।

শ্ৰীঅভিজিত শৰ্ম্মা : যদি মন্ত্ৰীৰ হাতত বিতং বিৱৰণ নাই এই অভিযোগ অনুসন্ধান কৰি মন্ত্ৰী মহোদয়ে সদনত জনাবনে ?

শ্ৰীসুৰেণ মেধী (আইন মন্ত্ৰী) : উক্ত প্ৰশ্নটোৰ বিষয়ে আমি তদন্ত কৰিম।

শ্ৰীজয় নাথ শৰ্ম্মা: এই বিষয়াজনে অৰ্থাত এচ পি, বি দি চৌধুৰীয়ে কিমানজন বিষয়াৰ চাকৰি খাইছিল তাৰ বিতং তদন্ত মন্ত্ৰী মহোদয়ে কৰিব লাগে।

শ্ৰীসুৰেণ মেধী (মন্ত্ৰী): ইয়াৰ বাবে বেলেগ প্ৰশ্ন উত্থাপন কৰিলে ভাল হয়।

শ্ৰীজয় নাথ শৰ্ম্মা : মোৰ 'ঘ' প্ৰশ্নটোৰ লগত সমন্ধ থকা অপৰাধত কেইজন চিপাহিক বৰ্খাস্ত কৰা হৈছে, সেই সকলৰ বিহিত ব্যৱস্থা লব লাগে।

শ্ৰীসুৰেণ মেধী (মন্ত্ৰী): অধ্যক্ষ মহোদয় ঘ প্ৰশ্নটোৰ উত্তৰত কৈছো এই যে চৰকাৰৰ হাতত তেনে কোনো প্ৰতিবেদন নাই। গতিকে এই ক্ষেত্ৰত মাননীয় সদস্য জনে যিটো কথা উত্থাপন কৰিছে সেইটো হব নোৱাৰে।

Mr. Speaker : Order, order, I would like to draw the attention of the Hon'ble Minister, Agriculture regarding the rules to be observed by Members. In this connection I would like to refer to Rules 275 (I) of the Rules of procedure and Conduct of Business in Assam Legislative Assembly. ' While the House is sitting, a member- (i) shall not read any book, newspaper or letter except in connection with the business of the House;". Therefore, I request the Hon'ble Minister, Agriculture, not to read the newspaper.

শ্ৰীদীন বন্ধু চৌধুৰী : অধ্যক্ষ মহোদয়, জয় আই অসম বুলি ধ্বনী দিয়াত যদি দোষী নহয় তেনেহলে ব্যক্তিগত ভাৱে আপিল কৰাৰ প্ৰয়োজন কিয় হল ?

শ্ৰীসুৰেণ মেধী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই কথাটো চৰকাৰৰ দৃষ্টিগোচৰ কৰিব লাগিব আৰু দৃষ্টিলৈ আহিলে উচিত ব্যৱস্থা লোৱা হব।

শ্ৰীপ্ৰফুল্ল গোস্বামী ঃ অধ্যক্ষ মহোদয়, শ্ৰীজয় নাথ শৰ্ম্মাৰ প্ৰশ্নটোৰ পৰিপুৰক প্ৰশ্ন হিচাবে মই সদনক জনাব খোজিছো যে ইন্দিৰা গান্ধীৰ মৃতুৰ দিনা তেজপুৰ কাচাৰীত থকাৰ সৌভাগ্য মোৰো হৈছিল। আৰু এই দি বি চৌধুৰীয়ে মোকো সেই দিনা এৰেষ্ট কৰি এদিন এৰাতি হাজোতত ৰাখি নানা অত্যাচাৰ কৰিছিল। গতিকে এই অত্যাচাৰি বিষয়াজনক অন্যাৰ ভাবে ইঁহাৰ কাৰণে সেই বিষয়াজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰিলে। সেয়ে তাৰ বিহিত তদন্ত হব লাগে।

শ্ৰীসুৰেণ মেধী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেনে ধৰণৰ অভিযোগ বিভাগলৈ উত্থাপন কৰিলে ব্যৱস্থা লোৱা হব।

শ্ৰীদিলীপ শইকীয়া : অধ্যক্ষ মহোদয়, তেওঁক ফিজিকেলী এচাণ্ট কৰা কথাটো সছঁা নে ?

শ্ৰীসুৰেণ মেধী (মন্ত্ৰী) ঃ তদন্ত কৰিলে সকলো কথা ওলাই পৰিব।

শ্ৰীময়িদুল ইছলাম বৰা ঃ অধ্যক্ষ মহোদয়, পৰিপূৰক প্ৰশ্ন হিচাবে মই সুধিব খোজিছো যে দেবব্ৰত চৌধুৰীৰ ঠাইত দি বি চৌধুৰী বুলি আছে আৰু তেওঁৰ বিৰুদ্ধে নানান অভিযোগ আহিছে। গৃহ মন্ত্ৰীৰ ঠাইত উত্তৰ দিয়া আইন মন্ত্ৰীয়ে জনাবনেকি যে এই অত্যাচাৰি বিষয়া জনে স্কুলীয়া ছাত্ৰ-ছাত্ৰীকো নানা ধৰণৰ অত্যাচাৰ কৰাৰ তথ্যপাতি আছে নে ?

শ্ৰীসুৰেণ মেধী (মন্ত্ৰী) : ইয়াৰ বাবে সুকীয়াকৈ প্ৰশ্ন দিলে তথ্য পাতি সংগ্ৰহ কৰি তদন্ত কৰা হব।

শ্ৰীঅভিজিত শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, এই দি বি চৌধুৰীয়ে সেই সময়ত কিমান পুলিচ বিষয়াক অত্যাচাৰ কৰিছিল তাৰ এটা তদন্ত কৰিব লাগে আৰু দোষীজনৰ ক্ষেত্ৰত শাস্তিমূলক ব্যৱস্থা লব লাগে।

শ্ৰীসুৰেণ মেধী (মন্ত্ৰী) ঃ মই মোৰ প্ৰশ্নৰ উত্তৰতে কৈছো যে তেনেকুৱা দাবি আহিলে নিশ্চয় তদন্ত কৰা হব।

শ্ৰীজয় নাথ শৰ্ম্মা ঃ এই দি বি চৌধুৰী নামৰ অতাাচাৰি আসুৰিক বিষয়া জনে

শিল্পী মনৰ চিপাহী জনে বিহুগীত গাওঁতে চাকৰিৰ পৰা বৰ্খাস্ত কৰিলে, তাৰ এটা ন্যায়িক তদন্ত লোৱাৰ প্ৰতিশ্ৰুতি চৰকাৰে দিবনে ?

শ্ৰীসুৰেণ মেধী (মন্ত্ৰী) ঃ মই আগতেই কৈছো যে এই সম্পৰ্কে তদন্ত কৰি দোষী বুলি সাব্যস্ত হলে নিশ্চয় উপযুক্ত ব্যৱস্থা লোৱা হব ।

শ্ৰীচাম সিং হান্সে ঃ অধ্যক্ষ মহোদয়, যি জন বিষয়াৰ বিৰুদ্ধে এনে ধৰণৰ প্ৰশ্ন উত্থাপন হৈছে, সেই বিষয়াজন কত আছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসুৰেণ মেধী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেওঁ এতিয়া এচ পি হিচাবে কাৰবিআংলঙত আছে ।

শ্ৰীচাম সিং হান্সে ঃ এনেধৰণৰ অত্যাচাৰি বিষয়াজনক কাৰবিআংলঙলৈ কিয় বদলী কৰা হল ?

শ্ৰীসুৰেণ মেধী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এনে ধৰণৰ প্ৰশ্ন উঠিব নোৱাৰে । যদি কিবা অভিযোগ পায় তেন্তে আমাক জনাব।

**(Starred Question No 23, 25-32 were not put and answered as the Hon' Ministers were absent)**

## General Discussion on the Budget

শ্ৰীবিৰাজ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬ চনৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি খন বাজেট সদনত উত্থাপন কৰিছে, এই বাজেট খনত মই সম্পূৰ্ণ ভাবে আদৰনি জনাইছো। আৰু এই বাজেটত যিখিনি কথা সন্নিবিষ্ট কৰা হৈছে সেইখিনি উত্তম হৈছে বুলি মই ভাবো । যি বিলাক কথা ইয়াত উত্থাপন কৰিছে তাৰ ভিতৰত আৰম্ভনিতে এটা কথা লিখা হৈছে যে "অসমৰ সৰ্ব্বাঙ্গীন উন্নয়নৰ হকে আৰু সকলো শ্ৰেণীৰ ৰাইজৰ মাজত শান্তি আৰু সংহতি বিকাশৰ বাবে আমি সবল প্ৰচেষ্টা চলাই যাম" । ইয়াত দুটা কথা স্পষ্ট হৈ পৰিছে। অসমৰ সকলো শ্ৰেণীৰ ৰাইজৰ মাজত শান্তি আৰু সম্প্ৰিতি ৰক্ষা কৰা হব আৰু আগন্তুক বছৰটোৰ কাৰণে বিত্তীয় উন্নয়ন মূলক কাম কাজ চৰকাৰে কৰি যাব । দ্বিতীয়তে কৈছে যে অসম চুক্তি সম্পূৰ্ণ ভাবে ৰূপায়ন কৰা হব।

কৃষিৰ ক্ষেত্ৰত যিখিনি কথা কোৱা হৈছে তাক মই সমৰ্থন কৰিছো। কাৰণ অসমৰ কৃষি উন্নতি সাধন কৰাৰ কথাটো বহু বছৰ চৰকাৰে কৈ আছে কিন্তু

কি ধৰণে উন্নতি কৰিব সেইটো কথা আগৰ চৰকাৰে কোৱা নাছিল। এই বাজেটত কোৱা হৈছে যে চাউল অধিক পৰিমানে উৎপাদন কৰা হব। কৃষিৰ অধিক উন্নতি সাধন কৰা হব যিহেতোকে অসম এখন কৃষি প্ৰধান দেশ আৰু ইয়াৰ শতকৰা ৯০ ভাগ মানুহে কৃষিৰ উপৰত নিৰ্ভৰ কৰি জীয়াই থাকে।

কৃষিৰ ক্ষেত্ৰত কি ধৰণে উন্নতি কৰিব লাগে বা কৰিব খুজিছে সেই বিষয়ে স্পষ্ট ভাবে বাজেটত উল্লেখ কৰিছে। যি হেতুকে অসম এখন কৃষি প্ৰধান ৰাজ্য আৰু এই কৃষিৰ ওপৰতেই অসমৰ শতকৰা ৯০ ভাগ মানুহে জীৱিকা উপাৰ্জন কৰি আছে আৰু কৃষিৰ ওপৰত ভিত্তি কৰিয়েই বিভিন্ন ধৰনৰ কাম কৰি আছে। তেনেবিলাক কথা বাজেটত উল্লেখ কৰাতো প্ৰশংসনীয়। আৰু এটা কথা স্পষ্ট ভাৱে কৈছে-সেইটো হ'ল চৰকাৰে উদ্যোগ গঢ়াৰ ক্ষেত্ৰত যথেষ্ট চিন্তা চৰ্চা কৰিছে। অসম এখন কৃষি প্ৰধান ৰাজ্য যদিও ইয়াত উদ্যোগৰ উন্নয়নৰ কাৰণেও চিন্তা কৰাতো অতীব প্ৰয়োজন। বৃহৎ উদ্যোগৰ বাহিৰেও চৰকাৰে কেতবোৰ ক্ষুদ্ৰ উদ্যেগৰ কথা কৈছে। ইয়াত চৰকাৰে ১২০০ টা উদ্যোগৰ কথা কৈছে এইটো প্ৰশংসনীয় কথা। আমাৰ ৰাজ্যখনত বিজুলী উৎপাদন সৰহবৰাহ নোহোৱাৰ কাৰণে বিভিন্ন ঠাইত লোড চেদিং হৈ আছে বুলি চৰকাৰে নিজেই কৈছে। কি কাৰণে বিদ্যুৎ উৎপাদন কেন্দ্ৰ বিলাক বেয়া হৈ আছিল আৰু তাৰ কাৰণে কাম চলা নাছিল আৰু যি বিলাক বিজুলী উৎপাদন প্ৰতিস্থান আছিল সেইবিলাক পৰীক্ষা কৰি কেনেকৈ বিজুলী উৎপাদনত সহায়ক হব আৰু সেই দিশত কাম কৰিব সেই বিষয়ে উল্লেখ কৰাৰ কাৰণে আৰু বাজেটত তাৰ ব্যৱস্থা ৰখাৰ কাৰণে আমি ভাল পাইছো। উদ্যোগৰ কথা ইতিমধ্যেই কোৱা হৈছে। বিনা বিজুলী শক্তিৰে উদ্যোগৰ উন্নতি কৰাতো সম্ভব নহয়। গতিকে বিজুলীৰ অধিক উৎপাদন হব লাগিব। আৰু তেতিয়াহে উদ্যোগৰ ক্ষেত্ৰতো আগবাঢ়ি যাব পৰা হব। বিজুলী উৎপাদনৰ ওপৰত চৰকাৰে গুৰুত্ব দিয়াৰ কাৰণে আমি ধন্যবাদ জনাইছো। তাৰ পাচত পাচ বছৰীয়া, ছয় বছৰীয়া প্ৰাথমিক শিক্ষা পৰ্য্যায়ৰ লৰা ছোৱালীক বিনা মূলীয়াকৈ সাজ-পোচাক, কিতাপ-পত্ৰ দিয়াৰ কথা উল্লেখ কৰিছে এইটো উল্লেখনীয় কথা। আমাৰ গাওঁ অঞ্চলত দুখীয়া লৰা-ছোৱালীয়ে কিতাপ-পত্ৰ কিনিব নোৱাৰে, তেওঁলোকৰ অভিভাবক সকলে কাপোৰ-কানি, কাগজ-পত্ৰ দিব নোৱাৰে, গতিকে চৰকাৰৰ এই প্ৰস্তাবিত বিনামূলীয়া সাহাৰ্য্য বিশেষ ভাবে

মন কৰিবলগীয়া কথা। তাৰোপৰি প্ৰাথমিক শিক্ষা পৰ্য্যায়ত আমাৰ বিভিন্ন অঞ্চল বিলাকত যিবিলাক স্কুল ভাঙি-ছিঙি উৰলি গৈছে সেই বিলাক মেৰামতি কৰি শিক্ষকে যাতে সুবিধাজনক ভাবে শিক্ষা দান কৰিব পাৰে আৰু যাৱতীয় স্কুলৰ সা সামগ্ৰী যোগান ধৰি এটা শৈক্ষিক পৰিবেশ গঢ়ি তুলিব পাৰে তাৰ বাবে চেষ্টা কৰা হব বুলি বাজেটত ইঙ্গিত দিয়াৰ কাৰণে আমি সুখী হৈছো। যোৱা দুই তিনিদিন ধৰি বাজেট বিতৰ্কত বনজ সম্পদ লুণ্ঠন কৰা কথাটো সকলোৱে স্বীকাৰ কৰিছে আৰু তাক কি ধৰণে সংৰক্ষণ কৰা হব সেই বিষয়ে চৰকাৰে চিন্তা চৰ্চা কৰা বুলি যি ইঙ্গিত দিছে তাত আমি আনন্দিত হৈছো। অকল সেয়ে নহয় বনজ সম্পদ কেনেকৈ উদ্ধাৰ কৰিব পাৰি আৰু তাক কেনেকৈ বৃদ্ধি কৰিব পাৰি, কেৱল গছ-গছনিয়ে নহয়, জীৱ-জন্তু এই সকলো বিলাক সংৰক্ষণ কৰা চৰকাৰৰ দায়িত্ব বুলি উল্লেখ কৰিছে। যি দুখন অভয়াৰণ্য উত্তৰকাচাৰৰ কথা চিন্তা কৰিছে আৰু কাচাৰৰ কথা চিন্তা কৰিছে সেইটো উল্লেখনীয় কথা। নিয়োগৰ কথা উল্লেখ কৰি নিয়োগ ব্যৱস্থা যে আশংকা জনক হৈ পৰিছে সেই বিষয়ে উনুকীয়াইছে আৰু এই ক্ষেত্ৰত কেনে ধৰণে আগবাঢ়িব পাৰি সেইটো কথা চিন্তা কৰিছে। অসমত যথেষ্ট সংখ্যক যুৱক, যুৱতী, শিক্ষিত, অশিক্ষিত সকলোৱে নিবনুৱা হৈ আছে। এই সকলক কেনেকৈ নিয়োগ কৰিব পৰা হয় সেই বিষয়ে চিন্তা কৰি বাজেটত উল্লেখ কৰিছে, আগন্তুক কালত যাতে আমাৰ লৰা-ছোৱালী বিলাকে সংস্থান পাব পাৰে তাৰ কাৰণে চিন্তা চৰ্চা কৰিছে আৰু এই বিষয়ে স্পষ্ট ভাবে উল্লেখ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উদ্যোগৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়াৰ কথা উনুকিয়াইছে আৰু কৈছে যে উদ্যোগৰ দ্বাৰাই বহুখিনি নিবনুৱা সমস্যা সমাধান হোৱাৰ সম্ভাৱনা আছে। তাৰ পাচত দৰিদ্ৰতা দুৰীকৰণৰ কথা কৈছে, ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি, গণমাটিহীনৰ নিশ্চিতকৰণ আঁচনি এই বিলাক ৰাষ্ট্ৰীয় আঁচনি আৰু এই আঁচনিৰ জৰিয়তে ৰাইজৰ উন্নতিকল্পে কাম কৰি যাব। সেই বিষয়ে স্পষ্ট ভাবে উল্লেখ কৰিছে। আশা কৰা যায় এই আঁচনিৰ দ্বাৰা গাওঁ অঞ্চলক বহুখিনি উপকৃত কৰিব পৰা যাব। যি কি নহওক বাজেটখনত ৫০০ কোটি টকা ধৰা হৈছে। ইয়াৰে ৩৫ কোটি টকা পাৰ্ব্বত্য অঞ্চলৰ কাৰণে ৰখা হৈছে আৰু বাকী খিনি টকা বাকী অঞ্চল বিলাকৰ কাৰণে ৰখা হৈছে। আশা কৰিব পাৰি বাজেটত যিখিনি কথা

উল্লেখ কৰিছে সেই গোটেই খিনি দাম কৰিব পৰা হব। ১৯৮৬ চনৰ ১ এপ্রিলৰ পৰা বিকেন্দ্রীকৰণ পৰিকল্পনা হাতত লবলৈ ঠিক কৰিছে, বিগত কালত এনেধৰণৰ পৰিকল্পনা লোৱা নাছিল। ইয়াৰ দুটা পৰিকল্পনা আছে-এটা হল ৰাজ্যিক আৰু আনটো হ'ল মহকুমা ভিত্তিত। এই দুয়োটা পৰ্য্যায়ত কাম বিলাক কৰিলে নিশ্চয় অতি সোনকালে কাম বিলাক কৰি তোলাত সহজসাধ্য হৈ পৰিব। আগন্তুক কালত ইয়াৰ যে যথেষ্ট উন্নতি হব সেই বিষয়ে স্পষ্ট ইঙ্গিত আছে। তাৰ পাচত অসমৰ বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰি বিশেষকৈ বানপানীৰ সমস্যাৰ কথা উল্লেখ কৰিছে। প্ৰতি বছৰেই আমাৰ ৰাজ্যখনত বানপানীয়ে যথেষ্ট ক্ষতিসাধন কৰে। যোৱা ৩৫ টা বছৰে এই বানপানী নিশ্চিত আৰু ইয়াক ৰোধ কৰাৰ ব্যৱস্থা কৰিব পৰা নাই। এইবাৰো আকৌ বানপানী হব, আকৌ ক্ষতি হব। গতিকে এই ক্ষেত্ৰত কেনেধৰণৰ ব্যৱস্থা চৰকাৰে হাতত লব সেই বিষয়ে উল্লেখ আছে। গুৱাহাটী মহানগৰীতো বাৰিষা কালত প্ৰায় দুমাহ কাল বানপানীৰ কবলত পৰা দেখা যায়। আগন্তুক কালত যাতে সেই বানপানীৰ পৰা হাত সাৰিব পৰা হয় তাৰ কাৰণে চৰকাৰে আগতীয়া ব্যৱস্থা যাতে হাতত লয় তাৰ কাৰণে পৰামৰ্শ আগবঢ়াও। তাৰ পাচত পৰিবহনৰ কথাও উল্লেখ কৰিছে। বাজেটত পৰিবহনৰ উন্নতিকল্পে লোৱা আঁচনিৰ কথা উল্লেখ আছে এতিয়াও পৰিবহন ব্যৱস্থা বিশেষকৈ গুৱাহাটী মহানগৰীত সন্তোষজনক হোৱা নাই। পৰিবহন ব্যৱস্থা সুবিধাজনক নহলে মানুহৰ ইফালৰ পৰা সিফাললৈ যাতায়ত কৰিবলৈ অত্যন্ত অসুবিধা হয় আৰু মাল বস্তু অনা নিয়া কৰাত সমস্যা আহি পৰে।

পৰিবহন ব্যৱস্থাটো আগতকৈ কেনেকৈ সুচল আৰু উন্নতি কৰিব পৰা যায় সেই বিষয়ে কেনেধৰণৰ ব্যৱস্থা ইত্যাদি লোৱা হব সেই বিষয়ে বাজেটত ইঙ্গিত দিয়া হৈছে। পৰিবহন ব্যৱস্থাৰ উন্নত নহলে এই গোটেই বিলাক আঁচনি কাৰ্য্যত ৰূপায়ণ কৰাটো কঠিন হব বুলি মই ভাবো। পৰিবহন ব্যৱস্থা উন্নতি কৰিবৰ কাৰণে চৰকাৰে যিখিনি টকা-পইচা ধাৰ্য্য কৰিছে সেইখিনি কিছু কাম কৰিব বুলি আমি আশা ৰাখিছো। পৰিবহন প্ৰসংগত মই গুৱাহাটীৰ এটা কথা কব খুজিছো। গুৱাহাটী এখন ডাঙৰ মহানগৰ। ইয়াত পৰিবহনৰ যিখিনি ব্যৱস্থা আছে সেইখিনিয়েই যথেষ্ট নহয়। পৰিবহন ব্যৱস্থাৰ উন্নতি কৰিবলৈ চৰকাৰে

কিছুমান আঁচনি লৈছে আৰু ইয়াৰ দ্বাৰা পৰিবহন ব্যৱস্থাৰ উন্নত কৰিবলৈ ইতি-মধ্যেই ঘোষণা কৰিছে। ৰাস্তা ভাল হলেহে পৰিবহন ব্যৱস্থা ভাল হব। গোটেই গুৱাহাটীখনক চুই যোৱাকৈ গুৱাহাটীত মাত্র দুটা ৰাস্তা আছে—এটা হ'ল গোপীনাথ বৰদলৈ ৰোড আৰু আনটো গুৱাহাটী চিলং ৰোড। এই দুটা ৰাস্তাত যান-বাহনৰ যথেষ্ট ভীৰ হয়। আন আন ঠাইলৈ এনেধৰণৰ বাছ চলাচল কৰিব পৰা সুবিধাজনক ৰাস্তা নথকাৰ কাৰণে যাতায়তৰ যথেষ্ট অসুবিধা হৈছে। ফলত এই দুটা ৰাস্তাতেই যাত্রীৰ ভীৰ হোৱাৰ কাৰণে বাহৃত যাতায়ত কৰাৰ বহু ক্ষেত্রত অসুবিধা হৈ পৰিছে। এই পৰিবহন বিভাগটো ৰাজ্যখনৰ কাৰণে এটা অতি গুৰুত্বপূর্ণ বিভাগ। গুৱাহাটীৰ সোমাজেৰে যিটো ৰেলওঁৱে লাইন গৈছে ইয়াক অনতি পলমে স্থানান্তৰিত কৰি হাইওৱেৰ কাষে কাষে নিব পাৰিলে ৰেল-ওৱেৰো সুবিধা হব আৰু এই লাইনটোৰ ওপৰেদি যিটো প্রধান ৰাস্তা হব সি গোটেই গুৱাহাটীখনকেই চুব পাৰিব আৰু তেতিয়া আমাৰ প্রধান তিনিটা ৰাস্তাৰে যান-বাহন চলাচল কৰাত যথেষ্টখিনি সুবিধা হব আৰু যাত্রীৰ ভীৰও কমিব। গতিকে এই বিষয়ে চিন্তা চর্চা কৰি উপযুক্ত ব্যৱস্থা লবলৈ মই চৰকাৰক পৰা-মর্শ দিওঁ। তাৰ পাচত অসম চুক্তি ৰূপায়নৰ ক্ষেত্রত ইতিমধ্যেই কেইবা লানিও আলোচনা হৈ গৈছে আৰু এই সম্পর্কে চৰকাৰৰ লগত যি মতে চুক্তি কার্য্য সম্পাদন হৈছিল সেইমতে চুক্তি ৰূপায়ণ কৰিব লাগে। যোৱা কেইদিন ধৰি কেইজনমান সদস্যই কৈছে যে যি সকল অভাৰতীয় নাগৰিক আছে সেই সকল ইতিমধ্যেই বুঢ়া হৈ গৈছে আৰু তেওঁলোক কিমানদিন বাচি থাকিব ? কিন্তু তেওঁলোকৰ লৰা-ছোৱালী বিলাক ইনিমধ্যেই ভাৰতীয় নাগৰিক হৈ গৈছে। গতিকে এই চুক্তিখন কার্য্যত ৰূপায়ণ কৰাৰ ক্ষেত্রত সকলোৰে সহায়-সহযোগ অৱশ্যেই লাগিব। শেষত মাননীয় মুখ্যমন্ত্রী মহোদয়ে যি খন বাজেট ইয়াত উত্থাপন কৰিলে সেইখন সকলোৰে সমর্থন কৰিব লাগে আৰু যাতে সদনত গৃহীত হয় তাৰ কাৰণে সকলোৰে সহায়-সহযোগীতা কামনা কৰিলো আৰু যিখিনি কথা বাজেটত উল্লেখ কৰা হৈছে সেইখিনি যাতে কার্য্যত ৰূপায়ণ কৰিব পৰা হয় তাৰ কাৰণে সকলোকে সহায়-সহযোগীতা আগবঢ়াবলৈ অনুৰোধ জনাই এইখিনি বক্তব্য ৰাখিয়েই সামৰণি মাৰিলো।

Shri Holiram Terang : In starting my speech, I would like

to dwell upon mainly the preamble of the Budget Speech-on the second paragraph of the Budget Speech. The Chief Minister has said that the Govt, will provide a clean, strong, stable and efficient Govt. Well Sir, it is very good that Govt. would be able to provide a clean, strong, stable and efficient Govt. Some say, it is an outburst of people's exuberence. What I say is that Govt. is really keen to provide a really clean, strong, stable and efficient Govt. But it depends on Cooperation of each section of the people, especially from all Members of this august House. Otherwise, it will be a difficult task and a stupendous one. In addition, mutual respect is another factor which is required for fulfilment of the promises of the Govt. This mutual respect should be among the various ethnic groups, racial groups, language groups and so on. We have unique experience of the mutual respect among the various groups in recent past. So, Sir, point of mutual respect should be emphasised. I say Sir, Govt. should emphasise on language policy also. Assamese is the official language together with English and Bengali as per the Official Language Act. But as Assamese is the language of the majority of the people here, it is imperative to learn Assamese. Now, there are ethnic groups like Boro, Miching, etc. It is desirable that people of these groups and also of other language group should learn other languages also. I will advise the Govt to take steps so that these languages can be studied as subject language in all the schools and colleges. Govt. in the Education Department have laid stress on education with an expenditure of Rs. 261 crores as in the Budget. It is a step in the right direction. It is

heartening to note that Govt. is going to provide free text books and free uniform to all the students. This is going in line with the directives enshrined in the Constitution of India. Now, Sir, what we feel that there should be also a definite policy on this. In villages, people should be able to construct school buildings to open schools. I think, as it is a welfare country and if the Constitution has laid down so, Govt. should itself open schools rather than taking only initiative to open schools. I would like Govt. to look after all this as in the Budget.

About decentralisation of Plan System as envisaged by Govt., this is a step in the right direction in a real democratic set up in the country. But the problem stands in the way of execution of our plan and programme. The whole thing works together including cooperation of the people, cooperation of buraucrats, cooperation of govt. machineries. So, if we do not change our attitude of working with cooperation of all, whole thing will be in an impasse. I think buraucrats should be motivated accordingly. Similarly, we should try to motivate rural people. There should be motivation programmes of Govt. to motivate buraucrats, govt. employees as well. Else, the aims and objects of Govt. might not be fulfilled.

About forests, especially in Karbi Anglong, I would like to say that we have abundant encroachers of forest land. We have faced with problem of illegal encroachments. Such encroachers should be evicted and driven out but not with conspiration. Govt. should take programme of afforesta-

tion. At the same time, Govt. should chalk out programmes whether poor evicted people can be rehabilitated. And I hope the Govt. would take note of this. Sir, regarding the seperation, I would like to say a few words. Many members have expressed that further vivisection of the State may come up in future, but I would like to say Sir, that the people do not like to separate from one place to another, if they are happy mentally and live happily. Therefore, the endeavour of this Govt. should be to make people happy and allow them to live happily. Sir, this is the duty of the members of this August House to negate the bogey of seperatism so that the State do not suffer further dismemberedment.

About Power Sir, we have got a lot of deficit in the State in respect of power supply. There is work going in Karbi Anglong for commissioning the project, but last year, due to disturbance it could not be commissioned. After AGP's coming to power there is a start given. There is a problem Sir, in respect of reservoir as during the winter season, this may not function well for want of sufficient water. I urge upon the Govt. to look into this matter so that the project is commissioned without any hindrance.

Now Sir, we have got two hill districts, Karbi Anglong and N.C. Hills and we get Central assistance which is divided in two parts for the two Hill districts. In 1985-86 the division of money was 70 per cent for the Karbi Anglong and 30 per cent for the N.C. Hills, which was done on the basis of area and population. But in this

budget Sir, the allocatiou is almost 50/50. The Central aid is 30.51 crores for Karbi Anglong and 20.33 crores for N.C. Hills. and loans 2.26 for Karbi Anglong and 2.15 for N.C. Hills. I would request the Govt. to take note of it on the basis of population and area. I think, I have consumed my time and with these few words, I conclude Sir.

Mr. Chairman (Shri Charan Narzary ) : There are many members to participate in the debate. I would request the hon. members to finish their speeches within 10 minutes allotted to each speakers. Now, hon. member Shri Probin Ch. Deka to speak.

Shri Probin Chandra Deka : Mr. Chairman, I first congratulate the Chief Minister for presenting the budget on 12th March, 1986. It has been provided in the articles 202, 203 and 204 for presentation of Annual Financial Statement and also by the Rules of procedure and Conduct of Business in Assam Legislative Assembly. The budget estimates for 1986-87 presented assumes a total receipt of Rs. 2691, 47,78 and total expenditure of Rs. 2750·00 crores and the overall deficit within the year is likely to be 56.24 crores. Since 1952 every year budget came and gone-it was then at Shillong and now at Dispur. Sometimes it was higher and again at another time it was less. But the budget presented this time was better. It could not be best inspite of best efforts. The reasons for not being able to make it best is due to the traces of mismanagement left by the Congress of their 38 years of functioning in the Govt. The whole economic structure of

the State has been destroyed by them. Sir, there are 69 grants though the Chief Minister has mentioned about 6 in his Budget speech. He has dealt with Education, Forest, Agriculture, Industries, Power Institutional finance, price situation employment, plan out-lay and others. Why this condition is prevailing in our State ? Why we have not been able to give the best Budget which can fulfil the hopes and aspirations of the people of Assam to a greater extent ? Because, till to-day the imperialist economy, which was there at the time of British was being followed, was being held by the previous Governments. The previous Governments frustrated the whole economy either agrarian or industrial and for that it has not been possible to give the best budget which can fulfil the hopes and aspiration of the people of the State. Still to-day the economy of the State is considered to be the hinterland of Bengal and Calcutta. We produce jute, we produce oil, we produce tea, we produce coal, we produce ply-wood and what we get from these resources ? We get nothing. Our previous Governments did nothing to enrich our State from these resources. I hope and request the present Government to bring more money to enrich our State. It is a very important aspect of the Budget speech and I hope our Government tap those resources out of which 32 crores is expected to come to our State exchequer. Sir, since the time is limited I cannot deal with all the matters. I would like to say something about the most important matter which is very much alarming in respect of our State. No. 1 is unemployment and No.2 is

agriculture. In the sphere of Agriculture why we are lagging behind other States, why our national income is less than other States ? These are all due to inaction of the previous Governments.

Sir, I would like to deal with the unemployment problem of our State. Sir, it has been mentioned by the Chief Minister in his Budget speech there is about 20 lakhs unemployed youth, either literate, illiterate or peasants and others. The jobs created either in the Central Government offices or other institutions and the State Government should go to the sons of the soil. But what we find most of the jobs go to the people other than our State. ( the bell rings ). Sir, the bell is already rung. So I read out one improtant aspect of this matter. "Unemployment has become the most acute sore in the socio-economic body politic, now converging on the polity. The pattern of unemployment in the State is different from the other States of the Indian Union. The educated indigenous youth had been seriously discriminated and sought to be rendered discontented. The employment of the sons of the soil is so few in the Industries and in all avocations that they have virtually been refused participation in the techniques and modes of production system, marketing, banking ane distributive systems. They have been virtually out-lawed by the private sector converted an out-caste by the public sector.

The number of unemployed is estimated to be at above 20 lakhs. The educated unemployed youths is now vastly increasing. Doctors, engineers and ITI passed technical per-

sonnel as well remain unemployed. The head Offices of the tea companies, Tea Auction Market, Banking organisations, the distributive arrangements, head Offices of the OIL, BRPL, as well private Sector plywood and engineering concerns are all located outside the State, holding jobs which all belong to the State. Unless these are shifted to Assam and the local youths are allowed to associate with the production process the marketing banking and distributive arrangements, unless 85% jobs are kept reserved for locals, there could be no future for the local youths.

The Act of 1959 seeking to regulate employment is defective and the exchanges are the worst of corruptions. The demand of jobs which we call "sons of the soil" was revised by the patriots of Bihar in 1943 before the Bihar Labour Investigating Committee as also before the Pege Committee appointed by the Government of India in 1945. It was then the Maharastra Legislative Assembly on 16.12.67 the all India political parties being represented in it adopted a memorandum submitted to the National Commission on labour as the united voice of the people of the State. The memorandum claime 90% jobs for the Maharastrians. A similar demand was raised in the State of West Bengal, its Trade union with political affiliations and parties with national and international affiliation.

Mr. Chairman ( Shri Charan Narzary ). Mr. Deka, your time is already over.

Seri Pabin Deka : I have a very important point. As the time is over I may like to lay it on the table of the House.

**Mr. Chairman :** Such statement cannot be laid.

**Shri Pabin Deka :** I conclude, Sir.

**শ্ৰীকামাখ্যা চৰন চৌধুৰী :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে ১৯৮৬-৮৭ চনৰ যি বাজেট উত্থাপন কৰিছে তাক মই আদৰনি জনাইছোঁ। আদৰনি জনাইছোঁ এই কাৰণেই যে ইয়াত ভৱিষ্যত অসমৰ উন্নতিৰ কাৰণে যি বিলাক আচনিৰ কথা উল্লেখ কৰিছে সেই বিলাক আমাৰ সকলোৰে কাৰণে গ্ৰহনযোগ্য। সেই কাৰণেই মই এইবাৰ কেইটামান শিতানৰ ওপৰত কেইটামান কথা কব বিচাৰিছোঁ। কৃষি সম্পৰ্কত আগৰ চৰকাৰে যি কামৰ কথা কৈছিল আমি দেখাত ক্ষুদ্ৰ জলসিঞ্চন বা কৃষিৰ ক্ষেত্ৰত তেনে কোনো লাগতিয়াল কাম হোৱা নাছিল। বিশেষকৈ মই মোৰ হাজো সমষ্টিৰ কথা কব খুজিছোঁ। তাত যিবিলাক আচনি লোৱা হৈছিল সেই বিলাকৰ একো কাম হোৱা নাছিল।

কিন্তু বৰ্ত্তমান আমাৰ চৰকাৰে এই বাজেটত যি ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থা আৰু চাউলৰ উৎপাদন বঢ়োৱাৰ ব্যৱস্থা বা আচনি কৰিছে তাৰ কাৰণে আমি ভাবোঁ অসমৰ সমূহ ৰাইজৰ ভৱিষ্যতে কৃষিৰ বিষয়ত ভাল ব্যৱস্থা হব। কাৰণ অসমৰ মানুহ প্ৰায় ৮০ ভাগেই খেতিয়ক। আগৰ চৰকাৰে মুখেৰে যিমানেই নকওক কিয় খেতিয়কৰ কাৰণে কোনো কাম কৰা নাছিল। আজি বৰ্ত্তমানৰ চৰকাৰে এই শিতানত উল্লেখযোগ্য কেইটামান দিশত হাত দিয়া দেখা গৈছে; যেনে ভাল বীজ যোগান ধৰা আদি ব্যৱস্থা কৰিছে। এই কাৰণেই আমি এই বাজেটক আদৰনি জনাইছোঁ।

দ্বিতীয়তে আদৰণি জনাইছোঁ। অসমৰ দ্বিতীয় কৃষি বিশ্ববিদ্যালয়খন বিশ্বনাথ চাৰিআলিত স্থাপন কৰিবলৈ লোৱাৰ বাবে। কাৰণ ইয়াৰ পৰা অসমৰ ৰাইজ কৃষি ক্ষেত্ৰত বহু উপকৃত হব পাৰিব।

উদ্যোগ সম্পৰ্কত কওঁ আমাৰ অসমত যি বিলাক উদ্যোগ আছিল আৰু আগৰ চৰকাৰে উদ্যোগ আদিৰ ক্ষেত্ৰত যি বিলাক ঋণ আদি দিয়াৰ কথা কৈছিল কিন্তু আমি দেখাত তেনে কোনো সুব্যৱস্থা হোৱা নাই। কিন্তু বৰ্ত্তমান চৰকাৰে তথা আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে আমিনগাওঁত এটা চাহৰ

কেন্দ্র গঢ়ি তোলাৰ ব্যৱস্থা হাতত লৈছে আৰু চাহৰ পৰা পাবলগীয়া কৰ পোৱাৰ ব্যৱস্থা কৰিছে, তাৰ কাৰণে মই তেখেতক আদৰনি জনাইছোঁ। আকৌ কলিকতাত যিবিলাক চাহ আৰু প্লাইউদ সম্পৰ্কীয় অফিচ আছে সেই বিলাক অসমলৈ স্থানান্তৰ কৰিব পাৰিলে নিয়োগৰ ক্ষেত্ৰতো কিছু সুবিধা হব। মই এটা পৰামৰ্শ আগবঢ়াব খুজিছোঁ যে চিলংত যি এ, জি, অফিচ আছে সেই বিলাক গুৱাহাটীলৈ স্থানান্তৰ কৰিব লাগে। সেয়ে হলে আমাৰ যি বিলাক ৰাজপত্ৰিত বিষয়া আছে তেওঁলোকৰ দা-দৰমহা আদিৰ ক্ষেত্ৰত সুবিধা হব।

শিক্ষা সম্পৰ্কত মই দুটামান কথা কওঁ আমাৰ চৰকাৰে প্ৰাথমিক শিক্ষা পৰ্য্যায়ত লৰা ছোৱালী বিলাকক নিয়মীয়াকৈ পাঠ্যপুথি আৰু সাজ পোছাক দিব খুজিছে। এইটোত আমি আদৰণি জনাইছোঁ। আগৰ চৰকাৰৰ দিনত এইবোৰ নাছিল। এই সা-সুবিধা যোৰ দিয়াৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ। লগতে এটা পৰামৰ্শ আগবঢ়াব খুজিছোঁ গাওঁ অঞ্চলত আমাৰ কণ কণ লৰাছোৱালী বিলাকক শিক্ষাত ভৰ্ত্তি কৰোৱাৰ কাৰণে প্ৰাক প্ৰাইমেৰী যি পদ্ধতি আছিল তাক আকৌ প্ৰচলন কৰিব লাগে। কাৰণ চহৰৰ লৰা ছোৱালীয়ে কে, জি আদি স্কুলৰ সুবিধা পায় কিন্তু গাওঁত তেনে সুবিধা নাই।

নিয়োগ সম্পৰ্কত চৰকাৰে যি উল্লেখ কৰিছে সেইটো গ্ৰহণযোগ্য হৈছে। নিয়োগ সম্পৰ্কত আগৰ চৰকাৰৰ কোনো নীতি নাছিল। এই সম্প-ৰ্কত মই কওঁ আমাৰ যি বিলাক বেংকিং, এল, আই, চি বা ৰেলৱে আদিত আমাৰ লৰাছোৱালীয়ে সুবিধা পাব লাগে, ইয়াৰ পৰীক্ষা আদি লোৱাৰ ক্ষেত্ৰত আমাৰ এজন সদস্য তাত থকা ব্যৱস্থা কৰিব পাৰে।

আমাৰ বাজেটত দাৰিদ্ৰতা দুৰ কৰিবৰ কাৰণে যি আচনি লৈছে তাক আদৰনি জনাইছো। ৰাইজৰ উন্নতিৰ কাৰণে গ্ৰাম্য বিকাশ আচনি খুলি তাত যথেষ্ট টকা আদি দি সহায় কৰি এই বিলাকৰ বিকাশ কৰিবৰ কাৰণে ব্যৱস্থা কৰিব পৰা হব। পৰিকল্পনা বিকেন্দ্ৰীকৰণৰ কাৰণে যি ব্যৱস্থা উল্লেখ কৰিছে আৰু এই ক্ষেত্ৰত বৰ্ত্তমান চৰকাৰে যি নীতি নিৰ্দ্ধাৰন কৰিছে তাৰ কাৰণে মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ।

আকৌ আমাৰ থাকুৱা তেলৰ যি ৰয়েলিটি আছে সেইটো আগৰ চৰকাৰে

প্ৰতি মেট্ৰিকটনত ৬১ টকা কৰিছিল এতিয়া তাৰ পৰা বঢ়াই আমাৰ চৰকাৰে ৩৬৬ টকা লৈ এই ৰয়েল্টী বঢ়াবলৈ যত্ন কৰিছে। ইয়াৰ কাৰনেও আমি আদৰনি জনাইছোঁ।

সেয়ে মই কব খুজিছোঁ এই গণপৰিষদৰ চৰকাৰে তথা মুখ্যমন্ত্ৰী মহোদয়ে ১৯৮৬-৮৭ চনৰ কাৰণে যি বাজেট তৈয়াৰ কৰিছে, সেই বাজেট আমাৰ সকলো সদস্যৰ কাৰণেই গ্ৰহণযোগ্য হব। ইয়াকে কৈ মই চৰকাৰলৈ ধন্যবাদ জনাই মোৰ ভাষণৰ সামৰণি মাৰিলোঁ।

শ্ৰীরামেন্দ্র দে : মাননীয় চেয়ারম্যান মহোদয়, ১৯৮৬-৮৭ ইংরাজীর জন্য যে বাজেট এই সদনে পেশ করা হয়েছে, এই বাজেটের যে অনুলিপি আমরা পেয়েছি এতে যা লেখা আছে তাথেকে বুঝতে পারি যে এই ভারধারা আসামের উন্নতিকে সম্প্রসারিত করে না- সংকুচিত করে। চেয়ারম্যান মহোদয়, বিগত ৩৯ বছরের কংগ্রেসির শাসনে ভারতবর্ষের প্রতিক্রিয়াশীল এবং পূজিবাদী শ্রেণী একটা শক্তিশালী শোষক শ্রেণী হিসাবে গড়ে উঠেছে। আমরা দেখতে পাই ভারতবর্ষের চা সম্পদের শতকরা ৬০ ভাগ এই আসাম রাজ্য দিচ্ছে। সারা ভারতের তৈল উৎপাদনের শতকরা ১৫ ভাগ এই আসাম রাজ্যে হচ্ছে। অথচ তার বয়েলিটি বাবদ আমাদের রাজ্য অতি নগন্য মূল্য পাচ্ছে। শিল্পক্ষেত্রে দেখতে পাই- এই রাজ্যে কোনও শিল্প গড়ে উঠেনি। কংগ্রেস আমলে এর কোনও চেষ্টা করাই হয়নি। অসংখ্য ভূমিহীন ক্ষেত মজুর সৃষ্টি হয়েছে, রাস্তাঘাট উন্নয়নের নামে লক্ষ লক্ষ টাকা খরচ করা স্বত্বেও রাস্তাঘাট উন্নয়ন বা সম্প্রসারন হয়নি। সারা ভারতে ২৪ হাজার কিঃ মিঃ ব্রড্‌গজল রেল লাইনের মধ্যে আসামে মাত্র ২৭৭ কিঃ মিঃ। আসামের ৭৫৬ টি চা বাগানের মধ্যে ২১২ চা বাগানের মালিকানা এখনো বৃটিশের হাতে। ২২৬ টি চা বাগানে ৪০ লক্ষ একর চা ক্ষেত্র বেড়েছে অথচ শ্রমিকের সংখ্যা কমেছে ৫৬ হাজার। আসামে পি ডব্লিও ডি বিভাগেড় রাস্তা আছে ২৬ হাজার কিঃ মিঃ। কিন্তু মাত্র ৬ হাজার কি মিঃ রাস্তার মটর চলাচল করতে পারে। এতে বুঝা যায় দীর্ঘ ৩৯ বত্‌সর রাজত্ব কালে কংগ্রেসীরা কেবল সৃষ্টিমেয় একশ্রেণী লোকের স্বার্থ রক্ষা করেছে। জনসাধারনের বা রাজ্যের উন্নতিকল্পে এদের কোনও নজর ছিল না

শ্ৰীঅভিজিত শৰ্ম্মা ঃ চেয়াৰমেন মহোদয়, মাননীয় সদস্য গৰাকীয়ে কি কৈছে

আমি বুজি পোৱা নাই। এই পবিত্ৰ সদনত আমাৰ বুজাৰ কাৰণে ৰাইট আছে। যিহেতু আমি বুজিব পৰা নাই ইনটাৰপ্ৰেটৰ ৰাখিব লাগে।

Mr. Chairman (Shri Charan Narzary) : I think there is no such arrangement for this. Let the hon'ble member continue; this is permissible under the constitution.

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী): চেয়াৰমেন মহোদয়, মোৰ বিভাগৰ কিবা বিষয় থাকিব পাৰে। যদি মই একো বুজিব নোৱাৰো তেতিয়াহলে মই কি কৰিম? গতিকে মাননীয় সদস্যগৰাকীয়ে আমি বুজি পোৱাকৈ কব লাগে।

শ্ৰীনৰেন তাতী: চেয়াৰমেন মহোদয়, মই এই পবিত্ৰ সদনত উৰিয়াত কবলৈ বিচাৰিছো। তেতিয়া কথাটো ভাল হবনে? গতিকে ইংৰাজীতে কওঁক।

Mr. Chairman : Here Rule 28 provides-"The business of the Assembly shall be transacted in Assamese, or in Bengali, or in English, or in Hindi."

Except these four languages there is no other language provided under the Rules. Please let the hon'ble member continue.

শ্রীরামেন্দ্র দে: মহোদয়, শিল্প উদ্যোগের ক্ষেত্রে সারা ভারতে ১৫ হাজার বহুত শিল্পের মধ্যে সারা পূর্বাঞ্চলে হয়েছে মাত্র ১২ টি। ১ লক্ষ ৭৫ হাজারটি ছোট শিল্পের মধ্যে সারা পূর্বাঞ্চলে হয়েছে মাত্র ৩ হাজারটি। শিল্পের ক্ষেত্রে সারা ভারতে কেন্দ্রীয় সরকার খরচ করেন ১ লক্ষ ২০ হাজার কোটী টাকা আর আসামে খরচ করেন মাত্র ১২ কোটী টাকা। এই যে চিন্তাধারা, এই যে অবহেলা এই পূর্বাঞ্চলের প্রতি - এর জন্য দায়ী কংগ্রেস সরকারের ৩৯ বছরের শাসনের নামে শোষণ।

মহোদয়, এ জি পি সরকারের সঙ্গে এই সরকার যে চুক্তি করেছেন এতে আসামের উন্নয়নের ব্যাপারে যেসব কথা সন্নিবিষ্ট আছে তা নিশ্চয়ই আমরা সমর্থন করব। আসামে কাগজকল হবে, শিল্পায়ন হবে, শিক্ষা ব্যবস্থার উন্নতি হবে এতে আমাদের আপত্তি থাকতে পারে না। কিন্তু যে সব চিন্তাধারা সংখ্যা-

লঘূ মানুষের মনে নিরাপত্তার অভাব গড়ে উঠে, সংখ্যালঘুদের কৃষ্টি, ভাষা প্রভৃতিতে হস্তক্ষেপ করে, রাজ্যের সুস্থ বাতাবরনে বিঘ্ন ঘটায়- এইসব ব্যাপারে আমরা বিরোধিতা করবো। যে সব চিন্তাধারার ফলে সংখ্যালঘুদের মর্য্যদা থাকবে না, অধিকার থাকবে না - এইসব চিন্তা ধারার সঙ্গে আমাদের কোনও আপোষ থাকতে পারে না। এইসব চিন্তাধারার ফলে কংগ্রেসীদের বিগত ৩৯ বত্‌সর রাজত্বকালে মেঘালয়, মিজোরাম, অরুনাচল প্রভৃতি রাজ্যের সৃষ্টি হয়েছে। আর এ ভাবে চলতে থাকলে এই রাজ্য আরও খণ্ড বিখণ্ড হতে বাধ্য। সুতরাং এই আসামচুক্তির যে সব বিপজ্জনক ধারা রয়েছে এই সব ধারা যাতে বাতিল করা হয় এইজন্য আমি নতুন সরকারের কাছে অনুরোধ করছি। সঙ্গে সঙ্গে শিক্ষার প্রশ্নে, ভাষার প্রশ্নে যে সব বিপজ্জনক প্রস্তাব নতুন সরকার নিয়েছেন যার ফলে বাংলা ভাষাভাষী, বড়ো ভাষাভাষী বা ডিমাছা ভাষাভাষিরা বিপন্ন বোধ করছেন। কারন এইসব সিধান্ত শাস্ত্রী ফরমূলা ও ১৯৬০ ইংরাজীর ভাষা আইন ও সংবিধানকে সম্পূর্ণ ভূলে গিয়ে, রাজ্যের ঐক্যের কথা ভূলে গিয়ে আসামের সংখ্যালঘু ভাষাভাষীদের উপর অন্য একটি ভাষা চাপিয়ে দিয়ে যে বিপদের সৃষ্টি করা হয়েছে এই ব্যাপারে আমি নতুন সরকারকে আবেদন করব যে রাজ্যের বিভিন্ন সম্প্রদায়ের মধ্যে ঐক্যর দিকে লক্ষ্য রেখে এসব যেন বাতিল করো, আসামের অর্থনৈতিক উন্নয়নের জন্য, আসামের তৈলের রয়েলিটির জন্য, ব্রড্‌গজ রেল লাইনের সম্প্রসারনের জন্য হিন্দু মুচলমান অসমীয়া-বাঙালী নির্বিশেষে সকলে ঐক্যবদ্ধ ভাবে আজ আন্দোলনের প্রয়োজন। আসুন, আসামের আবাল-বৃদ্ধ-বনিতা আজ কেন্দ্রীয় সরকারের বিরুদ্ধে আমরা একযোগে রাজ্যের অর্থনৈতিক উন্নতির জন্য আন্দোলন করি।

চেয়ারম্যান মহোদয়, 'নিকা' প্রশাসন সম্পর্কে সরকারের দৃষ্টি আর্কষন করে বলতে চাই যে কিছুদিন আগে রাজ্যের আইন শৃংখলার ব্যাপারে ইন্দিরা কংগ্রেস ছাড়া আমরা সমস্ত বিরোধীদল সম্মিলিত ভাবে মুখ্যমন্ত্রীর দৃষ্টি আকর্ষন করে রাজ্যের শান্তি শৃংখলা বজায় রাখার জন্য অনুরোধ করেছিলাম। সামগ্রিক ভাবে রাজ্যের শান্তি শৃংখলা বজায় থাকলেও গ্রামে গ্রামে অনেক ঘটনা ঘটছে। এই ব্যাপারে প্রদীপ চক্রবর্তী নামে একজন লোকের নিখোঁজ হওয়ার ব্যাপারেও মুখ্যমন্ত্রীর দৃষ্টি আকর্ষণ করেছিলাম। জানি না তিনি কি ব্যবস্থা নিয়েছেন।

আজ পুনর্বার এই ব্যাপারে হস্তক্ষেপের জন্য মুখ্যমন্ত্রীকে আবার অনুরোধ করছি। 'নিকা' প্রশাসনের আর একটি নমুনা দিচ্ছি। হাইলাকান্দিতে মিউনিসিপালিটিতে জনেক ভট্টাচার্য্য বলে এক মহিলা বস্'র মনোরঞ্জন করতে অস্বীকার করায় আজও সাময়িক ভাবে বরখাস্ত হয়ে রয়েছেন। এই ব্যাপারে আমি মিউনিসি-প্যালিটি এডমিনিষ্ট্রেশন বিভাগের মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করেছিলাম। কিন্তু এখনো তিনি একই অবস্থায় রয়েছেন। এটা দুর্ভ্যাগ্যের কথা যে একজন মহিলা তার চারিত্রিক বৈশিষ্ট্য রক্ষা করার জন্য আজ দুর্ভোগ ভুগছেন। আশাকরি মুখ্যমন্ত্রী মহোদয় এই ব্যাপারে ব্যবস্থা গ্রহণ করতে বিলম্ব করবেন না।

মহোদয়, এ আই ডি সি আসাম রাজ্যে যতটা শিল্পে হাত দিয়েছে— সমস্ত শিল্প প্রতিষ্ঠান মরে গেছে। প্লাস ফেক্টরী, সাইকেল ফেক্টরী সব মরে গেছে। কাছাড়ের সুগার মিল একটা বিপজ্জনক অবস্থায় এসে দাঁড়িয়েছে। শ্রমিক কর্ম্ম-চারীরা দীর্ঘদিন ধরে বেতন পচ্ছেন না। এইদিকে সরকারের দৃষ্টি আকর্ষণ করছি।

মহোদয়, আসাম রাজ্যে যত সমস্যা রয়েছে কোনও সমস্যাই ব্যাপক ভুমি-সংস্কার ও শিল্পায়ন ছাড়া সমাধান করা সম্ভব নয়। কংগ্রেছ আমলে ভূমি সংস্কারের নামে জমিদার ও মহাজনদের স্বার্থ রক্ষা করা হয়েছে।

মহোদয়, সেচের ব্যাপারে আমরা দেখতে পাই যে পাঞ্জাব ও হারিয়ানায় শতকরা ৭০ ভাগ জমিতে সেচের ব্যবস্থা করা হয়েছে অথচ আসাম রাজ্যে মাত্র শতকরা ৮ ভাগ জমিতে সেচের ব্যবস্থা করা হয়েছে। আসাম রাজ্যে প্রতি হেক্টর জমিতে মাত্র ৮ কেজি সার ব্যবহার করা হয় অথচ পঞ্জাবে ১০০ ভাগ জমিতে সার ব্যবহার করা হয়। আশাকরি নতুন সরকার এইসব ব্যাপার বিবে-চনা করে কাজ করবেন।

মহোদয়, আসামের ঐক্যের প্রশ্নে, সংহতির প্রশ্নে, সৌভ্রাতত্বের প্রশ্নে, আসাম রাজ্যের সার্বিক উন্নয়নের প্রশ্নে অশাকরি যে ভাষা আইন চালু করতে সরকার চাইছেন তা থেকে সরে দাঁড়াবেন। কারণ সমস্ত সংখ্যালঘুদের স্বার্থ উপেক্ষা করে, তাদের অধিকার উপেক্ষা করে কেবল মাত্র একটি ভাষা চাপিয়ে দিলে রাজ্যের স্বার্থ হানি হবে। আশাকরি নতুন সরকার এসব কথা

চিন্তা করে এক সুন্দর আসাম গড়ে তোলার কাজে ব্রতী হবেন এই বলে আমি আমার বক্তব্য শেষ করছি।

শ্ৰীদিলীপ শইকীয়া : মাননীয় চেয়াৰমেন মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি খন বাজেট উত্থাপন কৰিছে তাক মই আন্তৰিকতাৰে আদৰণি জনাইছো এই বাজেটখনত অসমৰ সৰ্ব্বাংগীন উন্নতিৰ কথা সুন্দৰকৈ উনুকীওঁৱা হৈছে। অসম গণপৰিষদ চৰকাৰে অসমলৈ শান্তি সম্প্ৰিতি ঘূৰাই অনাৰ কথা এই বাজেটত পৰিলক্ষিত হৈছে আৰু অসমত এটা নিকা সৰল সুষ্ঠিৰ আৰু সুদক্ষ চৰকাৰ গঢ়িতোলাৰ ক্ষেত্ৰত বিভিন্ন জাতি ভাষা ধৰ্ম্মৰ মানুহৰ মাজত ঐক্য, শান্তি-সম্প্ৰিতি অটুত ৰাখিবলৈ সদায় চেষ্টা কৰি আহিছে। ইয়াৰ দুটা কথা বিশেষভাবে মন কৰিবলগিয়া। এটা হৈছে কৃষি। কৃষিৰ উন্নতিৰ ক্ষেত্ৰত আমি দুটা কথা প্ৰধানকৈ লক্ষ্য ৰাখিব লাগিব। এটা হৈছে—বানপানী আৰু আনটো হৈছে জল-সিঞ্চন। এই দুটা ক্ষেত্ৰত আমি অগ্ৰাধিকাৰ দিব লাগিব, এই কাৰণে যে অসম এখন কৃষিপ্ৰধান দেশ। কৃষিৰ ক্ষেত্ৰত অসমৰ কৃষিজীবি ৰাইজক বিজ্ঞান সন্মত ভাবে বানপানী ৰোধ কৰাৰ আৰু কৃষিৰ ক্ষেত্ৰত সম্প্ৰসাৰিত আচনি লোৱাৰ ক্ষেত্ৰত চৰকাৰে চকু দিব লাগিব। যোৱা ৩৮ টা বছৰে অসমত কৃষক ৰাইজে জীয়াটো ভূগিছে। কৃষিৰ উন্নয়নৰ ক্ষেত্ৰত কৃষি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহত যথেষ্ট গৱেষক নিয়োগ কৰিব লাগে। আৰু এই গৱেষক সকলে কৃষি আঁচনি সমূহ উন্নত পদ্ধতিৰে ৰূপায়ন কৰিব লাগে, তাৰবাবে চৰকাৰে চকু দিব লাগে।

শিক্ষাৰ ক্ষেত্ৰত দেখা গৈছে যে প্ৰাথমিক স্কুল সমূহত ৬ বছৰৰ পৰা ১৩ বছৰলৈ ছাত্ৰ-ছাত্ৰী সমূহক বিনামূলীয়া পাঠ্যপুথি যোগান ধৰিবলৈ প্ৰস্তাৱ কৰা হৈছে, এইটো আদৰণিয়। শিক্ষাৰ ক্ষেত্ৰত আৰু এটা কথা লক্ষ্য কৰিব লাগিব। সেইটো হৈছে—এই বিভাগত থকা সকলো দুৰ্নীতি দুৰ কৰিব লাগিব। তাকে কৰিব নোৱাৰিলে অসমত কোনো দিনে শিক্ষা নীতি আগবঢ়াই নিব পৰা নাজাব। যোৱা ৩৮ টা বছৰে এই বিভাগত নানান ধৰণৰ দুৰ্নীতিৰে ভৰি পৰিছে। প্ৰাথমিক স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যিবিলাক আসোঁৱাহ দেখা গৈছে সেইবোৰ আতৰ কৰিব লাগিব। মই আশা ৰাখিছো অসমৰ গণপৰিষদ চৰকাৰে এই বিষয়ত আগভাগ লৈ প্ৰাথমিক স্কুলৰ শিক্ষক নিযুক্তিৰ বিষয়টোত অগ্ৰাধিকাৰ দিব।

প্ৰাথমিক স্কুলসমূহৰ আচবাব পত্ৰ আৰু যাবতীয় সা-সৰঞ্জাম দিয়াৰ কথাটো বাজেটত সুন্দৰকৈ দিয়া আছে। আগৰ চৰকাৰে স্বাৰ্থজৰিত কিছুমান মহলক অগ্ৰাধিকাৰ দি এই বিভাগটো দুৰ্নীতি পৰায়ন কৰা পৰিলক্ষিত হৈছে। বৰ্তমান চৰকাৰে এই ব্যৱস্থাটো নিকা কৰিবলৈ লোৱাটো আদৰণিয়।

উদ্যোগৰ ক্ষেত্ৰত অসম একেবাৰে পিছপৰা। উদ্যোগৰ ক্ষেত্ৰত অসমক আগোৱাই নিবলৈ হলে প্ৰথমে বিজুলিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিব লাগিব। ধেমাজিৰ সোৱনশিৰিত ইতিমধ্যে যিটো ডাম প্ৰজেক্ট কৰি থকা হৈছে সেইটো সোনকালে নিৰ্ম্মান কৰি অসম তথা উত্তৰ পূৰ্বাঞ্চল তথা উত্তৰ পূব ভাৰতত বিজুলি সৰবৰাহ কৰাৰ কথাটোৰ প্ৰতি নিশ্চয় চৰকাৰে লক্ষ্য ৰাখিব। এই বাজেটত উল্লেখ কৰা আন এটা কথা বিষেশ ভাবে মন কৰিব লগা। সেইটো হৈছে—মূল্যবৃদ্ধি। সাধাৰণতে দেখা যায় নিৰ্ব্বাচনৰ পিছত বস্তুৰ দাম উৰ্দ্ধগামী হয়, কিন্তু গণপৰিষদ চৰকাৰ গঠন হোৱাৰ পিছত মূল্যবৃদ্ধি হোৱা নাই এইটো এটা শুভ লক্ষণ।

নিয়োগৰ ক্ষেত্ৰত বৰ্ত্তমান নিবনোৱা সমস্যা এটা ডাঙৰ সমস্যা হৈ পৰিছে। এই সমস্যা কেনেদৰে সমাধান কৰিব পৰা যায় তাৰ বাবে বৰ্ত্তমান চৰকাৰে বিবেচনা কৰি আছে। এই খিনিতে মই এটা কথা উল্লেখ কৰিব খোজিছো সেইটো হৈছে ১৯৭১ চনৰ। "Assam Scheduled Caste and Scheduled Tribes Reservation of Vacancies in Post and Services Act ত আছে provided the candidate belonging to Scheduled Caste and Scheduled Tribes who qualified for selection on merit will be treated as on merit in the general merit list and not against the reserved quota"

কিন্তু প্ৰকৃতাৰ্থত যোৱা ৩৮ টা বছৰে এই দফাটোত অলপো সন্মান কৰা নাই। এইটো সচাকৈ দুখৰ কথা। এই ক্ষেত্ৰত মই আশা কৰিছো বৰ্ত্তমান গণপৰিষদ চৰকাৰে নিশ্চয় বিহিত ব্যৱস্থা লব। এচ টি আৰু এচ চিৰ ক্ষেত্ৰত চাকৰিৰ বিষয়ত মেৰিট বেচিচত নিয়োগ নিদি ৰিজাৰ্ভ কোটাত চাকৰি দিয়াৰ ব্যৱস্থা আগৰ চৰকাৰৰ দিনত হৈছিল। মই আশা ৰাখিছো আমাৰ গণপৰিষদ চৰকাৰে এই বিষয়ত চকু দিব।

আমাৰ অসমত প্ৰায়ে প্ৰাকৃতিক দুৰ্যোগ হয়। মোৰ সমষ্টি ধেমাজি

অঞ্চলৰ বৰলানি এলেকাত যোৱা ৩ বছৰে বানপানী হৈ আছে। বিলিফৰ ক্ষেত্ৰত যি ৮৬ কোটি টকা বাজেটত ধৰা হৈছে, এইটো এটা শুভ লক্ষণ। আৰু এটা কথা মই কব বিচাৰিছো, সেইটো হৈছে ট্ৰাইবেল ফৰেষ্ট ডেভেলাপমেণ্টৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ২ কোটি ৬৬ লাখ টকা অসমলৈ পঠাইছিল। কিন্তু এই টকা আগৰ চৰকাৰে প্ৰকৃতাৰ্থত খৰচ নকৰিলে, যাৰ কাৰণে ট্ৰাইবেল ফৰেষ্টৰ কোনো উন্নতি নহল। আমাৰ এই চৰকাৰে যি দুৰ্নীতি নিবাৰণ কৰিব বিচাৰিছে সেই কাৰণে মই কওঁ যে এই টকা ক'ত খৰচ কৰা হল সেইটো কথা অনুসন্ধান কৰিব লাগে এই ২ কোটি ৬৬ লাখ টকা কেন্দ্ৰীয় চৰকাৰৰ গ.হ দপ্তৰৰ পৰা পঠোৱা হৈছিল।

পৰিকল্পনাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যি বিলাক বিকেন্দ্ৰীকৰণৰ নীতি লৈছে মই সেইবিলাকৰ আদৰণি জনাইছো। দেখা গৈছে যে মহকুমা পৰ্য্যায়ত যি বিলাক বিকেন্দ্ৰীকৰণ কৰিবলৈ লোৱা হৈছে সেইখিনি কাৰ্যত ৰূপায়িত কৰিব পাৰিলে আমাৰ দেশৰ বহুত খিনি উন্নতি হব। আমাৰ যিখন বাজেট মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰী মহোদয়ে উত্থাপন কৰিছে এইখন এখন সচাঁকৈয়ে প্ৰকৃতাৰ্থত ভাল বাজেট বুলি কব লাগিব, যিখন বাজেটত অসমৰ দুখীয়া জনসাধাৰণৰ অৰ্থনৈতিক উন্নতি লাভ কৰাত সহায়ক হব আৰু এই ক্ষেত্ৰত অভিলেখ সৃষ্টি কৰা বুলি কব পাৰি।

(বেল ৰিং)

এই বাজেটখন ৰাইজৰ উন্নতিৰ কাৰনে কৰাৰ বাবেই আমি আদৰণি জনাইছো আৰু বিৰোধী দলৰ সদস্য সকলকো আদৰণি জনাবলৈ অনুৰোধ কৰিছো। মই এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীপ্ৰফুল্ল কুমাৰ গোস্বামী : মাননীয় চেয়াৰমেন মহোদয়, আজি এই বাজেট অধিবেশনৰ বাজেটৰ ওপৰত হোৱা বিৰ্তকত ভাগ লবলৈ উঠি মোৰ বক্তব্য ৰাখিব বিচাৰিছো।

বাজেট বুলি কলে মই ভাবো এখন আয় আৰু ব্যয়ৰ খটিয়ান। অহা বছৰটোৰ কাৰণে কিমান টকা আয় হব আৰু কেনে ধৰণেৰে ব্যয় কৰা হব, এইটোকে বাজেট বুলি কোৱা হয়। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে ১৯৮৬-৮৭ চনৰ কাৰণে যিখন বাজেট উত্থাপন কৰিছে, এই বাজেটত ৫০০ কোটি টকা ঘাটি দেখুৱা হৈছে। এই বাজেটত যি ঘাটি দেখুৱা হৈছে মোৰ মতে এইটো তেনেই

নগন্য। গতিকে মই ভাবো অসমৰ প্ৰত্যেকটো গোষ্ঠিৰ উন্নয়নৰ কল্পে অতি সুচাৰুৰূপে এই বাজেট অসমৰ জনসাধাৰণৰ কাৰণে ডাঙি ধৰিছে। এইখন যে এখন ভাল বাজেট এই কথা কেইবাবাৰো কৈ অহা হৈছে। অসমৰ উন্নয়নৰ কল্পে এইখন যে এখন ভাল বাজেট এই কথা সকলোৱেই স্বীকাৰ কৰিবই লাগিব, কাৰণ ইয়াৰ যি ঘাটি সেই ঘাটি তেনেই নগন্য। যোৱা ৩৮ বছৰে আমাৰ দেশৰ উন্নয়নৰ কাৰণে কোনো চিন্তা চৰ্চা নকৰিলে, বৰ্ত্তমান এনে এখন দেশৰ বাবে ৫০০ কোটি টকাৰ ঘাটি নকৰাকৈ বাজেট উত্থাপন কৰাবো সম্ভৱপৰ নহয়। আমি এইটো কথা দেখি আহিছো যে ভাৰতে যিবিলাক বস্তুৰ পৰা বৈদেশীক মূল্য আহৰণ কৰে তাৰে কেইবাটাও বস্তু অসমৰে। (১) তেল - যি তেলৰ কাৰণে ভাৰত চৰকাৰে প্ৰতি বেৰেলৰ কাৰণে ১৭০০ টকা দিব লাগে। ভাৰত চৰকাৰে বিদেশৰ পৰা তেল আমদানি কৰিব লাগে। কিন্তু ইয়াৰ আগতে আমাৰ চৰকাৰে তেলৰ ৰয়েলিটি প্ৰতি টনত ৭ টকাকৈ পাইছিল। বৰ্ত্তমান ৬১ টকাকৈ পাইছে। বৰ্ত্তমান নতুন চৰকাৰে প্ৰতি টনত ৰয়েলিটি ৩৩৬ টকা পাবলৈ দাবী কৰিছে। আমি যদি আমাৰ প্ৰাপ্য ৰয়েলিটি পাওঁ তেনেহলে অকল তেলৰ পৰাই আমি বহুত কোটি টকা পাব পাৰো। অনান্য যিবিলাক কাঠ, চাহ আছে সেই বিলাকৰ পৰাও আমাৰ পাবলগীয়া টকা পোৱা হলে মুখ্য মন্ত্ৰীয়ে অসমৰ উন্নয়নৰ কাৰণে বেচি টকাৰ বাজেট উত্থাপন কৰিব পাৰিলেহেঁতে। এতিয়া ৫০০ কোটি টকাৰ ঘাটি বাজেট উত্থাপন কৰিছে যদিও এইটো আমাৰ মনোগ্ৰাহী হৈছে কাৰণ এই বাজেটে অসমক উন্নতিৰ পথত আগবঢ়াই নিয়াত সহায় কৰিব। আৰু এটা কথা মুখ্য মন্ত্ৰীয়ে বাজেটত কৈছে যে 'নিকা প্ৰশাসন'। এই কথাটো মই এই কাৰণেই কব বিচাৰিছো যে প্ৰশাসন যদি নিকা নহয় তেনেহলে ৫০০ কোটিয়েই নহয় ৫০০০ কোটি খৰচ কৰিলেও কোনো উন্নতি নহব। গতিকে নিকা প্ৰশাসনৰ ক্ষেত্ৰত আমি এটা কথা আশা কৰিছো যে এই চৰকাৰে দুনীতিৰ নিবাৰণৰ ক্ষেত্ৰত আগভাগ লব আৰু চৰকাৰৰ লগত সকলোৱেই সহ-যোগ আগবঢ়াব। নিকা প্ৰশাসন অকল এম এল এ কেইজনেই কৰিব নোৱাৰে। সকলোৱেই ইয়াত সহযোগ কৰিলেহে এইটো সম্ভৱ হব বুলি আশা কৰিব পাৰি।

মই এতিয়া কৃষিৰ কথা কব বিচাৰিছো। আমাৰ অসমখন এখন কৃষি প্ৰধান দেশ। আমাৰ দেশৰ শতকৰা ৮০ জনেই কৃষক। তাৰোপৰি অসম এখন

বানপানীৰ দেশ। গতিকে কৃষকৰ উন্নতি চিন্তা নকৰিলে অসমৰ উন্নতিৰ কথা চিন্তা কৰা নুবুজায়। গতিকে আমাৰ মুখ্য মন্ত্ৰীয়ে নতুন চিন্তা চৰ্চাৰে বাজেট আনিছে, যত কৃষিৰ ক্ষেত্ৰত বিভিন্ন আঁচনি আছে। আগতে দেখা গৈছিল যে কৃষিৰ ক্ষেত্ৰত যি বিলাক আঁচনি লোৱা হৈছিল সেই বিলাকৰ দ্বাৰা আমাৰ কৃষক সমাজ উপকৃত হব পৰা নাছিল। এতিয়া পানী যোগানৰ ক্ষেত্ৰত বিভিন্ন আঁচনি লোৱা হৈছে। ইয়াৰ ওপৰিও এন আৰ পি, আই আৰ ডি পি আদি আঁচনিৰ জৰিয়তেও ৰাইজৰ উন্নতিৰ কথা চিন্তা কৰা হৈছে। আগতে গাৱলীয়া ৰাইজে একোখন আঁচনিৰ কাৰণে টাউন চহৰলৈ আহিবলগীয়া হৈছিল। এতিয়া কিন্তু টাউন চহৰলৈ নাহিলেও কাম হোৱাৰ ব্যৱস্থা কৰা হৈছে। মই মাটি বন্ধকি বেংকৰ ভাইচ চেয়াৰমেন হিচাবে থকাৰ সুবিধা পাইছিলো। কৃষক সকলৰ মাজত বিভিন্ন বেংকে মাটি বন্ধকি লৈ টকা পইচাৰ যোগান ধৰে। কিন্তু আমাৰ ৰাইজে প্ৰকৃততে আঁচনি ৰূপায়ন কৰাৰ ক্ষেত্ৰত মাটি বন্ধকি বেংকৰ পৰা টকা পইচা পাবলৈ হলে বহুত দিন বেংকৰ পৰা টকা পইচা নোপোৱাকৈ থাকে। মানে বেংকে এই বিলাক পেলাই ৰাখে। মাটি বন্ধকি বেংকে আঁচনি ৰূপায়ন কৰিবলৈকো ম্যাদি পট্টাৰ মাট বন্ধক লৈ টকা দিয়ে আৰু সেই মাটি মোকোলাবৰ কাৰণেও টকা দিয়ে। এনেবিলাক আঁচনিয়ে গাওঁ অঞ্চলৰ ৰাইজক যথেষ্ঠ পৰিমানে সহায় কৰা আমি দেখিবলৈ পাইছো। এই আঁচনি সমূহে নিশ্চয় ৰাইজক অৰিহনা যোগাব যদি এই বিলাক দুৰ্নীতি মুক্ত কৰিব পৰা যায়।

স্কুলৰ ক্ষেত্ৰত মই ডুযাৰমান চমুকৈ কব বিছাৰিছো। শিক্ষাৰ ক্ষেত্ৰত আমি অধিক গুৰুত্ব দিব লাগিব। শিক্ষা বুলিলে আমি প্ৰথমেই চাব লাগিব প্ৰাইমাৰী শিক্ষা। এই ক্ষেত্ৰত আমাৰ চৰকাৰে এটা সাহসিক শিক্ষা আঁচনি গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত আমি প্ৰকৃততে শিক্ষকজনকহে চাব লাগিব। শিক্ষক নিয়োগ কৰোতে তেওঁৰ নৈতিক চৰিত্ৰৰ প্ৰতি বিশেষ লক্ষ্য কৰিব লাগে। এই শিক্ষক বিলাকৰ ওপৰতে এটা জাতি জীয়াই থকাটো নিৰ্ভৰ কৰে।

(সময়ৰ সংকেত)

কাৰণ নৈতিক চৰিত্ৰৰ ওপৰত বহুত খিনি কথা নিৰ্ভৰ কৰিবলগীয়া হয়। সেয়ে আমি নৈতিক চৰিত্ৰৰ বিষয়ে চিন্তা চৰ্চা কৰা উচিত। সৰু কালতে প্ৰাইমাৰী স্কুলৰ লৰা ছোৱালী বিলাকক নৈতিক চৰিত্ৰৰ শিক্ষা দিব পাৰিলে তেওঁলোকেই শেষত উচ্চ আসন লব পাৰে।

এইখিনিকে কৈ বাজেটখনক সমৰ্থন কৰি আৰু সকলো মাননীয় সদস্যই অনুমোদন জনাব বুলি আশা কৰি বক্তৃতাৰ সামৰণি মাৰিলো ।

Mr. Chairman (Shri Charan Narzary) : Now, Shri Abu Hossain Sircar. Shri Abu Hossain Sircar is not in the House. So, I now call the name of Shri Dewan Jainal Abedin. Your time is only ten minutes.

Shri Dewan Jainal Abedin : Mr. Chairman, sir, as we all know, the budget generally explains the annual financial statement of Govt's receipts and expenditure· But I feel that a budget should not only give the annual receipts and expenditure of the Govt. It should be something more than that and it should reflect the Govt's economic policy towards the development and towards the solution of the general economic problems of the State and from this point if we examine the budget that had been placed before us by the Hon'ble Chief Minister and the Finance Minister, then we find that there is no remarkable departure in this budget from the budget placed in earlier years by the crstwhile Congress Government. Now, sir, I am not going to point out the defects of the budget. But one thing I would like to mention that this budget is a deficit budget. We have seen that there is an enormous deficit of Rs. 38.25 crores for the year 1986-87. Then sir, if we take the figure of the last year's budget then we find that there is a deficit of Rs. 20.90 crores. So, the total figure comes to Rs. 59.24 crores. So, here is an inconsistency and this has been pointed out by the Hon'ble Member Mr. Dasgupta. Therefore, we find that there is a discrepancy between the financial

statement of the Govt. and the statement of the demands. Here again we find a deficit of Rs.41 crores, So, sir, the total deficit comes to over Rs. 100 crores. The budget of such huge deficit of over Rs. 100 crores generally gives rise to inflationery trends as we know as a student of economics. So, sir, I would like to state that with regard to the financial statement of the budget, although there is no fresh proposal for taxation, it will lead to further inflation. Now, sir, I would like to emphasize on two important points. Through a budget, a Govt. should try to solve the burning and basic economic problems of the State. Now, the question is what are the basic economic problems ? Sir, the basic economic problems of our State are unemployment and economic backwardness. Now, how to remove them ? Here we find that Govt. has not come up with any definite steps to remove the unemployment problem and economic backwardness of the State. Here in the budget it has been mentioned that some measures have been made to establish some more small scale industrial units in the State. It is stated that these units will be able to generate about 7,500 new jobs. Sir, on the part of a Govt. it is nothing to create employment opportunites to the tune of only 7,500 numbers. It is stated that Govt. is going to set up about 11 or 12 new small units and will provide about 7,500 persons in new jobs. Sir, this is not an achievement in the field of employment. The problem of unemployment cannot be solved in small sector units. It can be solved only by the setting up of large scale industries. But the financial statement is silent in this respect.

Sir, we have got all the resources through which we ean establish large-scale industries and by this we can solve this problem once for all. We are not in dearth of resources. We have the mineral resources, the agricultural resources. To make the State industrialised and its establishments we are bleashed with plenty of resources. The problem is that these resources are not properly harnessed. If all these natural resourees could have been properly harnessed the economic backwardness of the State could have been removed. But unfortunately this budget does not reflect any of such problems, rather we can only see a budget which stressed only a small-scale industries, and so on and so forth. Sir, here in Assam, the unemployment problem has been creation of the capitalist economy which is operating in the whole of India including Assam. If we want to remove the problem of unemployment we must give up the outda ed way of projecting one section of people against the other. This is very unfortunate here in Assam. We can provide jobs and employment for all the job seekers in such large-sector establishments. Another thing, Sir, we must have the basic infra-structure, such a road communications, expansion of electricity and such other infrastructures.

One thing I would like to point out that the A.G.P. Government has come power not by sympathies and urgency of the people ; it has come to power in the wake of a massive movement. With such advantage behind them can well meet the demands of the people in order to solve their problem of unemployment by starting large-scale indu-

strialisation of the State. Here Sir, it appeared in yesterdays issue of the newspaper 'Assam Tribune' when we are stunned to see that the Rail-cum Road bridge at Jogighopa over the river Brahmaputra, out of the total amount earmarked for construction of this bridge, ie., out of Rs. 117.00 crores, only an amount of Rs 1.00 crores has been sanctioned. This is a matter which should be taken up very seriously by this Government and by the people of Assam. We the people of Assam have fought for this. We are being treated like children. The President of India has come here yesterday. I would like to resquest the honourable Members of House to take a rssolution in this House that we must not be befooled to be deprived of the legitimate share which is due to the State. That we are not satisfied with the amount of Rs. 1.00 crores against an amount of Rs 117.00 crores. We should raise our voice before the President of India when he has come here to this State. I would also request you to adopt anothere resolution in the House for conversion of the metre guage Railway line between Gauhati and Dibrugarh into a broad-guage line. This matters has been carried out in the newspaper 'Assam Tribune' in its issue of 15th March where it has been said that the conversion proposal of this portion of metre guage in o a broad-guage line has been shelved into coldstorage. So, I would request the hon. members of this House to take up this matter very seriously.

Another thing, to which I would like draw attention of the House is that as regards price rise, here, we find

that this Government which claim it to be a peoples' Government was not with the people of the State when it did not join in the protest rallies on the last occasion. I hope that the Government should take a clear decision whether they are to take a capitalist road and depend upon the capitalists at the centre or they are to stay with the people. They are to chose either one way. They cannot depend upon the capitalist centre. They are to stick to a clear path. I hope that the Government will declare the policies openly and would take side with the people. Thank you.

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী ঃ মাননীয় চেয়াৰম্যান মহোদয় ১৯৮৬-৮৭ চনৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কথা বাজেট বক্তৃতাত সনিবিষ্ট কৰিছে তাৰ কাৰণে আমি স্বাগতম জনাইছো। বাজেট বক্তৃতাত উল্লেখযোগ্য কথা হৈছে যে ৰাইজৰ আস্থা আৰু বিশ্বাসৰ প্ৰতি সন্মান দেখুৱাতো অতি তাৎপৰ্য্যপূৰ্ণ কথা। বাজেট বক্তৃতাত উল্লেখ কৰা সংহত গ্ৰাম্য নিয়োগ আঁচনি আৰু সংহত ৰাষ্ট্ৰীয় নিয়োগ আঁচনি নিশ্চিতকৰণ আৰু গ্ৰাম্য ভূমিহীনৰ নিয়োগ নিশ্চিতকৰণ আঁচনি আদি ইয়াত উল্লেখ কৰিছে আৰু সেইমতে ব্যৱস্থাও লোৱাৰ ইঙ্গিত দিছে তাৰ কাৰণে আমি চৰকাৰৰ এই বাজেটক আদৰণি জনাইছো। চাহবাগানৰ ক্ষেত্ৰত চাহ শিল্পৰ দায়িত্বৰ বেচা কিনা নিগম আদি আমাৰ ৰাজ্যখনৰ ভিতৰতে কৰাৰ কাৰণেও নতুন চৰকাৰৰ ফালৰ পৰা কৰা চেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়। শিক্ষাৰ ক্ষেত্ৰত দেখা গৈছে চৰকাৰৰ পক্ষৰ পৰা ছয় বছৰৰ পৰা তেৰ বছৰলৈ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ কাৰণে বিনামূলীয়া পাঠ্যপুথি আৰু পোচাক দিয়াৰ ব্যৱস্থা কৰিব বিচাৰিছে। এইটো অতি আদৰণীয়। ইয়াৰ ফলত অভাৱগ্ৰস্ত ছাত্ৰ-ছাত্ৰী সকলে উৎসাহ পোৱাৰ লগতে অভিভাৱক সকলো সকাহ পাবলৈ সক্ষম হব। ইয়াৰ কাৰণে মই চৰকাৰক অভিনন্দন জনাইছো আৰু এই আঁচনিৰ প্ৰতি আদৰণি জনাইছো। স্নাতক নিবনুৱা সকলৰ কাৰণে মাহিলী পঞ্চাশ টকা হাৰত দিয়া নিবনুৱা ভাত্তাই নিবনুৱা সকলক সকাহ দিব। ইয়াৰ লগতে মই বৃদ্ধসকলক দিয়া পেন্সন অব্যাহত ৰখাৰ কাৰণে চৰকাৰৰ ওচৰত অনুৰোধ

জনাইছো। অৰ্থনৈতিক ক্ষেত্ৰত বহু ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হোৱাৰ কাৰণ হৈছে যাতায়তৰ ক্ষেত্ৰত অধিক সুচলৰ অভাৱ। বিশেষকৈ গুৱাহাটীলৈ আহিবলৈ হলে কেবাটাও ৰেলওৱে ক্ৰচিং পাৰ হৈ আহিবলগীয়া হোৱাত গতিৰ ক্ষেত্ৰত অন্তৰায় হয়। তেনে বিলাক ক্ষেত্ৰত ফ্লাই অভাৰ তৈয়াৰ কৰিবলৈ মই চৰকাৰৰ ওচৰত অনুৰোধ ৰাখিলো। ৰেলওৱে ক্ৰচিঙৰ ফলত বহুত ঠাইত দুৰ্ঘটনা সমূহ সংঘটিত হয়। এই ধৰণৰ কথা বাজেট বক্তৃতাত উল্লেখ কৰা নাই যদিও আমাৰ ফালৰ পৰা এই পৰামৰ্শ ৰাখিলো। অৰ্থনৈতিক ক্ষেত্ৰত অসমৰ কুটীৰ শিল্পৰ উন্নতিৰ কাৰণে আৰু সম্প্ৰসাৰণৰ কাৰণে বিভিন্ন ঠাইত এম্পৰিয়াম আদি কৰিলে ভাল হয়। যোৱা বছৰত দিল্লীৰ এম্পৰিয়ামত ন লাখ টকা বিক্ৰী হৈছে ইয়াৰ দ্বাৰা ১৪ জন কৰ্ম্মচাৰীৰৰ সংস্থান হৈছে আৰু আমাৰ অসমীয়া কুটীৰ শিল্পজাত বস্তু বাহিৰত চাহিদা বঢ়োৱাত সুবিধা হৈছে। বৰ্ত্তমান কলিকতা আৰু দিল্লীৰ বাহিৰে আন ক'তো তেনে এম্পৰিয়াম নাই। এই এম্পৰিয়াম বোম্বাই, মাদ্ৰাজ হাৰিয়ানা, বাঙ্গালোৰ আদিৰ নিচিনা জনবহুল ঠাইত খোলাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ দ্বাৰা কুটীৰ শিল্পৰ উন্নয়ন প্ৰসাৰৰ লগে লগে নিবনুৱা সমস্যা সমাধানতো যথেষ্ট সহায়ক হব। চেয়াৰম্যান মহোদয়, অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত নতুন চৰকাৰৰ প্ৰতি আহ্বান ৰাখিছো। তেতিয়াহলে অসমৰ লগতে ভাৰতবৰ্ষখনো বিদেশী মুক্ত হব পাৰিব। চুক্তি ৰূপায়ণৰ কাৰণে নতুন চৰকাৰে লোৱা দৃষ্টি ভঙ্গীৰ কাৰণে মই আদৰণি জনাইছো আৰু চৰকাৰৰ সকলো কামতে আমাৰ ফালৰ পৰা সহযোগিতাৰ আশ্বাস আগবঢ়াইছো। আমিন গাওঁত গঢ়িব খোজা চাহ নগৰীৰ কাৰণে চৰকাৰক আদৰণি জনাইছো। ইয়ে আমাৰ অৰ্থনৈতিক দিশত প্ৰভুত সহায় কৰিব। বাজেট বক্তৃতাত বন বিভাগৰ কাৰণে যিখিনি কথা বন-সম্পদ ৰক্ষণাবেক্ষণৰ কাৰণে উল্লেখ কৰিছে তাৰ কাৰণেও চৰকাৰক আদৰণি জনাইছো। পূৰ্ব্বৰ চৰকাৰৰ দিনত হাবিবন কাটি বন সম্পদ ধ্বংস কৰা হৈছিল যদিও এতিয়া সংৰক্ষণৰ ক্ষেত্ৰত যি নীতিৰ কথা উল্লেখ কৰিছে তাৰ কাৰণে সঁচাকৈয়ে আনন্দৰ কথা হৈছে। বিজুলী যোগানৰ ক্ষেত্ৰত দেখা গৈছে যে গাওঁ অঞ্চলত যি বিলাক কাঠৰ খুটা পোতা হৈছিল সেই বিলাকৰ তলত বোধকৰো শিল দিব লাগে যদিও এ-এচ-ই বিৰ ফালৰ পৰা তেনে ভাবে খুটা-সমূহ নোপোতাত এজাক বৰষুণ হোৱাৰ পিচতে খুটা বিলাক উভালি বাগৰি পৰি

যায় আৰু তাৰ ফলত বিজুলী তাৰ বিলাক বাগৰি পৰে। এই ক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা লোৱাৰ কাৰণে চৰকাৰৰ ওচৰত অনুৰোধ জনালো। বিৰোধী দলৰ মাননীয় সদস্য এগৰাকীয়ে কৰ্ম্মচাৰী সকলক সাপৰ লগত তুলনা কৰিছে। মই ভাবো সাপৰ লগত তুলনা কৰাতকৈ পানীৰ লগতহে তুলনা কৰিলে ভাল ৰজিতা খালেহেতেন। মই কৰ্ম্মচাৰী সকলক পানীৰ লগত তুলনা কৰিব বিচাৰিছো। পানী যেনেকৈ যি পাত্ৰত থোৱা যায় সেই আকাৰ লয় ঠিক তেনেদৰে কৰ্ম্মচাৰী সকলোকো ভাল পাত্ৰত থলে ভাল ৰূপ লব আৰু বেয়া পাত্ৰত থলে বেয়া ৰূপ লব। গতিকে মই কৰ্ম্মচাৰী সকলৰ সহায় আৰু সহযোগীতা সকলো প্ৰকাৰে আগবঢ়ায় তাৰ কাৰণে তেখেত সকলৈ অনুৰোধ জনাইছো। ইয়াৰ লগতে মই বাজেট বক্তৃতা সমৰ্থন কৰি সকলোকে এই বাজেট বক্তৃতাৰ প্ৰতি সমৰ্থন জনোৱাৰ কাৰণে আহ্বান ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো। ধন্যবাদ।

চেয়াৰম্যান : এতিয়া মাননীয় সদস্য শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোঁহাইয়ে বক্তৃতা দিব।

শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোহাই : মাননীয় চেয়াৰম্যান মহোদয়, ইতিমধ্যে আমাৰ চৰকাৰে উত্থাপন কৰা বাজেটৰ ওপৰত চৰকাৰ পক্ষ আৰু বিৰোধী পক্ষৰ পৰা মাননীয় সদস্য ভালেকেইজনে যথেষ্ট সময় ধৰি আলোচনা আগবঢ়াইছে। বাজেটৰ ওপৰত মই কবলৈ বিচৰা প্ৰায়খিনি কথাই মাননীয় সদস্য দুগৰাকীয়ে ইতিমধ্যে কৈ গৈছে। সময়ো কম গতিকে মই মাত্ৰ কেইটামান কথা উনুকিয়াব খুজিছো। বিশেষকৈ যি কথা আগতে আন মাননীয় সদস্যই উল্লেখ কৰা নাই তেনে কথাহে আঙুলিয়াব খুজিছো। আমাৰ কেইজনমান মাননীয় সদস্যই বিৰোধী পক্ষৰ পৰা কিছুমান মন্তব্য দিছিল বিশেষকৈ তাৰ ভিতৰত মাননীয় সদস্য শ্ৰীআব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই কৈছিল যে আমাৰ এইবাৰৰ সদস্যসকল ধুনীয়া, মন্ত্ৰী সকল দেখিবলৈ ধুনীয়া অথচ আগৰ সকলৰ কিছুমান ভাল আৰু কিছুমান দেখিবলৈ ভাল নাছিল। কিছুমানে ভাল কাম কৰিছিল আৰু কিছুমানে ভাল কাম কৰা নাছিল। সেই পাঠ মনত ৰাখি ভাল কাম কৰিবলৈ তেখেতে উদ্গনি দিছিল কিন্তু মই ভাবো তেখেতসকলৰ কালছোৱাত ভাল কাম কৰিব নোৱাৰা লোকে আনক ভাল কাম কৰিবলৈ উদ্গনি দিয়াৰ সাৰ্থকতাই বা কিমানখিনি ? যদি ভাল কাম নকৰে তেনেহলে তেখেতসকলৰ নিচিনা ষ্পাক কৰিব বা ছিঙি পৰিব বুলি কৈছিল কিন্তু মই ভাবো এই কথাত বৰ বিশেষ গুৰুত্ব প্ৰদান কৰিব নালাগে কিয়নো যিয়ে

নিজকে নিজে নাজানে সেইহেন লোকৰ উপদেশ বা আদৰ্শই আনক কিবা প্ৰকাৰে মহীয়ান কৰিব পাৰিব বুলি মোৰ মনে নধৰে। মাননীয় প্ৰাক্তন সদস্য এগৰাকী টংকেশ্বৰ দিহিঙিয়াৰ মৃত্যুত আৰু হত্যাকাণ্ডৰ সম্পৰ্কত অসমৰ আইন শৃঙ্খলাৰ পৰিস্থিতি বেয়া হৈছে বুলি মন্তব্য কৰিছে। মই কব বিচাৰিছো যে টংকেশ্বৰ দিহিঙিয়া ডাওৰীয়া কোৰ্টত মোৰ সহকৰ্ম্মী আছিল। তাৰ কাৰণে আমিও মৰ্ম্মাহত হৈছো। চেয়াৰম্যান মহোদয় দাঁত গজোতে অলপ বিষ হব পাৰে কিন্তু সম্পূৰ্ণ হোৱাৰ পিচত সিয়েই সকলো সহায়ক হয়। আকৌ স্পেক্ক চাৰপেচ বিজিনেচ কৰি চাকৰি দিয়াৰ কথা কৈছে তাৰ দ্বাৰা শত্ৰু হয় বুলিও উল্লেখ কৰিছে। তেনে কথা বিলাক লৈ শত্ৰু হলেও আমি ক্ৰেৰেপ নকৰো। আন এগৰাকী মাননীয় সদস্যই ভাট্ৰা দেখুৱাইছে। তেখেত সেই বিষয়ত বিষেষজ্ঞ। তেখেতৰ আচল কতৃত্ব ধৰিব পৰা নাই। মন্ত্ৰী মহোদয়ে উত্তৰ দান কালত উত্তৰ দিব। মই মাত্ৰ উনুকিয়াইহে গৈছো। ফৰেষ্টৰ বিষয়ে কব লাগিলে বহুত। সময় কম। মোৰ সমষ্টি অৰুণাচল অসম আৰু নগালেণ্ডৰ মাজত। তাত ফৰেষ্ট অফিচাৰ কিছুমানৰ লগত লগলাগি আগৰ চৰকাৰে বহুত কিবাকিবি কৰিছিল। কেইজনমান দুৰ্নীতিপৰায়ণ বন বিভাগৰ বিষয়াৰ লগত লগলাগি সেইবিলাক কাম কৰিছিল। তাৰ ফলত সাতজন নিৰীহ লোক্ক মৃত্যুমুখত পৰিছিল আজি দুবছৰৰ আগতে। ফৰেষ্ট অফিচাৰ বিলাকে কিছুমান এৰিয়াৰ ঠিকাদাৰক আঠজোপা গছ কাটিবলৈ দিয়া নাছিল। তিনিবছৰৰ পিচতহে সেই গছ কাটি নিবলৈ দিছে। দুই নম্বৰী কাঠ চকুৰ আগতে ট্ৰাক ভৰাই নি আছে। ইয়াৰ ফলত একোখন ট্ৰাকত বহুত পায়। কাজেই এইবিলাক বন্ধ কৰাৰ উদ্দেশ্য আগত ৰাখি বন বিভাগৰ নীতি বাজেটত উল্লেখ থকা বাবে আদৰণি জনাইছো।

( সময়ৰ সংকেত )

আৰু মাত্ৰ অলপ সময় কব বিচাৰিছো।

( মধ্যাহ্ন ভোজনৰ বাবে আবেলি আঢ়ৈ বজালৈ সদন স্থগিত )

মাননীয় অধ্যক্ষ : এতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা চমু বিবৃতি দিব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত আগবেলা ঘটি যোৱা ঘটনাৰ বিষয়ে মই জানিবলৈ পাইছো আৰু এই সম্পৰ্কে

আমালৈ প্ৰেৰণ কৰা আপোনাৰ চিঠিও পাইছো। ভাৰতৰ ৰাষ্ট্ৰপতি ভ্ৰমণ কাৰ্য্য-সূচী লৈ ইয়ালৈ অহাৰ বাবে এনে পৰিস্থিতি হবলৈ পালে। মই আশ্বাস দিছো ভবিষ্যতলৈ এনে পৰিস্থিতি নহব।

মাননীয় অধ্যক্ষ : এতিয়া বাজেট বিতৰ্কত ভাগ লব শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোহাঁয়ে।

শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোহাই। মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মই ভালেকেইটা কথাৰ বিষয়ে ইয়াত আলোচনা কৰিছোৱেই। মই এতিয়া নামৰূপৰ ফাৰ্টিলাজাৰ প্লেণ্টৰ কথা কব খুজিছো। এই সাৰ কাৰখানাৰ পৰা এমুনিয়া আৰু চালফাৰ এচিদ মেনেজমেণ্টে এৰি দিয়াৰ কাৰণে প্ৰায় ৩০ কিলোমিটাৰ অঞ্চলৰ বায়ু দুষিত হৈ পৰিছে। এই বিষয়ে আগতেই এই বিধান সভাত শ্ৰীকে, গগৈ ডাঙৰীয়াই বিষয়টো উত্থাপন কৰিছিল। মেনেজমেণ্টে কেন্দ্ৰীয় চৰকাৰৰ পৰা দুই কোটি টকা সাহায্য পায় ডি, চি—ডি, এ পদ্ধতি চলাবৰ কাৰণে। কিন্তু তেওঁলোকে এইটো ডিনাই কৰিছে। যাৰ কাৰণে এই ৩০ কিলোমিটাৰ অঞ্চলৰ ৰাইজৰ বাৰিৰ তমিতা, চোম আৰু কমলাটেঙা আদি গছবোৰ মৰিছে। ইয়াৰ উপৰিও এই অঞ্চলটোৰ লোক সকলে ডিঙিৰ কৰ্কট ৰোগত বেছিকৈ ভোগা পৰিলক্ষিত হৈছে। নামৰূপ হস্পিটেলৰ পৰা অসম মেডিকেল কলেজলৈ প্ৰায়ে ডিঙিৰ কৰ্কট ৰোগত আক্ৰান্ত ৰোগীক পঠোৱা হয় যিসকলৰ প্ৰায়ভাগেই মৃত্যু মুখত পৰে। ইয়াৰোপৰি এই নামৰূপ সাৰকাৰখানাৰ পৰা এৰি দিয়া আঁচেনিক এচিদ নদীত পৰে আৰু সেই নদীত ইয়াক মাছে খায় আৰু মাছবোৰ মৰিবলৈ ধৰে আৰু সেই মাছ মানুহে খোৱাৰ ফলত পেটৰ অসুখত ভোগা দেখা গৈছে। আমাৰ ৰাজ্যত বায়ু, পানী দূষিতকৰণ ৰোধ কৰাৰ কাৰণে এখন বোৰ্ড আছে। এই বোৰ্ডক বহুবাৰ আবেদননিবেদন কৰাৰ পিচতো এই অঞ্চলৰ ৰাইজক এই মাৰাত্মক বিপদৰ পৰা ৰক্ষা কৰাৰ কাৰণে কোনো ব্যৱস্থা গ্ৰহণ কৰা দেখা নাই। যোৱাবাৰ লাকুৱাৰ গেলেকিত ৩নং গ্ৰুপত এন্নাৰ পলুচন হৈ কেইবাজনো লোকৰ মৃত্যু হয়। দিচাং নৈৰ পানীও বেয়া হৈ গৈছে। পচা পচা গোন্ধায়। ইয়াৰ পানী মানুহে খাব নোৱাৰে। তাত বিভাগে টিউবওৱেল দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি যেতিয়াই সমষ্টিলৈ যাওঁ তেতিয়াই মানুহে আমাক আপত্তি দিয়ে—এই ৩০ কিলো-মিটাৰ ব্যাসাৰ্দ্ধৰ অঞ্চলটো বায়ু আৰু পানী দোষিতকৰণৰ পৰা মুক্ত কৰিব লাগে আৰু জনসাধাৰণক বচাব লাগে, গছ গছনিবোৰ বচাব লাগে। এনেকৈ

চলিবলৈ দিলে এটা সময়ত বৰ বিপদজ্জনক পৰিস্থিতিৰ সৃষ্টি হব। চৰকাৰে এই দিশটোলৈ মনোযোগ দিয়া উচিত।

মাননীয় অধ্যক্ষ : এতিয়া বাজেট বক্তৃতাত ভাগ লব শ্ৰীদেবেশ্বৰ বৰাই।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মই এই সদনত ১২ মাৰ্চ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে যি কৰ মুক্ত বাজেট জনসাধাৰণৰ কাৰণে দাখিল কৰিলে তাক মই পূৰ্ণ সমৰ্থন জনাইছো। গণতান্ত্ৰিক দেশ এখনত ক্ষমতা বিকেন্দ্ৰীকৰণ এটা নীতিগত কথা। চৰকাৰে এনে ব্যৱস্থা লোৱাৰ ফলত আমাৰ সমাজত দেখা দিয়া অৰ্থ নৈতিক আৰু সামাজিক বৈষম্য দূৰীকৰণত সহায়ক হব। এই ক্ষমতা বিকেন্দ্ৰীকৰণ আচনি চৰকাৰৰ এক বলিষ্ঠ পদক্ষেপ। ১৯৮৬ চনৰ পহিলা এপ্ৰিলৰ পৰা এই বিকেন্দ্ৰীকৰণৰ কাম হাতত লোৱা হব। মই এই বিকেন্দ্ৰীকৰণৰ প্ৰতি আদৰণি জনাইছো আৰু আশা কৰিছো এই আচনিত আমাৰ সকলোৰে সমৰ্থন জনাব। আমাৰ জিলা আৰু মহকুমা উন্নয়নৰ কাৰণে ই এক বলিষ্ঠ পদক্ষেপ। আমাৰ নতুন চৰকাৰে এটা কথা কৈছে যে দেশৰ জনসাধাৰণৰ মাজত শান্তি, সম্প্ৰীতি বিকাশ কৰাৰ কাৰণে সৰ্ব্বতো প্ৰকাৰৰ প্ৰচেষ্টা চলাব আৰু ৰাজ্য খনত এক সবল, সুস্থিৰ তথা নিকা প্ৰশাসন চলাবৰ কাৰণে আন্তৰিকতাৰে চেষ্টা কৰিব। এনে কৰিলে আমাৰ দেশৰ তথা জনসাধাৰণৰ সৰ্ব্বতোপ্ৰকাৰৰ উন্নতি হব বুলি মোৰ বিশ্বাস।

আমাৰ কেইজনমান মাননীয় সদস্যই বাজেট এষ্টিমেটত ৪১ কোটি ২৯ লাখ বেছিকৈ ধৰা হৈছে বুলি আপত্তি দৰ্শাইছে। এইটো আচলতে এটা প্ৰচলিত নিয়ম। গ্ৰহণযোগ্য নীতি। এই ৪১ কোটি ২৯ লাখ টকা বাজেটৰ পৃষ্ঠা ৬২ পৰা ৮২ লৈকে থকা বিভিন্ন শিতানৰ বাবে ধৰা হৈছে। এইটো টকা বেছিকৈ ধৰা হোৱা নাই।

অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় কেইবাগৰাকীও সদস্যই বিভিন্ন বিষয়ৰ ওপৰত ইয়াত আলোচনা কৰিছে। সেইবোৰ মই উল্লেখ নকৰো।

Shri Santi Ranjan Das Gupta : On a point of information. I want to know under what rule this is being explained.

**Mr. Speaker :** The Chief Minister will reply. Please do not interrupt him.

**শ্ৰীদেবেশ্বৰ বৰা :** মাননীয় অধ্যক্ষ মহোদয়, মই উদ্যোগৰ ওপৰত দুই এটা কথা কবলৈ ওলাইছো। আমাৰ নতুন চৰকাৰে কাৰ্য্য ভাৰ লোৱাৰ লগে লগে ইমানদিনে বন্ধ হৈ থকা মৰাপাট কলটোৰ খোলাৰ ব্যৱস্থা কৰাতো বৰ সন্তোষৰ কথা হৈছে। তাৰোপৰি যোগীঘোপাত থকা অশোক কাগজ কলটো চলাবৰ কাৰণেও নতুন চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ কেইবাজনো সদস্যই বাজেট বক্তৃতাত ৰাষ্ট্ৰীয় পৰ্য্যায়ত লোৱা কুৰিদফীয়া আচনিৰ কোনো কথা উল্লেখ নাই বুলি আপত্তি কৰিছে। কিন্তু সেইটো নহয় ইয়াৰ মাজত কুৰিদফীয়া আচনিৰ কথাও উল্লেখ কৰা আছে। আমাৰ চৰকাৰে ৰাজ্যখনৰ মৃতপ্ৰায় হব ধৰা কুটীৰ শিল্পৰ প্ৰতি আগ্ৰহ দেখুৱাটো সন্তোষৰ কথা। আমি কুটীৰ শিল্পৰ উন্নতি কৰিব লাগিব। লগতে ৰাজ্যখনত বৃহৎ উদ্যোগ স্থাপনৰ কথাও চিন্তা কৰিব লাগিব। ইতিমধ্যে আমাৰ এজন মাননীয় সদস্যই এটা কথা কৈছে যে অসমত উদ্যোগিকৰণৰ কাৰণে এক বৃহত উদ্যোগ পতা হব। এইটো সঁচা কথা যে ইয়াৰ বাবে নতুন চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত জোৰ দিব। উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত মই চৰকাৰক কওঁ যে এই উদ্যোগ বিলাক 'কেপিটেল ইনতেনচিব' নকৰি 'লেবাৰ ইন্তেনচিব' কৰিব লাগে। ইতিমধ্যে আমাৰ বঙাইগাঁৱত এটা প্ৰেট্ৰোৰাসায়নিক শোধনাগাৰৰ কথা কোৱা হৈছে। ইয়াৰ ওপৰিও ৰাজহুৱা খণ্ডত আৰু তিনিতা প্ৰকল্পৰ কথা কোৱা হৈছে। তাৰে এটা গোলাঘাটৰ খুমতাইৰ কোশলকোৰৰ গাৱঁত খোলাৰ কথা। এইটো ১৯৮৭ চনতে কাম আৰম্ভ কৰিব লাগিছিল। কিন্তু কিছুমান ৰাজনৈতিক চক্ৰৰ কাৰণে সেইটো সম্ভব নহব, তাৰ এটা ব্যৱস্থা নতুন চৰকাৰে লব লাগে।

শিক্ষা নীতিৰ ওপৰত মই দুটামান কথা কবলৈ আগবাঢ়িছো। খেলা-ধুলাৰ ক্ষেত্ৰত উচ্চতৰ স্কুলবোৰত টেবুলটেনীচ খেলাৰ কথা কৈছে। ইয়াৰ যোগেদি শাৰিৰীক উৎকৰ্ষ সাধন হোৱাৰ লগতে মানসীক উৎকৰ্ষ সাধনো হব। হায়াৰ-চেকেণ্ডেৰী স্কুলৰ ক্ষেত্ৰত এটা কথা লক্ষ্য কৰিছো যে যি বিলাক স্কুলে সুবিধা পাব লাগিছিল সেই বিলাক স্কুলে সুবিধা পোৱা নাই। উদাহৰণ স্বৰূপে গোলাঘাটৰ কচাৰি হাতত থকা স্কুলখনে ১৯৭৪ চনতে হাইয়াৰচেকেণ্ডেৰী পৰ্য্যায় পাব

লাগিছিল। মই আশা কৰিছো নতুন চৰকাৰে এই ক্ষেত্ৰত কিছু সালসলনি কৰি নতুন দৃষ্টিভঙ্গিৰে বিবেচনা কৰিব। ১৯৭৯ চনতে যি বিলাক কলেজক 'ডেফিচিত গ্ৰাণ্ট' দিয়া হ'ল সেই কলেজ বিলাকৰ শিক্ষকসকলক আজিলৈকে নিয়মিকৰণ কৰা হোৱা নাই। ইয়াৰ কাৰণে তেওঁলোকে ভবিষ্য নিধিৰ সুবিধা পোৱা নাই। এই বিষয়টোৰ প্ৰতি চৰকাৰে চোকা দৃষ্টি ৰাখিব লাগে।

মাননীয় অধ্যক্ষ: আপুনি শেষ কৰক, সময় উকলি গৈছে।

শ্ৰীদেবেশ্বৰ বৰা: 'লিভ ভেকেন্সি'ৰ ক্ষেত্ৰত নতুন নিয়ম চৰকাৰে গঠন কৰিব লাগে। বিভিন্ন বিভাগৰ ক্ষেত্ৰত ইতিমধ্যে আলোচনা কৰা হৈছে এই সম্পৰ্কত চৰকাৰে যি বিলাক আঁচনি গ্ৰহণ কৰিছে সেই বিলাক উল্লেখযোগ্য আছিল। দৈয়াং বনাঞ্চলৰ কথা কোৱা হৈছে। এইখন আচলতে বনাঞ্চল নহয় জনাঞ্চলতেহে পৰিণত হৈছে। শতকৰা ৯০ ভাগ জনজাতীয় লোক ইয়াত আছে। এই মানুহখিনিক সাধাৰণ ভাবে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। ১৯৭৯ চনতে দৈয়াং বনাঞ্চলৰ মাটিৰ ক্ষেত্ৰত সেই সময়ৰ চৰকাৰে এটা নীতি ঘোষনা কৰিছিল। যে About 12 thousand people inhabited in the Doyang reserve forest on an area of 24350 hectares of land who started habitation there since 1905 have been decided to give settlement by declaring the area as dereserved and throwing it open for cultivation. মই আশা ৰাখিছো নতুন চৰকাৰে আগৰ চৰকাৰে ঘোষনা কৰা নীতিমতে যিখিনি মানুহে আজিও মাটিৰ পট্টা পোৱা নাই সেই সকলৰ বাবে এটা অস্থায়ী পট্টা পোৱাৰ নীতি গ্ৰহণ কৰিব। মই যিটো সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছো সেইটো এটা সীমান্ত এলেকা। ১৯৮৫ চনত সেই অঞ্চলৰ মেৰাপানীত নগালোকে কৰা আক্ৰমনৰ কথা আপোনালোক সকলোৱে জানে। এই সীমান্ত বিবাদ নিষ্পত্তি কৰাৰ কাৰণে মই নতুন চৰকাৰক অনুৰোধ কৰিছো। এই বনাঞ্চলত যিবোৰ বে-দখলকাৰী আছে, সেইসকলৰ ক্ষেত্ৰত এটা অনুসন্ধান সোনকালে হব লাগে আৰু সেই অঞ্চলবোৰত থকা গাওঁবোৰ ৰাজহুৱা গাৱঁত পৰিণত কৰি জনজাতীয় লোক থকাৰ সুবিধা কৰি দিব লাগে। উজনী অসমৰ অভয়াৰন্যৰ উন্নতি সধা আৰু গৰমপানীত থকা পানীৰ উৎস ক'ত তাক উদ্ ভাবন কৰি এইবোৰৰ উন্নতিসধাৰ

কাৰণে চৰকাৰক পৰ্য্যালোচনা কৰিবলৈ মই অনুৰোধ জনাই মই মোৰ বক্তব্য শেষ কৰিছো।

শ্ৰীজয় নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, সদনত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি বাজেট উত্থাপন কৰিছে সেই বাজেট বক্তৃতাত তেখেতে উল্লেখ কৰিছে যে অসম গন পৰিষদ চৰকাৰে কাৰ্য্যভাৰ লোৱা মাথোন ২ মাহ হে হৈছে। যোৱা সুদীৰ্ঘ ৩৮ বছৰ চৰকাৰে যি গতানুগতিক ভিত্তিত বাজেট উত্থাপন কৰিছিল সেই একে গতানুগতিক ভিত্তিতে নতুন চৰকাৰেও বাজেট উত্থাপন কৰিছে, দুমাহৰ ভিতৰত নতুন চৰকাৰে কোনো পৰিবৰ্ত্তিত ভিত্তিত বাজেট উত্থাপন কৰিব পৰা নাই। কিন্তু এই বাজেটৰ জৰিয়তে অসমৰ ৰাইজৰ কেতবোৰ আশা আকাংখা ৰূপায়ন কৰিবলৈ বিচৰা হৈছে। ৰাজ্যিক আয় তুলনা মূলক ভাৱে যদিও যোৱা বছৰ বিলাকত অলপ বঢ়া যেন দেখা যায়। তথাপি এই বৃদ্ধিৰ ক্ষেত্ৰত আমি কেইটামান কথা মন কৰিব লাগিব। আমি যদি কৃষিজাত সামগ্ৰিৰ উৎপাদন অধিক ভাৱে ৰাখীব নোৱাৰো, নিবনুৱা শিক্ষিত আৰু অশিক্ষিত যুৱকক উপযুক্ত সংস্থান দিব নোৱাৰো, কুটিৰ শিল্পৰ উন্নতি সাধন কৰিব নোৱাৰো, তেনেহলে আমাৰ ৰাজ্যৰ আয় বঢ়াৰ বা বিকাশৰ কোনো পথ নাই। এই খিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে যিহেতু আমাৰ ৰাজ্যখন বানপানীৰ কবলৰ পৰা মুক্ত নহয় তেনে ক্ষেত্ৰত নতুন চিন্তা ধাৰাৰে বান নিয়ন্ত্ৰনৰ ব্যৱস্থা কৰিব লাগিব যাৰ দ্বাৰা সচাঁকৈ ৰাইজ উপকৃত হব পাৰে। অসমৰ অৰ্থনৈতিক দিশটো নিৰ্ভৰ কৰে কৃষিজাত সামগ্ৰিৰ ওপৰত। এই কৃষিজাত সামগ্ৰিৰ উত্‌পাদন অধিক ভাৱে কৰিবলৈ হলে কৃষি শাসন যন্ত্ৰটোক নতুন কপ দি ৰাইজৰ কামত লগাব লাগিব। সুখৰ কথা যে আমাৰ 'এটা চিদ কৰপৰেচন লিমিটেড' আছে কিন্তু এই বিভাগটোৱে কৃষকক যি ধৰণেৰে বীজৰ যোগান দিব লাগিছিল, সেই ধৰণেৰে দিব পৰা নাই। যদি দিছে তেনেহলে কি ধৰণৰ বীজ দিছে ? অসম এখন কৃষি প্ৰধান দেশ হিচাবে বছৰি ৬০০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে হস্ৱকালীন ঋণ হিচাবে দিয়ে। এই ঋণৰ টকাটো অসমৰ কৃষকে পাইছেনে ? যোৱা ৩৮ বছৰে চৰকাৰে অসমৰ কৃষকসকলক ঠগাই আহিছে। বছৰি দিয়া এই ৬০০ কোটি টকা বীজৰ নামত মাৰোৱাৰীৰ হাতলৈ গৈ আছে। ইয়াৰোপৰি আমাৰ কৃষক সকলৰ সামগ্ৰিক উন্নয়নৰ কাৰণে বিভিন্ন প্ৰকাৰে কৃষক সকলক সহায় কৰিবলৈ বিশেষ কৈ বান-

পানী নিয়ন্ত্ৰনৰ ক্ষেত্ৰত ৩৮ বছৰে চৰকাৰে যিখিনি কাম কৰিব লাগিছিল সেই খিনি কৰা নহল। আমাৰ নতুন চৰকাৰে বানপানী নিয়ন্ত্ৰনৰ ক্ষেত্ৰত বাজেটত যিখিনি টকা ধাৰ্য্য কৰা হৈছে তাৰে বিশেষকৈ কৃষক সকলে যাতে কৃষি উত্পাদন বৃদ্ধি কৰাৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে তাৰ কাৰণে লক্ষ্য ৰাখিব বুলি মই নতুন চৰকাৰক অনুৰোধ জনালো।

অধ্যক্ষ মহোদয়, এইটো এটা সুখৰ বিষয় যে আমাৰ বৰ্ত্তমান চৰকাৰে অসমৰ চাহৰ ব্যৱসায়ৰ পৰিসৰ বৃদ্ধি কৰিবলৈ ব্যৱস্থা হাতত লৈছে। আমিন গাৱঁৰ পৰা চাহৰ বজাৰ স্থানান্তৰিত কৰাৰ কথা চিন্তা কৰিছো বুলি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাত উল্লেখ কৰিছে। সদৌ অসম ছাত্ৰ সন্থা আৰু অসমৰ ৰাইজৰ ফালৰ পৰাও অসমৰ চাহৰ খেতিৰ পৰিসৰ বৃদ্ধিৰ কাৰণে আৰু অসমৰ উত্পাদিত চাহৰ বজাৰ অসমতে প্ৰতিস্থিত কৰাৰ কাৰণে তেওঁলোকে দাবী দি আহিছে। যদিও এইটো এতিয়াও বাস্তৱত ৰুপায়িত হোৱা নাই তথাপিও আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে চাহৰ বজাৰ অসমলৈ আনিম বুলি বাজেট বক্তৃতাত কৈছে। কিন্তু অসমৰ বাহিৰত থকা অসাধু কেতবোৰ ব্যৱসায়ীয়ে যি হেচা প্ৰয়োগ কৰিব সেই হেচা আমাৰ নতুন চৰকাৰে উফৰাই পেলাব পাৰিব লাগিব।

অধ্যক্ষ মহোদয়, আমি সকলোৱেই জানো যে, উদ্যোগৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন পিচপৰা। গতিকে উদ্যোগৰ ক্ষেত্ৰত আমাৰ পৰিসৰ বৃদ্ধি কৰিব লাগে আৰু উদ্যোগৰ প্ৰতি আমাৰ অসমৰ ডেকা লৰাখিনিক মতিভেট কৰাৰ বাবে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমাৰ বিভিন্ন উদ্যোগ সমূহৰ প্ৰতিষ্ঠান অসমৰ বাহিৰত আছে আৰু সেইবিলাকৰ কৰ্ম্মক্ষেত্ৰ অসমৰ ভিতৰত আছে, অথাৎ উত্পাদনৰ ফিল্ড অসমৰ ভিতৰতেই আছে। আনহাতে মুখ্য-কাৰ্য্যালয় সমূহ অসমৰ বাহিৰত আছে। গতিকে এই কাৰ্য্যালয় সমূহ অসমৰ ভিতৰলৈ অনাৰ ব্যৱস্থা কৰিব লাগে। অসমতে কেইবাটাও চাহৰ কোম্পানী আছে সেই কেইটাৰ ভিতৰত :

(১) মেকনিল এন্দ মেগৰ কোম্পানী

(২) টাটা টি কোম্পানী

(৩) আসাম ফ্ৰুণ্টিয়াৰ গ্ৰোপ (স্বৰাজ পাল গ্ৰোপ) কোম্পানী

(৪) ওৱাৰেণ্ট টি কোম্পানী

(৫) গুদৰিক টি কোম্পানী

এই সকলোবিলাক চাহ কোম্পানীৰ মুখ্যকাৰ্য্যালয় সমূহ অসমৰ বাহিৰতে আছে। মই এই সম্পৰ্কে চৰকাৰৰ দৃষ্টি গোচৰ কৰিবলৈ বিচাৰিছো। তাৰোপৰি মেকনিল এন্দ মেগৰ কোম্পানীৰ 4 টা হেদঅফিচ অসমৰ বাহিৰত আছে। আৰু ইয়াৰ ব্ৰান্স অফিচ ২১ টাৰ ভিতৰত অসমত মাত্ৰ এটা ব্ৰান্স আছে আৰু ২০ টা অসমৰ বাহিৰত আছে। আৰু ইয়াৰ বাবে অসমৰ দুই হাজাৰ যুৱক কামৰ পৰা বঞ্চিত হৈছে। এই চাহ কোম্পানীত ৩৮ খন বাগান আছে আৰু তাৰে ৩4 খন বাগান অসমত আছে। আৰু ১৩৬০০ হেক্টৰ মাটিত এই উত্পাদন হয়। ইয়াৰ পৰা প্ৰতি বছৰে ৩০০ কোটি টকাৰ চাহপাত উত্পন্ন হয়। হেদ অফিচ কলিকতাত থকাৰ বাবে অসমে মাত্ৰ চেল্স টেক্স ১.৮৮ লাখ টকা পায়। তাৰোপৰি এই কোম্পানীৰ লগত এজন চিনিয়ৰ এদভাইজাৰ আছে তেওঁ অসমত থাকে আৰু পঞ্জাবৰ একসটিমিণ্টৰ লগত গোপন সম্পৰ্ক থকাত ভাৰত চৰকাৰে অনুসন্ধান কৰিবলৈ দিছিল। গতিকে অসমৰ চাহ কোম্পানীৰ যিবিলাকৰ কাৰ্য্যালয় অসমৰ বাহিৰত আছে সেইবিলাক অসমলৈ স্থানান্তৰিত কৰিবৰ বাবে চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো। অধ্যক্ষ মহোদয় নাহৰকটীয়াত আমাৰ প্লাইউদৰ কোম্পানী আছে। ইয়াৰো চেল টেক্স অসমে নাপায়। সেইকাৰণে এইবিলাক অসমলৈ আনিবৰ কাৰণে আমাৰ নতুন চৰকাৰে দৃঢ় পদক্ষেপ লব লাগিব। আমি অন্যান্য ৰাজ্যৰ লগত খাপ মিলাই যাব পাৰিব লাগিব। অন্যৰাজ্যৰ লগত খোজ মিলাই যাব পৰাকৈ আমাৰ চৰকাৰেও শিক্ষা বছৰ আগুৱাই আনি এটা মহৎ কাম কৰা বুলি কব লাগিব। আৰু আমূল পৰিবৰ্ত্তনেৰে শিক্ষাৰ মানদন্দ উন্নতি কৰিব বুলিও আশা কৰিছো। কিন্তু আজি অসমত এনে ধৰণৰ স্কুল আছে যাক ১০০ বছৰৰ পিচতো চৰকাৰীকৰণ কৰা হোৱা নাই। তাৰোপৰি ১৯৭4 চনত ১২শ শিক্ষকক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। গতিকে এই স্কুলবিলাক চৰকাৰীকৰণ কৰি নিৰ্ম্মান কৰাৰ ব্যৱস্থা কৰিব লাগে। আশাকৰো আমাৰ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত নিশ্চয় গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহন কৰিব। অষ্টম বিত্তআয়োগে অনুদান হিচাবে দিয়া ২৩ কোটি টকাৰে চাৰি বছৰত গোটেই ৰাজ্যখনত ১৯৮৫-৯০ চনৰ ভিতৰত

প্ৰায় ৫৭৬১ খন নিম্ন প্ৰাইমেৰী স্কুল সাজিব লাগে। এই বিষয়ত আমাৰ চৰকাৰে নিশ্চয় যাবতীয় ব্যৱস্থা লৈছে। শিক্ষাৰ বিষয়কে ধৰি অন্যান্য বহু কেইটা বিভাগৰ শাসনৰ মান উন্নতিৰ বাবে অষ্টম বিত্ত আয়োগৰ পৰামৰ্শমতে আমাৰ ৰাজ্যৰ প্ৰায় ৫৭ কোটি টকা অনুদান হিচাবে পৰ্য্যায় ক্ৰমে ১৯৮৫ চনৰ পৰা ১৯৮৯ চনৰ এই চাৰি বছৰৰ ভিতৰত পাব লাগে। আমাৰ বছেৰেকীয়া পৰিকল্পনা বুজনভাবে বাঢ়ি যোৱা যেন লাগিলেও সেই হাৰত আচলতে বঢ়া নাই। যিহেতু ৰাষ্ট্ৰীয় পৰ্য্যায়ত মূল্যবৰ্দ্ধিত হৈ আছে। ৰাজ্যৰ বিকাশৰ বাবে অধিক পৰিমানৰ ঋণ লোৱাৰ বাবে পৰিকল্পনাৰ মজুৰীৰ পৰিমানৰ টকা বৃদ্ধি হৈছে বুলি কব নোৱাৰি। আমাৰ চৰকাৰে পৰিকল্পনাৰ কাৰণে যি বিকেন্দ্ৰীকৰণ আচনি লৈছে এইটো নিশ্চয় আদৰণীয় ব্যৱস্থা। আমাৰ গাৱঁৰ ৰাইজে যিবিলাক আঁচনি লৈ আহিছে সেই-বিলাকো নিশ্চয় আমাৰ চৰকাৰে দূৰীকৰণ কৰাৰ ব্যৱস্থা কৰিব। বিজুলীশক্তিৰ সম্পৰ্কত মোৰ কবলগীয়া বহুতো আছে। বিজুলীশক্তি যোগান ধৰা হব বুলি যিবিলাক গাওঁ লোৱা হৈছিল সেইবিলাকত প্ৰকৃততে বিজুলীশক্তি যোগান ধৰা হৈছেনে ? এইবিলাক অভিযোগৰ প্ৰতি আমাৰ চৰকাৰে নিশ্চয় দৃষ্টি ৰাখিব। বিজুলীযোগান; পানী যোগান আদি সকলোতে আমাৰ চৰকাৰে গুৰুত্ব দিব বুলি আশা কৰিলো। এতিয়া দেখা গৈছে যে, আমাৰ যিবিলাক নিগম আছে সেই-বিলাকো লাভৱান হোৱা নাই। বৰঞ্চ লোকচান কৰিছে। এতিয়া 'ন প্ৰফিট, ন লচ' এই পদক্ষেপেৰে আগবাঢ়িব লাগিব। এইখিনিতে মই অসম চুক্তিৰ সম্পৰ্কত এটা কথা কব বিচাৰিছো। অসম চুক্তি সম্পৰ্কে কেতিয়াও আমাৰ চৰকাৰে কাৰো লগত আপোচ কৰিব নোৱাৰিব। চুক্তিত থকা প্ৰতিটো দফাই নিয়াৰিকৈ পালন কৰিব লাগিব। এই চুক্তিখন যোনে বিৰোধীতা কৰিব সি অসম দ্ৰোহীয়েই নহয় ভাৰতবৰ্ষদ্ৰোহী। সংখ্যালঘু, সংখ্যাগুৰুৰ ইয়াত প্ৰশ্ন আহিব নোৱাৰে। প্ৰশ্ন আহিব ভাৰতীয় অভাৰতীয়ৰ কথা। প্ৰতিটো ক্ষেত্ৰতেই অসমৰ খিলঞ্জীয়া মানুহ, অসমৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে যিসকলে জীৱন আহুতি দিছে, যিসকলে অসমৰ হাৱা-পানী খাই জীৱন নিৰ্ব্বাহ কৰি আছে সেই সকলৰ কথা আমি ভাবিব লাগিব। অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত যি সকলে বিৰোধীতা কৰিব সেই সকলক ৰাজহুৱা স্থানত এক্সপোজ কৰাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ : আপোনাৰ সময় হৈছে।

শ্রীজয়নাথ শৰ্ম্মা : মই কেইটামান পৰামৰ্শ দিব বিচাৰিছো—প্ৰথম কথা হৈছে এতিয়ালৈকে যিমানবিলাক বাজেট পাচ হৈছে সেই বাজেটবোৰৰ টকাবোৰ বছৰটোৰ ১১ মাহত খৰচ নহৈ মাত্ৰ এক মাহৰ ভিতৰতহে খৰচ কৰা দেখা যায়। এইবোৰ ১৯৮৫-৮৬ চনৰ বাজেটত যিবোৰ টকা খৰচ হৈছে সেইমতে এই ১১ মাহৰ ভিতৰত মাত্ৰ দুশ কোটি টকাহে খৰচ হৈছে আৰু বাকী দুশ দহ কোটি টকা অহা ৩১ মাৰ্চৰ ভিতৰত খৰচ কৰিব লাগিব। এই ক্ষেত্ৰত আমাৰ চৰকাৰী বিষয়া সকলে এটা বিশেষ ব্যৱস্থা লব লাগে। সেইটো হ'ল স্পেণ্ডিং কেপাচিটি বঢ়োৱাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। তাৰ কাৰণে এখন এক্সপেণ্ডিচাৰ কেলেণ্ডাৰ ৰাখিব লাগে। মই আমাৰ নতুন অসম গণ পৰিষদ চৰকাৰক অনুৰোধ জনাইছো যে এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লব লাগে। মাৰ্চ বা এপ্ৰিল মাহৰ ভিতৰতেই ৰাইজৰ কল্যাণৰ হকে যিবিলাক পৰিকল্পনা আঁচনি ইত্যাদি লোৱা হব সেইবিলাক নিয়াৰিকৈ উপস্থাপিত কৰিব লাগে আৰু ১১ মাহৰ ভিতৰত সেই সমগ্ৰ টকা খৰচ কৰি উঠি বাকী এক মাহৰ কাৰণে যদি টকাৰ আৱশ্যাক হয় তেতিয়াহলে কেন্দ্ৰীয় চৰকাৰলৈ অধিক অনুদান বিচাৰি দাবী জনাব লাগে। পৰম্পৰা ভাবে এই ১১ মাহৰ টকাতো ১ মাহত খৰচ কৰাৰ যি চিচ্‌টেম চলি আছে সেইটো অনতিপলমে বন্ধ কৰিব লাগে। ইয়াত কেতবোৰ চৰকাৰী উচ্চ বিষয়াৰো ষড়যন্ত্ৰ আছে। এই ষড়যন্ত্ৰ হৈছে টকা খোৱাৰ ষড়যন্ত্ৰ, এই ষড়যন্ত্ৰ হৈছে ৰাইজক ভাবুকি দিয়াৰ ষড়যন্ত্ৰ আৰু এই ষড়যন্ত্ৰ হৈছে ৰাইজক আঁচনি বিলাক উপকৃত নকৰাৰ ষড়যন্ত্ৰ। এই ষড়যন্ত্ৰ আমি মোহাৰি পেলাব লাগিব। মই আৰু কেইটামান কথা কব খুজিছো সেইটো হ'ল যিবিলাক আঁচনিৰ অনুদান কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা হয় বা কেন্দ্ৰীয় চৰকাৰৰ অনুদান অপৰিহাৰ্য্য সেইবিলাক সময় মতে আমাৰ চৰকাৰে আঁচনি গ্ৰহণ কৰি সেইবোৰ ৰূপায়ণৰ ক্ষেত্ৰত তত্‌পৰতাৰে ব্যৱস্থা লব লাগিব। অনাদায় হিচাবে পৰি থকা বৃহৎ পৰিমানৰ টকা আদায় কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। বিভিন্ন ঠাইত বিশেষকৈ জিলা ভিত্তিত এতিয়ালৈকে আদালত সমূহত দেখা যায় লাখ লাখ টকা বাকীজাই গোচৰত অনাদায় হৈ পৰি আছে। এই বিধাকত ৰাজনৈতিক নেতাৰ হাত আছিল কাৰণ কেতবোৰ বাকীজাই কেচ আপোচ হোৱা বা চেটেল হোৱাৰ ক্ষেত্ৰত ৰাজনৈতিক হেচা প্ৰয়োগ কৰিছিল। ঠিক তেনেধৰণে কৰ্পোৰেচনৰ একেই হৈছে কিন্তু আমি প্ৰফিত কৰিব নোৱাৰিলেও অন্ততঃ নো

প্ৰক্ষিত নো লচ' 'অৱস্থালৈ এই কৰ্পোৰেচন বিলাকক আনিবলৈ চেষ্টা কৰিব লাগে। জলসিঞ্চনৰ ক্ষেত্ৰত অতি দুখেৰে কবলগীয়া হৈছে যে আজি অসমত যি বৃহৎ জলৰাশি ৰিচোৰ্চ আছে সেই ৰিচোৰ্চ যদি আমি প্ৰকৃতাৰ্থত ব্যৱহাৰ কৰিব পাৰো সি অসম কিয় সমগ্ৰ ভাৰতবৰ্ষকেই খুৱাই ৰাখিব পাৰিব। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হওক আৰু ইয়াৰ লগতে বহুমুখী আঁচনি লওক। এই ক্ষেত্ৰত আমি দৃঢ়তাৰে কামত আগবাঢ়িব লাগিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেটখন উত্থাপন কৰি যিখিনি টকা ৰাইজৰ উপকাৰৰ কাৰণে খৰচ কৰিবলৈ বিচাৰিছে সেইখিনি টকা যাতে ৰাইজৰ স্বাৰ্থৰ হকে খৰচ হয় তাৰ প্ৰতি বিশেষ চকু ৰাখিব বুলি আশা কৰিলো আৰু অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কোনো ধৰণৰ হেঁচাৰ ওপৰত সেও নেমানে আৰু আপোচত নাহে তাৰ প্ৰতি অনুৰোধ জনাই বিত্তমন্ত্ৰী মহোদয়ৰ বাজেটখন সমৰ্থন জনাই সামৰণি মাৰিলো।

**Shri Binai Khungur Basumatary :** Mr. Speaker, Sir, we have before us the budget speech made by hon. Chief Minister, and I would like to say very briefly that this budget is illusive, illusive in the sense that this A.G.P. Government has taken the credit of placing a full budget for the year 1986-87, but there has been a problem for them to turn the popular aspiration into mathematical figures. They could have presented a Vote on Account Budget and then they could have prepared the next budget as per the aspiration and will of the people. By attempting to prepare a full budget in this manner they have failed to fulfil the aspiration of the people sir. Probably this new government were afraid of the probable criticism if they would not produce the budget, but in their hurry many things have been left out and have not been mentioned here. Therefore, I would like to say that this budget is illusive and the aspiration of the people is not turned into methematical figures. I would like to prove it sir.

Sir, first I want to dwell on agriculture because I am the son of a farmer. In this paragraph 5, you will not find a single figure. About the probabilities of productions, they have failed to computerise it. In the last year's budget for 1985-86, it was stated that rice production would be of the order of 25.5 lakh tonnes against 24.7 lakh tonnes during 1984-85 and so on. Here in the present budget speech, I do not find any mention of such figures, and I do not know why the Govt. could not compute figures for probable production of paddy and other cereals for the next year.

Then sir, this government is saying that it is the government of the people and will work for the people, irrespective of caste, creed, language or religion. That is very nice, sir, but what is happening ? I think the A.G,P. had taken a resolution to by-pass the Kothari Commission Report on educational policy, and the Govt. following that Resolution, issued a circular making Assamese a compulsory subject from this year in our educational institutions. Sir, this is against the Constitutional provision, The Kothari Commission Report prescribed only three languages for minor children. Bode students have adopted the three languages viz-Bodo, English and Hindi. And impsition of Assamese language on them has [violated the Constitutional rule. This Government claims that they have brought peace in the State and they want to maintain peace and harmony among all sections of the people. If they want to maintain peace, they must not come out with such

compulsions, because I have seen today that the Bodo Sahitya Sabba has circulated a press statement not to submit to this circular and they will oppose it tooth and nail. Then where will be peace. Secondly sir, our people are homeless and shelterless. Some time they were in Goalpara, some time in Kamrup, and then they went to resettle at the Assam Nagaland border where Nagas butchered them. Then they came to Balipara. Unfortunately this Govt. has evicted these people. In the name of implementing clause 10 of the Assam Accord, are you going to uproot the people of the State. This is a question I am raising because my previous speaker, fiery speaker Mr. Sarma said they will not tolerate any violation of the Assam Accord. Are all the tribals of Assam are illegal encroachers ? How in the name of implementation of the Accord are you going to make the people homeless and if I object, am I going to be an anti-national ? Will you chase me out of India ? So the Govt. has taken a responsibility and you must came to a compromise. Sir, I will read from a painful letter of an Executive Engineer. He is posted at Mangaldoi and AGP workers do not allow him to work there.

(Interruptions)

শ্ৰীজয়নাথ শৰ্ম্মা ঃ এই গৰাকী লোকৰ বিৰুদ্ধে পুলিচ থানাত ৰেকৰ্ড আছে। তেখেতে বিপথে পৰিচালিত কৰিবলৈ বিচাৰিছে।

(হুলস্থূল)

Shri Binai Khungar Basumatari : Sir, this is creating disturbance in the functioning of official duty.

(Voices : Illegal officer will be stopped. He is instigating them)

How can he be an illegal officer; he is an executive engineer. Sir, they are saying I am instigating them. This is a mischievous statement. I am reading a document; they said they have received it. So they cannot stop me.

শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, চিঠিখন পঢ়ি দিলে ভাল হয়।

Shri Binai Khungar Basumatari : Sir, I will read the letter. It is 'to the officer in-charge, Mangaldoi Police Station, Mangaldoi. Subject-Insecurity. Sir, with reference to the above I like to inform you that some miscreants among the contractors have been still creating disturbance in functioning the official duty of the undersigned. They generally come in group and misbehave using unpleasant words. You are, therefore, requested kindly to arrange security measures so that the office can be functioned smoothly.'

(Voices : Has it mentioned AGP ?)

I am reading a public complaint. Why are they worried ?

(Interruption)

Sir, it will be better, you have every authority to enquire, I request that, Sir, you will order an enquiry.

(Interruptions)

Mr. Speaker : The word AGP is not there in the letter you have read.

Shri Binai Khungar Basumatari : It is not there, equally Mr. Sarma has charged···

(Interruptions)

Equally they have charged that I have instigated, You will also have to withdraw.

Mr. Speaker : May I draw the attention of the hon'ble members to Rule 286. It states 'Whenever the Speaker rises he shall be heard in silence and any member who is then speaking or offering to speak shall immediately sit down.'

Shri Binai Khungar Basumatari : I have followed your instruction Sir.

Mr. Speaker : Your time is over.

Shri Binai Khungar Basumatari : Sir, if you do not allow me I will sit down.

Mr. Speaker : Hon'ble member, your time is over. Now, I request hon'ble member Shri Naren Tanti to take part in the discussion. He seems to be absent. Now, I request Shri Umesh Das to speak.

শ্ৰীউমেশ দাস : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনৰ বছৰটোৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তথা বিত্তমন্ত্ৰী মহোদয়ে ১২ মাৰ্চ তাৰিখে যিখন বাজেট এই সদনত সদৰি কৰিলে সেই বাজেট ভালে কেইজন সন্মানিত সদস্যৰ লগত মইও আন্তৰিকতাৰে আদৰি লৈছো। আমি জানো আমাৰ দেশখন এখন কৃষি প্ৰধান দেশ। কৃষিৰ ওপৰতেই আমাৰ সংখ্যাগৰিষ্ঠ অসমৰ ৰাইজে জীৱন নিৰ্ব্বাহ কৰি আহিছে। কৃষিৰ ক্ষেত্ৰত নিম্ন উপাৰ্জিত খেতিয়ক সকল উপকৃত হোৱাকৈ সুসংহত আঁচনি তৈয়াৰ কৰিব লাগিব। সেইটোকে কৰিবলৈ হলে সময় মতে বীজ যোগান ধৰিব লাগে। কিন্তু সময়মতে বীজ যোগান ধৰা নাই বুলি বহু সময়ত খেতিয়ক সকলে অভিযোগ কৰি আহিছে। যোৱা বছৰো ৩০/৩৫ টকাত মৰাপাটৰ বীজ খেতিয়ক সকলে কিনিব লগীয়া হৈছিল। ই অত্যা-

ধিক মূল্য আছিল বাবেই খেতিয়ক সকলে মৰাপাটৰ উচিত মূল্য নাপালে। এতিয়া আহু আৰু মৰাপাট খেতিৰ সময় আহিছে। খেতিয়ক সকলে যাতে সময় মতে মৰাপাটৰ উন্নত বীজ পাব পাৰে আৰু অন্যান্য উন্নত ধৰণৰ বীজও পাব পাৰে তাৰ কাৰণে আমাৰ চৰকাৰে তত্কালিন ব্যৱস্থা লব লাগে। শস্য উত্পাদন বৃদ্ধিৰ কথা বাজেটত উল্লেখ কৰা হৈছে। কিমানখিনি শস্য উত্পাদন হৈছে আৰু বৰ্দ্ধিত শস্য উত্পাদন কিমানখিনি হৈছে তাৰ এটা হিচাপ ৰাখিব লাগে। কিমানখিনি শস্য চৰকাৰী ভাৱে সংগ্ৰহ হৈছে আৰু কিমানখিনি ব্যক্তিগত ব্যৱসায়ীৰ হাতলৈ গৈছে তাৰ এটা হিচাব চৰকাৰে ৰাখিব লাগে।

অধ্যক্ষ মহোদয়, যোৱা ফেব্ৰুৱাৰী মাহত অসমত গড় অনুপাতে চাউলৰ দাম আছিল প্ৰতি কুইণ্টেলত ২৬৫·০০ টকা। সেই মূল্য বৰ্ত্তমান বাঢ়ি গৈ প্ৰতি কুইণ্টেলত ২৯৫·০০ টকা হৈছেগৈ। এইটো সকলোৰে জ্ঞাত যে খেতিয়কৰ হাতৰ পৰা ধান ব্যৱসায়ীৰ হাতলৈ যোৱাৰ লগে লগে এই অৱস্থা হৈছে। এনেধৰণে যদি ধান চাউলৰ দাম বাঢ়ি থাকিবলৈ দিয়া হয় তেনেহলে অহা বহাগ বিহুৰ সময়লৈ চাউলৰ দাম প্ৰতি কুইণ্টেলত ৩৫০·০০ টকা হবগৈ। সেয়ে সৰ্ব্বসাধাৰণ ৰাইজক সকাহ দিবৰ কাৰণে সুলভ মূল্যৰ দোকানৰ জৰিয়তে পৰ্য্যাপ্ত পৰিমানৰ সামগ্ৰি চৰকাৰে যোগান ধৰিব লাগে।

অধ্যক্ষ মহোদয়, উদ্যোগৰ ক্ষেত্ৰত এই বাজেট বক্তৃতাত উল্লেখ কৰা হৈছে যে কুৰি দফীয়া আচনিৰ অধীনত ১৯৮৫-৮৬ চনত এক হাজাৰ এক শ ক্ষুদ্ৰ উদ্যোগ পতাৰ লক্ষ্য আছিল। এই লক্ষ্য ইতিমধ্যে চেৰাই যাব বুলি আশা কৰা হৈছে। ১৯৮৬-৮৭ চনৰ বাবে ৭৫০০ জনৰ ওপৰঞ্চি নিয়োগৰ বাট মোকোলাব পৰাকৈ ১২০০ টা ক্ষুদ্ৰ উদ্যোগ স্থাপনৰো লক্ষ লোৱা হৈছে। আমি সকলোৱে জানো যে অসমখন উদ্যোগৰ ক্ষেত্ৰত বহুত পিচপৰি আছে। গতিকে উদ্যোগ স্থাপন কৰি আমাৰ থলুৱা ডেকা গাভৰু সকলক নিয়োগৰ বাট উলিয়াই দি নিবনুৱা সমস্যা সমাধান কৰিব পাৰি। তাৰ কাৰণে আমাৰ ডেকা গাভৰু সকলক কাৰীকৰি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে, যাতে ভবিষ্যতে অসমত যি বিলাক উদ্যোগ গঢ়ি উঠে সেই বিলাকত আমাৰ শিক্ষিত ডেকা-গাভৰু সকলে নিয়োগৰ সুবিধা পায়।

শিক্ষাৰ ক্ষেত্ৰত আমাৰ নতুন চৰকাৰে কিছুমান প্ৰসংশনীয় ব্যৱস্থা হাতত লোৱাৰ কাৰণে মই চৰকাৰৰ সলাগ লৈছো। ছয় বছৰৰ পৰা ১৩ বছৰলৈ লৰা-ছোৱালী সকলক বিনা মূলীয়া পোচাক আৰু কিতাপ যোগান ধৰা নিয়মটোত চৰকাৰক ধন্যবাদ জ্ঞাপন নকৰি নোৱাৰিলো। এই ব্যৱস্থাৰ দ্বাৰা আমাৰ দুখীয়া অভিভাৱক সকলে বহুখিনি সকাহ পাব। ইয়াৰ বাহিৰে শিক্ষা বিভাগত আমি আৰু কিছুমান কাম কৰিবলৈ বাকী আছে—তাৰ ভিতৰত কোঠাৰী কমিশ্যনে এই ক্ষেত্ৰত যি পৰামৰ্শ আগবঢ়াইছিল সেই পৰামৰ্শ সমূহ সোনকালে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা হাতত লব লাগে, কিয়নো অসমৰ শিক্ষক সকলে চৰকাৰৰ পৰা যিখিনি সুবিধা পাব লাগে তাৰ পৰা বঞ্চিত হৈ আছে। বিগত চৰকাৰৰ দিনত যধে মধে কিছুমান স্কুল পতা হৈছিল। প্ৰকৃততে কত স্কুল পাতিব লাগে তেওঁলোকে বিচাৰ কৰি চোৱা নাছিল। সেই কাৰণে কোনো এখন শিক্ষানুষ্ঠান স্থাপন কৰাৰ ক্ষেত্ৰত সকলো কেইটা দিশ চালি জাৰি চাব লাগে। ইয়াৰ লগে লগে মই চৰকাৰক এটা পৰামৰ্শ দিব বিচাৰিছো যে কোনো এখন স্কুলৰ ক্ষেত্ৰত সেইখনৰ আনখন স্কুলৰ পৰা দুৰত্ব, জনবসাত, আদি সকলো দিশ নতুন চৰকাৰে অধ্যয়ন কৰি চাব লাগে আৰু প্ৰয়োজন হলে যিবোৰ ঠাইত স্কুলৰ প্ৰয়োজন নাই সেইবোৰৰ পৰা স্কুলবোৰ উঠাই আনি অন্য এখনৰ লগত চামিলকৰণ কৰিব লাগে আৰু যিবোৰ ঠাইত প্ৰকৃততে স্কুলৰ প্ৰয়োজন সেই ঠাইত নতুনকৈ স্কুল পতাৰ ব্যৱস্থা কৰিব লাগে। আনহাতে আমাৰ স্কুলবোৰ অৱস্থা বিশেষকৈ গাওঁ অঞ্চলত যিবোৰ স্কুল আছে সেইবোৰৰ অৱস্থা একেবাৰে বেয়া। সেইকাৰণে আমাৰ চৰকাৰে এই স্কুলবোৰৰ অৱস্থা উন্নত কৰিবৰ কাৰণে ব্যৱস্থা হাতত লব লাগে।

অধক্ষ মহোদয়, এইবাৰৰ বাজেট বক্তৃতাত পলিষ্টাৰ আৰু পাত সূতাৰ কথা উল্লেখ কৰা হৈছে। কিন্তু মই আচৰিত হৈছো যে ইয়াত কপাহী সূতাৰ কথা উল্লেখ হোৱা নাই। আমাৰ গাওঁ অঞ্চলৰ প্ৰায়বোৰ দুখীয়া খেতিয়কৰ ঘৰতেই কপাহী কাপোৰ ব্যৱহাৰ কৰা হয় আৰু এইবোৰ প্ৰায়েই অসমীয়া গৃহিনীয়ে নিজে ঘৰতে বৈ লয়। আজি কিছুদিনৰ ভিতৰত কপাহী সূতাৰ দাম এনে ধৰণে বৃদ্ধি পাইছে যে সাধাৰণ লোকে এতিয়া কপাহী কাপোৰও পিন্ধিব

নোৱাৰা হৈছে। সেই কাৰণে চৰকাৰে অনতি পলমে এই বিষয়টোৰ প্ৰতি নজৰ দিব লাগে আৰু সুলভ মূল্যৰ দোকানৰ জৰিয়তে কপাহী সূতাৰ যোগান ধৰিব লাগে।

অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বাজেট বক্তৃতাত আৰু এটা কথা উল্লেখ কৰিছে যে আগৰ বছৰ বোৰত আমাৰ অনুসূচিত জাতি আৰু জনজাতিৰ লোক সকলে চৰকাৰৰ উন্নয়ন মূলক আচনি সমূহৰ পৰা যিবোৰ সা-সুবিধা পাব লাগিছিল সেইবোৰৰপৰা বঞ্চিত হৈ আহিছো সেয়ে নতুন চৰকাৰে অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলে যাতে তেওঁলোকে পাবলগা সুবিধাৰ পৰা বঞ্চিত নহয় তালৈ দৃষ্টি নিক্ষেপ কৰিছে। আৰু এই বাজেটত উল্লেখ কৰা ধৰণে আমি যদি প্ৰকৃততে তেওঁলোকৰ কাৰণে আচুতীয়াকৈ ৰখা আচনি সমূহ কাৰ্য্যকৰি কৰিব পাৰো তেনেহলে এই চৰকাৰ নিশ্চয় প্ৰসংশাৰ পাত্ৰ হব পাৰিব। আজি কেৰেলা, উত্তৰ প্ৰদেশ আদি ৰাজ্য অনুসূচিত জাতি আৰু জনজাতিৰ কাৰণে বিশেষ বিশেষ কিছুমান সা-সুবিধা ৰখা হৈছে। সেয়ে আমাৰ চৰকাৰেও এই লোক সকলৰ অৰ্থ সামাজিক উন্নতিৰ কাৰণে আৰু কিছুমান আচনি হাতত লবলৈ মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো।

অধ্যক্ষ মহোদয়, আমাৰ গড়কাপ্তানী আৰু জলসিঞ্চন বিভাগৰ ক্ষেত্ৰত মই কেইটামান কথাত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ : আপোনাৰ সময় শেষ হৈছে। সোনকালে শেষ কৰক।

শ্ৰীউমেশ দাস : আজি আমাৰ গাওঁ অঞ্চলৰ লোক সকলৰ যিবোৰ সমস্যা সেইবোৰৰ লগত এই বিভাগ কেইটা ওতঃপোত: ভাবে জড়িত হৈ থকাৰ কাৰণে এই বিভাগ কেইটাই মুখ্যৰূপ লব লগা হৈছে। সেয়ে আমাৰ আলি পতুলি আৰু নদী বিলাক নিয়ন্ত্ৰণ কৰি বানপানীৰ কবলৰ পৰা ৰাইজক ৰক্ষা কৰাৰ লগতে জলসিঞ্চনৰ সুবিধা আগ বঢ়াই ৰাইজলৈ সেৱা আগবঢ়াব লাগে। মই আৰু দীঘলীয়া নকৰো। এইখিনিকে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলো।

শ্ৰীকুসুম্বৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১২ মাৰ্চৰ দিনা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট এই সদনত উৎথাপন কৰিলে সেই বাজেট খন আমাৰ অন্যান্য সদস্য সকলৰ লগতে ময়ো আদৰণি জনাইছো। এই বিষয়ে

যোৱা কেইদিনৰ পৰা এই সদনত বিতৰ্ক আৰম্ভ হৈছে। এই বাজেট খনত সকলো কথাই লিপিবদ্ধ কৰা সম্ভৱ নহয় যদিও অসমৰ উন্নতিৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াত যিখিনি কথা উল্লেখ কৰিছে সেইটো বিগত চৰকাৰৰ লগত ব্যতিক্ৰম আৰু এই বাজেটখন এখন উপযুক্ত ধৰণৰ বাজেট বুলি অভিহিত কৰিব পাৰি। এই বাজেটৰ আগেয়েও কেইবাখনো বাজেট এই সদনলৈ আহিছে আৰু তাক কাৰ্য্যত ৰূপায়িত কৰিবলৈ পাছ কৰি দিয়া হৈছে। কিন্তু সেই বাজেটৰ দ্বাৰা সৰ্ব্বসাধাৰণ ৰাইজ কিমান উপকৃত হৈছে সেইটোহে চাব লগীয়া। সেই কাৰণে ১৯৮৬-৮৭ চনৰ বাবে এই সদনত যি খন বাজেট উত্থাপন কৰা হৈছে সেই বাজেটৰ দ্বাৰা দুখীয়া জনসাধাৰণৰ দুখ কষ্ট কেনেকৈ লাঘৱ কৰিব পাৰি তালৈহে আমি চকু দিয়া উচিত।

অধ্যক্ষ মহোদয়, মই বিশেষকৈ নাহৰকটীয়া সমষ্টিৰ বিষয়ে চৰকাৰক কেইটামান দিশত পৰামৰ্শ দিব খুজিছো। আমাৰ ৰাজ্যত চৰকাৰী খণ্ডত কেইবা-টাও উদ্যোগ আছে। এই উদ্যোগবোৰত কিছুমান চি, ই, অ নিয়োগ কৰা হয়। এই বিষয়া সকল এই কাৰণেই নিয়োগ কৰা হয় যাতে তেওঁলোকে সেই উদ্যোগ-বোৰত অসমীয়া জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা হৈছে নে নাই সেই বিষয়ত চকু কাণ দিয়ে।

অসমত থকা চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ পাব্লিক আন্দাৰটেকিং যেনে অইল ৰিফাই-নেৰী, এফ, চি, আই, অ, এন, জি, চি আদিত চি, ই, অ দিয়া সম্পৰ্কত ব্যৱস্থা কৰিব লাগে। মই এই খিনিত এটা কথা উল্লেখ কৰিব বিচাৰিছো যে এচিয়াৰ ভিতৰত দ্বিতীয় নামৰূপ সাৰ নিগমৰ দ্বাৰা পানী আৰু বায়ু প্ৰদূষিত হৈছে। তাত উৎপন্ন হোৱা বিষাক্ত গেচসমূহ বিজ্ঞান ভিত্তিত নষ্ট নকৰি নদী সমূহত মেলি দিয়া হয়। ইয়াৰ ফলত গৰুৱে পানী খাই মৰে, মাছ মৰে আৰু মাছ খাই মানুহৰ বেমাৰ আজাৰ হয়। ইয়াৰ গোটেই অঞ্চলৰ বায়ু বিষাক্ত হৈ পৰিছে। নাহৰকটিয়া ডিব্ৰুগড় জিলাৰ ভিতৰত উদ্যোগ অঞ্চল। এই অঞ্চলসমূহত কেনে ধৰণৰ নিয়োগ নীতি চৰকাৰে গ্ৰহণ কৰিছে ? নতুন নিয়োগ নীতি লব লাগে যাতে উদ্যোগসমূহত যুৱক যুৱতীক সংস্থান দিব পৰা যায় আৰু ইয়াৰ ব্যৱস্থা কৰাত গুৰুত্ব দিব লাগে এই কথাটো সদনত মই বক্তৃতা স্বৰূপে নহয়, পৰামৰ্শ হিচাবে আগবঢ়াইছো। তাৰ পিছত অসমত থকা চাহ বাগিচাৰ বনুৱাসকলৰ

উন্নতিৰ কাৰণে বিশেষ ভাবে আঁচনি গ্ৰহণ কৰিব লাগে। এই চাহ উদ্যোগ অকল ভাৰততে নহয়, এচিয়া মহাদেশত নাম কৰিছে। কিন্তু অসমে ভাৰত চৰকাৰৰ পৰা তেল আৰু চাহৰ ৰয়েল্টি প্ৰকৃতাৰ্থত পোৱা নাই। ওপৰোক্ত বক্তাই কৈ গৈছে, মইও লগতে কব বিচাৰিছো যে চাহ আৰু তেল সম্পৰ্কত যিবিলাক অফিচ আদালত বিদেশত আছে, সেইবিলাক অতি সোনকালে স্থানান্তৰ কৰি অসমত যাতে প্ৰতিষ্ঠা কৰে আৰু অসমৰ উন্নতিৰ হকে কাম কৰে তাৰ বাবে অনুৰোধ জনালো। মই ৰাজহুৱা খাতিৰত নাহৰকটিয়া সমষ্টিৰ এটা কথা কব বিচাৰিছো যে যোৱা বছৰটোত অৰ্থাৎ ১৯৮৫-৮৬ চনত অসমৰ ৰাজকোষলৈ ৩ কোটি টকা নাহৰকটিয়া সমষ্টিৰ পৰা কৰ হিচাবে আগবঢ়োৱা হৈছে। কিন্তু এই টকাখিনি জমা দিবৰ কাৰণে ডিব্ৰুগড় বা তিনিচুকীয়ালৈ যাব লগীয়া হয়। গতিকে এই অঞ্চলৰ ৰাইজক উপকৃত কৰিবৰ কাৰণে আৰু উন্নয়ণমূলক আঁচনি সমূহ কাৰ্য্যকৰী কৰাত গুৰুত্ব দিবৰ কাৰণে এটা ট্ৰেজাৰী অফিচ স্থাপন কৰিবলৈ পৰামৰ্শ আগবঢ়ালো। যি নহওক বিগত বছৰৰ তুলনাত এই বাৰৰ বাজেটখন উপযুক্ত বাজেট বুলি অভিহিত কৰিব বিচাৰিছো। এই বাজেটত থকা সকলোখিনি কথা কাৰ্য্যকৰী কৰাত আৰু ৰাইজৰ উন্নতিৰ হকে কাম কৰাত সকলোকে সহযোগ কৰিবলৈ আহ্বান জনাই বাজেটখনৰ প্ৰতি আন্তৰিকতা জ্ঞাপন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো লগতে মুখ্যমন্ত্ৰী মহোদয়কো ধন্যবাদ জ্ঞাপন কৰিলো।

Shri Ardendhu Kumar Dey : Mr. Speaker, Sir, I have already sent one letter stating that in place of Shri Abu Hussain Sarkar, Shri Muktar Hussain will speak.

শ্ৰীমোক্তাৰ হুচেইন : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে যি বাজেট উত্থাপন কৰিছে, সেই সম্পৰ্কত দুষাৰমান কব বিচাৰিছো। বাজেট হল আয় ব্যয়ৰ হিচাব। আয় হল মূল উত্স। যোৱা নিৰ্ব্বাচনত পৰম্পৰাগত ৰাজনৈতিক নেতাক বিসৰ্জন দি অসমৰ জনগণে নতুন যুব বন্ধুসকলৰ হাতত শাসনভাৰ দিয়ে। ৰাইজৰ আশা আছিল শাসন ব্যৱস্থা-চৰকাৰৰ আয় ব্যয়ৰ যিটো অৰ্থনৈতিক ব্যৱস্থাৰ মূল বুনিয়াদ তাৰ এটা আমূল পৰিবৰ্ত্তন হব। কিন্তু এই বাজেট বক্তৃতাত দেখিলো পৰম্পৰাগত ভাবে যেনে বাজেট দিয়া হয়,

তেনে বাজেট দিয়া হৈছে। কৰ বহুওৱা নাই আৰু পুৰণা কৰ ৰেহাই দিয়া নাই। আমাৰ জনগণে ভাবিছিল দুখীয়া মানুহৰ ওপৰত যিটো কৰ আছে তাক ৰেহাই দি ধনী মানুহৰ ওপৰত কৰ বহুৱাই দুখীয়া দুৰ্ব্বলতাৰ শ্ৰেণীৰ কল্যাণ সাধনৰ কাৰণে যথেষ্ট কাম কাজ হাতত লব। যি চৰকাৰে কৰ বহুৱাব নাজানে সেই চৰকাৰে নতুন উন্নয়ণমূলক কাম কাজ কেনেকৈ কৰিব? আয় হলেহে ব্যয় কৰিব পাৰিব। কেবল কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি টকা পইচা পাব সেইখিনি উল্লেখ কৰা হৈছে। ৰাজ্যপালৰ ভাষণত খোৱা পানীৰ ব্যৱস্থাৰ কথা উল্লেখ আছে। জনস্বাস্থ্য কাৰিকৰী বিভাগত কোনো সুকীয়া সচিবালয় নাই। কাৰিকৰী জ্ঞান থকা সচিবে এই বিভাগটো পৰিচালনা নকৰে যাৰ ফলত উন্নয়ণ-মূলক কাম কাজ বিলাক যথেষ্ট পৰিমাণে পিচপৰি আছে। গড়কাপ্তানি, বান নিয়ন্ত্ৰণ আদি বিভাগত সুকীয়া সচিবালয় আছে। কাৰিকৰী জ্ঞান থকা সচিবে এই বিভাগ দুটা চলায়। সেইকাৰণে জনস্বাস্থ্য কাৰিকৰী বিভাগত মুখ্য অভিযন্তাক সচিবৰ কাম যদি কৰিবলৈ দিয়া হয় তেন্তে এই বিভাগটোৰ যথেষ্ট উন্নতি হব। এইটো নকৰাৰ ফলত বহুত চাকৰি বন্ধ হৈ আছে। এজন বিষয়া বছৰ বছৰ ধৰি নিজৰ আগৰ স্থানত আছে। শিক্ষাৰ শিতানত কব বিচাৰিছো যে এই চৰকাৰে শিক্ষা নীতিৰ এটা পৰিবৰ্ত্তন আনিব। গুণগতভাবে আমি এটা কথা উপলব্ধি কৰিছো যে শিক্ষকসকলৰ সুযোগ সুবিধা কম। কৃতী ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকতা কৰিব লাগে। কিন্তু শিক্ষকসকলৰ সুযোগ সুবিধা কম হোৱাৰ কাৰণে শিক্ষকতা কৰিবলৈ কৃতী ছাত্ৰসকল নাহে। যিবিলাক ছাত্ৰৰ মেধা শক্তি কম বা ভেটি দি শিক্ষকতা কৰিবলৈ আহে। যিটো দেখা গৈছে ১৯.৪২ কোটি টকা ছাত্ৰসকলৰ পোছাক পৰিচ্ছদৰ কাৰণে ধৰা হৈছে। পোছাক পৰিচ্ছদৰ কাৰণে কৰিব নালাগে বুলি মই কোৱা নাই। কিন্তু যি ক্ষেত্ৰত স্কুলবোৰত বৰ্ড নাই, বেৰা নাই কৰবাত আকৌ ঘৰেই নাই তেনে ক্ষেত্ৰত আগতে স্কুল ঘৰটো স্থাপন কৰি পিচত স্কুলৰ আহিলাপাতি আদি যোগান দিয়াৰ কথা চিন্তা কৰা হলে শিক্ষা ব্যৱস্থাৰ আৰু উন্নতি কৰিব পৰা গলহেতেন বুলি মই ভাবোঁ। এই শিক্ষা ব্যৱস্থাত এটা বৈষম্য-মূলক কথা দেখা গৈছে, সেইটো হৈছে ৯০০ খন ছোৱালী স্কুলত টেবুল টেনিচ খেলাৰ ব্যৱস্থা কৰিব আৰু তাৰবাবে আৱশ্যকীয় আহিলাপাতিও দিব। কিন্তু আমি ভাবো যদি এই সুবিধা দিয়াই হয় তেতিয়াহলে সকলো স্কুলতে সমানে এই সুবিধা দিয়া হলে ভাল আছিল।

সি যিকি নহওক বাজেটত বাকী বহু কথাই লিপিবদ্ধ আছে, মই ভাবোঁ এই বাজেটবক্তৃতাত ইয়াৰ আগতে আমাৰ মাননীয় সদস্য শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত ডাঙৰীয়াই এটা বিৰাট ডাঙৰ ভুলদেখুৱাই দিছিল, আৰু ইতিমধ্যেই এই সম্পৰ্কত দৃষ্টিগোচৰো কৰা হৈছে। আমাৰ এটা বিশ্বাস হৈছে বিভাগীয় বিষয়া সকলে মন্ত্ৰী মহোদয়ৰ লগত যোগাযোগ নকৰাৰ কাৰণেই এনেকুৱা হৈছে। আজি এনেকুৱাও হৈছে যে প্ৰশ্ন বিলাক আহি পালে বিত্ত মন্ত্ৰী আহি পোৱা নাই। আজিৰ এই অৱস্থাতো সম্পৰ্কচ্যুত অৱস্থাৰ কাৰণেই হৈছে।

এইখিনিকে কৈ মই মোৰ বক্তৃতাৰ সামৰনি মাৰিলোঁ।

শ্ৰীআমিনুল ইচলাম: মাননীয় অধ্যক্ষ মহোদয়, যোৱা মাৰ্চ মাহৰ ১২ তাৰিখে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ১৯৮৬-৮৭ চনৰ যি বাজেট দাঙি ধৰিলে তাৰ আলোচনাত অংশ গ্ৰহণ কৰি মই দুষাৰ কব বিচাৰিছোঁ যে বৰ্ত্তমান চৰকাৰে অসমৰ ৰাইজক এখন সুস্থসবল আৰু নিকা চৰকাৰ দিবলৈ বিচাৰিছে। এই ইচ্ছা প্ৰকাশ আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে চৰকাৰী পক্ষৰ পৰা কৰিছে গতিকে আমি মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ। কিন্তু এই ক্ষেত্ৰত মোৰ অলপ সন্দেহ আছে, কাৰণ অসমত কংগ্ৰেছ চৰকাৰে, অসমৰ জনতা চৰকাৰেও ৰাইজক সুস্থ সবল আৰু নিকা চৰকাৰ দিয়াৰ কথা কৈছিল, কিন্তু বাস্তৱত সেয়া দিব পৰা নাছিল। তাৰ কাৰণ হিচাপে মই কব বিচাৰোঁ যে আমাৰ যি সকল চৰকাৰী কৰ্ম্মচাৰী আছে সেই সকলে প্ৰথম অৱস্থাত চৰকাৰক সকলো সহায় সহযোগিতা আৰু সহানুভুতি আগবঢ়াব বুলি যদিও কয় কিন্তু বাস্তৱত দুৰ্নীতিক প্ৰশ্ৰয় দি চৰকাৰক বিপথে পৰিচালিত কৰা দেখা যায়। সেয়ে এই অৱস্থাত আমাৰ চৰকাৰ যদিও আশাৰিত হৈছে কৰ্ম্মচাৰী সকলৰ সহায় সহযোগিতা পাব বুলি কিন্তু বাস্তৱ ক্ষেত্ৰত নহবও পাৰে তাৰ কাৰণে চৰকাৰ যাতে অলপ সাৱধানে থাকে এইটোৱেই আমি আশা কৰিছোঁ।

অসম চুক্তি ৰূপায়ন কৰাৰ ক্ষেত্ৰত চৰকাৰে উচ্চ অগ্ৰাধিকাৰ দিব। অসমৰ প্ৰতিজন নাগৰিকে বিচাৰে অসমত বিদেশী নাথাকক। বিদেশী থকাটো আমিও বিচৰা নাই। কিন্তু বিদেশী বিতাৰনৰ নামত কোনো অৱস্থাতেই যাতে অসমীয়া ভাৰতীয় নাগৰিকক হাৰাশাস্তি যাতে কৰা নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিব

লাগিব। যদি পুলিচৰ হাতত সম্পূৰ্ণ দায়িত্ব গতাই দিয়া হয় তেতিয়া হলে পুলিচে অযথা সকলো নাগৰিকক অত্যাচাৰ কৰিব। এই কথা মোৰ বোধেৰে আমাৰ বৰ্ত্তমান চৰকাৰ বিধায়ক সকলে ভালদৰে জানে বুলি মোৰ বিশ্বাস। গতিকে বিদেশী বিতাৰনৰ নামত পুলিচে যাতে অযথা হাৰাশাস্তি বা অত্যাচাৰ কৰিব নোৱাৰে তাৰ বাবে চৰকাৰে চোকা দৃষ্টি ৰাখিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো। চৰকাৰৰ প্ৰয়াস হব এনে এক পৰিবেশ গঢ়ি তোলা যি পৰিবেশত প্ৰত্যেক জাতি, সংস্কৃতি ভাষা বা ধৰ্ম গোষ্ঠীয়ে সৌহাৰ্দ্য আৰু পাৰস্পৰিক শ্ৰদ্ধাৰ মনোভাৱেৰে তেওঁলোকৰ দায়বদ্ধাতাক বাস্তৱত ৰূপ দিয়াৰ প্ৰচেষ্টা কৰিব। এই কথা যদি সচাঁ হয় প্ৰত্যেক জাতি, প্ৰত্যেক ভাষা, প্ৰত্যেক ধৰ্ম্মৰ মানুহৰ আৰু প্ৰত্যেক গোষ্ঠীৰ মানুহৰ সকলো মিলাই এটা নতুন পৰিবেশ গঢ়ি তুলিব লাগিব এই চৰকাৰে। সকলো মানুহে নিৰপেক্ষ ভাৱে যাতে অসমত বাস কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি মই আশা ৰাখিছোঁ।

বাজেটৰ ক্ষেত্ৰত কওঁ কৰ বিহীন বাজেট এখন হলেই ভাল হব বুলি মই নকওঁ। চৰকাৰে কৰ প্ৰয়োগ কৰিব পাৰে। সাধাৰণ মানুহৰ ওপৰত কৰৰ বোজা জাপি নিদি অন্য শ্ৰেণীৰ পৰা কৰ আদায় কৰি চৰকাৰে দুখীয়া ৰাইজৰ কল্যানৰ হকে কামত লগাব পাৰিলেহেতেন। গতিকে এইটো সচাঁ কথা নহয় যে কৰ বিহীন বাজেট হলেই ভাল হব। তথাপিতো চৰকাৰে ৰাইজৰ ওপৰত কৰৰ বোজা জাপি নিদিয়াকৈ পৰিকল্পনাবোৰ বাস্তৱত ৰূপায়িত কৰিব বুলি আশ্বাস দিছে সেই বাবে মই ধন্যবাদ জনাইছোঁ।

কৃষিৰ ক্ষেত্ৰত কওঁ ৰবি শস্য এইবাৰ আগৰবাৰতকৈ উত্পাদন বেছি হব বুলি আশা কৰা হৈছে। কিন্তু মোৰ যি ধাৰণা সেই মতে যোৱা বছৰতকৈ এই বাৰ ৰবি শস্য উত্পাদন কম হব। মই নিজেই দেখিছোঁ যোৱা বাৰতকৈ এইবাৰ ৰবিশস্যৰ উত্পাদন ভাল হোৱা নাই। কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগে কি কৰি আছে আমি বুজা নাই। আমাৰ কৃষি বিভাগৰ ফালৰ পৰা বীজ দিয়া হৈছিল, এই বীজ বোৰ চাৰ্টিফাইড নাছিল। কিন্তু চাৰ্টিফাইড বুলিয়েই দিয়া হৈছিল। আচলতে কিন্তু সেইটো নহয়। লগতে সেই বীজ সময়মতে দিয়াও হোৱা নাছিল। যোৱাবাৰ ৰবিশস্য এটা কমপেষ্ট এৰিয়াত কৰা হৈছিল বিশেষকৈ মোৰ মানকাছাৰ অঞ্চলত এইবাৰ কিন্তু এইদৰে লোৱা হোৱা নাছিল, কিয় লোৱা নহল সেইটো মই নাজানো। চৰকাৰে অনুসন্ধান কৰি চাব পাৰে।

উদ্যোগৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হৈছে সৰু, মজলীয়া আৰু কুটীৰ শিল্পৰ উদ্যোগত মই কব বিচাৰিছোঁ যে সৰু, মজলীয়া আৰু কুটীৰ শিল্পই যে আমাৰ নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে তাৰ সাক্ষী ইতিহাসত আছে। অসমৰ এই শিক্ষিত, অৰ্দ্ধ শিক্ষিত, আৰু অশিক্ষিত যিমান নিবনুৱা আছে তেওঁ- লোকক অহা পাচ বছৰৰ সময়চোৱাত কিবা কামকাজ দিব নোৱাৰিলে ইয়াৰ প্ৰতিক্ৰিয়া ভয়াবহ হব বুলি ভাবোঁ।

বিজুলী ক্ষেত্ৰত কওঁ থাৰমেল হাইডেল প্ৰজেক্টৰ জৰিয়তে যি শক্তি যোগান ধৰা হয় সি অসমৰ বাবে যথেষ্ট নহয়। চৰকাৰৰ প্ৰচেষ্টা হব লাগিব পাৱাৰ বঢ়াব পাৰিবনে সেইটোৰ চেষ্টা কৰাটো। আমাৰ ওচৰ চুবুৰীয়া ৰাজ্যৰ পৰা শক্তি আনি আমি এতিয়া চলিব লগীয়া হয়। যদি এইদৰেই চলি থাকিব লগীয়া হয় তেনেহলে বিভিন্ন উন্নয়নৰ কামত আগবাঢ়িব পৰা নাযাব। এই খিনিতে মই চৰকাৰক এটা পৰামৰ্শ দিব বিচাৰিছোঁ যে ভাৰতৰ অন্যান্য ৰাজ্যত 'উইং মিল'ৰ জৰিয়তে পাৱাৰ জেনেৰেট কৰাৰ চেষ্টা কৰা হৈছে। আমাৰ ইয়াতো তেনে দৰে পৰীক্ষা আদি চলালে ভাল হয়। আৰু এটা চিষ্টেম আছে সেইটো হৈছে চোলাৰ চিষ্টেম। এই চিষ্টেমৰ জৰিয়তে অসমতো পাৱাৰ জেনেৰেট কৰিব পৰা যায়নেকি অসম চৰকাৰে এই বিষয়ে অনুসন্ধান কৰিব বুলি আশা ৰাখি মই মোৰ বক্তৃতাৰ সামৰনি মাৰিলোঁ।

শ্ৰীচুৰেন চৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয় তথা মন্ত্ৰী মহোদয় সকল আৰু সদস্যসকল। এই সদনত যিখন বাজেট উৎথাপন কৰিছে সেই বাজেটখনৰ প্ৰতি মই পূৰ্ণ সমৰ্থন আগবঢ়াইছো। এই বাজেটখন সঁচাকৈয়ে এখন কৰ বিহীন বাজেট হৈছে, যিখন বাজেট অসমৰ জনসাধাৰণে হাঁহি মুখে গ্ৰহণ কৰিব পাৰে। বাজেটখনৰ ওপৰত আলোচনা কৰিবলৈ যাওঁতে মই মাত্ৰ কেইটামান কথাৰ ওপৰত গুৰুত্ব ৰাখি আমাৰ মন্ত্ৰী মহোদয়ৰ ওচৰলৈ পৰামৰ্শ আগবঢ়াইছো।

অধ্যক্ষ মহোদয়, মই প্ৰথমতে শিক্ষাৰ বিষয়ে কিছুমান কথা কবলৈ আগ- বাঢ়িছো। অসমত ভবিষ্যতে কণ কণ লৰা ছোৱালীবিলাকৰ শিক্ষা দান দিয়াৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যি ভুমিকা গ্ৰহণ কৰিছে সচাকৈয়ে সেইটো বৰ শলাগিব-

লগীয়া। বিনামূলীয়াকৈ পাঠ্য পুথি, পোচাক আদি দিয়াৰ যিটো ব্যৱস্থা কৰা হৈছে তাৰ কাৰণে মই ভাবো আমাৰ কণ-কণ ছাত্ৰ-ছাত্ৰী বিলাকে শিক্ষাদানৰ ক্ষেত্ৰত নিশ্চই উপকৃত হব। এইখিনিতে মই এটা কথা কব খুজিছো যে আমাৰ যিবিলাক স্কুল স্থাপিত হৈছে, আগৰ চৰকাৰে এই স্কুল সমূহত যিবিলাক শিক্ষক আছিল, সেই শিক্ষক সকলকহে চৰকাৰীকৰন কৰিছে। কিন্তু আমি ভাবো অকল শিক্ষক সকলক চৰকাৰীকৰণ কৰিলে নহয়, এই স্কুলৰ লগতে সম্পৰ্ক ৰাখি শিক্ষক, স্কুল ঘৰ, বহা আচবাব নাইবা স্কুলৰ চাৰিওফালৰ কম্পাউণ্ড, লাগতিয়াল বস্তুৰ-বিষয়ে, সকলোবিলাক চৰকাৰীকৰণ কৰিব লাগিব। কাৰণ আমাৰ গাওঁ অঞ্চলত যিবিলাক স্কুলৰ ব্যৱস্থা আছে, সঁচাকৈ সেই স্কুলবিলাকৰ অৱস্থা দেখিলে বৰ দুখ লাগে। কিছুমান স্কুলত ঘৰৰ বেৰ আছে, কিন্তু তাৰ ওপৰৰ চালি নাই। কিছু-মানৰ চাল আছে কিন্তু বেৰ নাই। যেতিয়া ৰাইজক প্ৰশ্ন কৰা যায় যে এই স্কুলখনৰ অৱস্থা কিয় এনে হৈছে, তেতিয়া তেওঁলোকে কয় "এই স্কুলখন চৰকাৰে লৈছে। এতিয়া আমাৰ দায়িত্ব নাই।" এনে ধৰণৰ কথা হৈছে। গতিকে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যাতে এই স্কুল সমূহৰ এতিয়া ব্যৱস্থা হাতত লয়।

ইয়াৰ পিচত মই শিক্ষা বিষয়ে কিছুমান আগৰ পৰা চলি অহা বেমে-জালিৰ কথা কব খুজিছো। আমাৰ প্ৰাইমাৰী স্কুলৰ পৰা হাইস্কুললৈকে যিবিলাক শিক্ষক আছে তেওঁলোকক ইমান অনিয়মিত ভাবে দৰমহা দিয়ে সেইটো বৰ দুখঃ জনক। আজি এবছৰ, দুইবছৰ শিক্ষক সকলে দৰমহা পোৱা নাই। বৰপেটা চাব্‌ডিভিজন, নলবাৰী চাব্‌ডিভিজনৰ কথাকে কব খুজিছো। তাত শিক্ষকসকলক অনিয়মিত ভাবে দৰমহা দিয়া হয়। তেওঁলোকে যিখিনি সা-সুবিধা পাব লাগে সেইখিনি পোৱা নাই। গতিকে তেওঁলোকক সেই সকলো সা-সুবিধা দিব লাগে। আনফালে এটা বৰ দুখৰ কথা হৈছে যে জনজাতি অঞ্চলত যিখিনি স্কুল আছে তাত বড়ো শিক্ষক বুলিবৰ নাই। সেই স্কুল বিলাকত বড়ো মাধ্যমৰ শিক্ষকে বহু বছৰ ধৰি খাটি আছে, কিন্তু সেই স্কুলবিলাকত চৰকাৰী ধৰণে মঞ্জুৰী দিয়া নাই। গতিকে মই এই সকলো বিলাক সা-সুবিধা দিবৰ কাৰণে শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

ইয়াৰ পিচত মই কৃষি সম্পৰ্কে কব বিচাৰিছো। আমাৰ অসমৰ ৰাইজে কৃষিৰ ওপৰত গুৰুত্ব দিব লাগে। আমাৰ কৃষক সকলে অধিক শস্য উৎপাদন কৰিবৰ কাৰণে চেষ্টা দি আছে। কিন্তু তেওঁলোকে অধিক শস্য উৎপাদন কৰিবৰ কাৰণে যিখিনি সা-সুবিধা পাব লাগে সেইখিনি পোৱা নাই। কৃষকৰ অধিক শস্য উৎপাদনৰ ক্ষেত্ৰত এগ্ৰিকেলচাৰ ডিপাৰ্টমেণ্টৰ ওপৰত নিৰ্ভৰ কৰে। এই এগ্ৰিকেলচাৰ ডিপাৰ্টমেণ্টৰ পৰা কৃষক সকলে যিখিনি সা-সুবিধা পাব লাগে, সেইখিনি পোৱা নাই। আনফালে বানপানীত যিবিলাক অসুবিধা পোৱা যায় আৰু আগৰ চৰকাৰে এই বিষয়ে যি ৰচনা কৰিছে সেইটো একেবাৰে দুখলগা। আমাৰ ইৰিগেশ্বন প্ৰজেক্ট আছে। সেইটো বাৰিষা কালত ব্যৱহাৰ হোৱা দেখা যায়, কিন্তু খৰালি কালত নহয়। বাৰিষা যি পানী আহিব খৰাং বতৰত সেই পানী পোৱা নেযায়। গতিকে আমাৰ খেতিয়ক সকলে বানপানীত যিখিনি শস্য উৎপাদন কৰিব লাগে সেইখিনি উৎপাদন কৰিব পৰা নাই।

আমি আৰু এটা কথাত লক্ষ্য কৰিব লাগিব। সেইটো হৈছে বৰপেটা জিলা গোৱালপাৰা আদি জিলাত গৰাখহনীয়া আৰু উলোটাই খণ্ডা। এইবিলাক দেখিলে বৰ দুখ লাগে। এইবিলাকৰ কাৰণে হাজাৰ হাজাৰ বিঘা খেতিৰ মাটি নষ্ট হৈছে। এনেকুৱা বিভিন্ন সমস্যা দূৰ কৰি আমাৰ খেতিয়ক সকলক সুবিধা দিব লাগে। খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা কৰিব লাগে। এই যি উলটাই খণ্ডা আৰু গৰাখহনীয়া তাৰ ব্যৱস্থা কৰিব লাগে। মই আশা ৰাখিছো আমাৰ কৃষি মন্ত্ৰী, বান মন্ত্ৰী মহোদয়ে এই আটাইবিলাক সমস্যা দূৰ কৰি কৃষিৰ কাৰণে খেতিয়ক সকলক সুবিধা দিয়ে।

মই আজি দেখিবলৈ পাইছো যে বেছিভাগ মানুহে চহৰমুখী হয়। গতিকে তেওঁলোকক চহৰমুখী নকৰি গাওঁমুখী কৰি গাৱলীয়া পিচপৰা অঞ্চলত যিবিলাক নিবনুৱা যুৱক-যুৱতী আছে তেওঁলোকক যাতে চাকৰি বাকৰি দিয়াৰ চেষ্টা কৰে, এইখিনি মই আশা ৰাখিছো। সদৌ শেষত আমাৰ বাজেটখনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত মুখ্যমন্ত্ৰী :** মাননীয় অধ্যক্ষ মহোদয়, বাজেটৰ সাধাৰণ আলোচনাত ভাগলোৱা মাননীয় সদস্য সকলক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। তেখেত সকলে আগবঢ়োৱা সাকুৱা আলোচনা আৰু তাৰ জৰিয়তে

ডাঙিধৰা মূল্যৱান দিহা পৰামৰ্শই আমাক অনুপ্ৰাণিত আৰু উপকৃত কৰিছে। আলোচনা প্ৰসংগত মাননীয় সদস্য সকলে উত্থাপন কৰা বিভিন্ন বিষয় চৰকাৰে যথাযোগ্য গুৰুত্ব সহকাৰে বিবেচনা নকৰাকৈ নাথাকে।

বাজেটৰ আলোচনা প্ৰসঙ্গত মাননীয় সদস্য সকলে উল্লেখ কৰা কেতবোৰ বিষয়ত চৰকাৰৰ নীতি আৰু কৰ্মসূচী সম্পৰ্কে এই সুযোগতে মই থুলমুল আভাস ডাঙি ধৰিবলৈ যত্ন কৰিম। কিন্তু পোনপ্ৰথমতে মই সদনক সবিনয়ে জনাব খোজো যে বাজেটত কেতবোৰ আসোঁৱাহ থকা বুলি মাননীয় সদস্য শ্ৰীশান্তিৰঞ্জন দাসগুপ্তই কৰা আশংকা একেবাৰে অমূলক। বাজেটত ৪১'২৯ কোটি টকাৰ হিচাব এটা নথকা বুলিও এই প্ৰসংগতে উল্লেখ কৰা হৈছিল। মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু দে আৰু আব্দুল হামিদ চৌধুৰীয়েও একেধৰণৰ আশংকা প্ৰকাশ কৰিছিল।

অধ্যক্ষ মহোদয়, প্ৰতিবছৰেই একেধৰণৰ নিয়ম পৰম্পৰাৰ মাজেদিয়েই বাজেট যুগোতোৰা হয় আৰু সংবিধানৰ ২০২ ধাৰাৰ ব্যৱস্থা অনুসাৰে সেই বাজেট সদনত উত্থাপন কৰা হয়। এইবাৰৰ বাজেটৰ বেলিকাও তাৰ কণমানো ব্যতিক্ৰম হোৱা নাই। মাননীয় সদস্যসকলে নিশ্চয় মন কৰিছে যে বাৰ্ষিক বিত্তীয় প্ৰবিবৰণীত একত্ৰিত নিধিৰ অনুমানিক প্ৰাপ্তি আৰু ব্যয়ৰ হিচাব দেখুৱা হৈছে আৰু ব্যয়ৰ হিচাব 'ভোটেদ' আৰু 'চাৰ্জত' তথা ৰাজহ মূলধন শিতানত বেলেগে বেলেগে দেখুৱা হৈছে। সংবিধানৰ উল্লেখিত ধাৰাত থকা ব্যৱস্থাও তেনেকুৱাই। সেই অনুসাৰে এই বিবৰণীত চৰকাৰৰ প্ৰকৃত দায়-দায়িত্ব অনুমানিক হিচাবেহে আচলতে প্ৰতিফলিত হৈছে। আনহাতে দাবী মঞ্জুৰীৰ পৰিমাণটো সাধাৰনতেই তাতকৈ অধিক হয় আৰু সদনৰ অনুমোদন হৈ সেই পৰিমানৰ ধনকেই একত্ৰিত নিধিৰ পৰা লোৱাৰ সম্ভাৱনা থাকে। কোনো কোনো ক্ষেত্ৰত এই দাবী মঞ্জুৰীয়ে কেবাটাও হিচাবৰ শিতান সামৰি থয়। কেতবোৰ দাবী মঞ্জুৰীৰ বেলিকা প্ৰথমতে কৰা ব্যয়ৰ অংশ অন্য হিচাপত বা মঞ্জুৰীত সামৰি ললে সেই ক্ষেত্ৰত প্ৰকৃত দায়-দায়িত্ব হ্ৰাস পাব পাৰে আৰু তেনে ক্ষেত্ৰত সেই দাবী মঞ্জুৰীৰ অধীনত প্ৰকৃত ব্যয়ৰ পৰিমানো কমি আহিব। কিন্তু তেনে দাবী মঞ্জুৰীত পোনতে সম্পূৰ্ণ পৰিমাণৰ ধনকে ব্যয় কৰিবলগা হব পাৰে। আৰু যিহেতু সদনৰ অনুমোদন অবিহনে চৰকাৰে অৰ্থ ব্যয় কৰিব নোৱাৰে, সেয়ে গোটেইখিনি ব্যয়ৰ বাবেই সদনত দাবী মঞ্জুৰী উত্থাপন কৰা হয়। এই ধৰনেই ১৯৮৬-৮৭ চনৰ দাবী আৰু বিনি-

য়োজন সূচীত দেখুৱা ২১৮৯ কোটি ৫৩ লাখ ০৪ হেজাৰ টকাৰ মুঠ আনুমানিক ব্যয়ৰ পৰা ৪১ কোটি ২৯ লাখ ০৪ হেজাৰ টকা হ্ৰাস পাব পাৰে বুলি অনুমান কৰা হৈছে ।

মুঠ ব্যয়ৰ পৰা এই ৪১ কোটি ২৯ লাখ ০৪ হেজাৰ টকা হ্ৰাস পোৱাৰ পিচত একত্ৰিত নিধিৰ পৰা প্ৰকৃত ব্যয়ৰ পৰিমান হবলৈ ২১৪০ কোটি ২৪ লাখ ৩৮ হেজাৰ টকা । বাৰ্ষিক বিত্তীয় প্ৰবিবৰণত ৪৫ পৃষ্ঠাত হেজাৰ টকাৰ হিচাবত 'ভোটেদ' আৰু 'চাৰ্জদ' মিলাই এই ব্যয়ৰ পৰিমানকে দেখুৱা হৈছে । বাজেট ভাষণৰ পৰিশিষ্টতো ৰাজহ শিতানত ১১০ কোটি ০৮ লাখ ২৬ হেজাৰ টকা আৰু মূলধন শিতানত ১০৩৯ কোটি ১৬ লাখ ১২ হেজাৰ টকা অৰ্থ্যাৎ মুঠ ২১৪০ কোটি ২৪ লাখ ৩৮ হেজাৰ টকাৰ একে ব্যয়কে দেখুৱা হৈছে । 'মেমৰে-ডাম অব বাজেট এষ্টিমেত'ৰ ৬৫-৮২ পৃষ্ঠাৰ ১ নং বিবৃতিত ৪১ কোটি ২৯ লাখ ০৪ হেজাৰ টকাৰ এই ব্যয় সংকোচনৰ হিচাপটো বেলেগ বেলেগ খৰচৰ শিতানত বেলেগে বেলেগে দেখুৱা হৈছে । 'ভোটেদ' আৰু 'চাৰ্জদ' হিচাবে তাত দেখুওৱা মুঠ ব্যয়ৰ পৰিমানো বাৰ্ষিক বিত্তীয় প্ৰবিবৰণীত দেখুৱা হিচাপৰ লগত একে আৰু তাত দেখুওৱা সৰ্ব্বমুঠ হিচাবো আগতে উল্লেখথকাৰ দৰেই দাবী মঞ্জুৰীৰ সাৰাংশৰ লগত একে । এই ব্যয় হ্ৰাস সম্পৰ্কে বিশদ তথ্য মাননীয় সদস্য সকলে দ্বিতীয় খণ্ডৰ যথাক্ৰমে ১,২,৬,৭,৮,৯,১০,১৩,১৯ আৰু ২০নং অংশত দেখিবলৈ পাব ।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅৰ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই বন সম্পৰ্কীয় ৫৫ নং দাবী মঞ্জুৰী আসোঁৱাহ থকা বুলি উল্লেখ কৰিছিল । বন সম্পৰ্কীয় মঞ্জুৰীত মুঠ ৪৩ কোটি ৯৫ লাখ ২৪ হেজাৰ দাবী সদনৰ অনুমোদনৰ বাবে দিয়া হৈছে । বাৰ্ষিক বিত্তীয় প্ৰবিৱৰণত ৫৫-৩১৩-বন এই শিতানত 'ভোটেদ' ব্যয় হিচাবে মুঠ ৩৬ কোটি ৯৫ লাখ ২৪ হেজাৰ টকা দেখা হৈছে । আচলতে ইয়াৰ কাৰণ হৈছে ইতিমধ্যে উল্লেখ কৰি অহা ধৰণেৰে আনুমানিক ৭ কোটি টকাৰ ব্যয় হ্ৰাস পোৱাটো । দ্বিতীয় খণ্ডৰ ১৯ নং অংশত ৫৫ নং মঞ্জুৰীৰ ২৩ পৃষ্ঠাত এই সম্পৰ্কে উল্লেখ কৰা হৈছে ।

সেই মতে অনুমোদন বিচৰা ব্যয়ৰ পৰিমান বেছি হলেও শেষত গৈ সি বাৰ্ষিক বিত্তীয় বিবৰণী আৰু বাজেট ভাষণৰ পৰিশিষ্টত দেখুওৱা হিচাপতে ৰবগৈ । গতিকে সৰ্বমুঠ ব্যয়ৰ অনুমোদন পোৱা গলেও বাজেটৰ ঘাটি এতিয়া দেখুৱাতকৈ

৪১'২৯ কোটি টকা বেছি হব বুলি ভবাটো অমূলক আশংকাহে হব। একেদৰে এই অমূলক আশংকাৰ ভেটিতে বাজেটখন জধেমধে উত্থাপন কৰা আৰু ৪১'২৯ কোটি টকাৰ হিচাব লুকুৱা বুলি কোৱাটো ঠিক কথা নহয়। বৰঞ্চ প্ৰত্যেক শীৰ্ষ শিতানত মূঠ ব্যয় যোগ কৰি দেখুওৱাৰ পৰিবৰ্ত্তে দাবী মঞ্জুৰীৰ সাৰাংশত খৰচৰ বেলেগ বেলেগ শিতানত ব্যয়ৰ হিচাপ ভাঙি ভাঙি অধিক পৰিস্কাৰকৈয়ে দেখুওৱা হৈছে। যি বিলাক আঁচনি আৰু কাম কাজৰ বাবে অৰ্থ ব্যয় কৰিবলৈ সদনৰ অনুমোদন বিচৰা হৈছে, সেইবোৰ আঁচনি আৰু কামকাজৰ বিষয়ে ভালকৈ বুজাত সুবিধা হব বুলিয়েই এনে কৰা হৈছে। মাননীয় সদস্য সকলে নিশ্চয় মনত পেলাব যে কেন্দ্ৰীয় চৰকাৰৰ সাধাৰণ বিত্তীয় নিয়ম ১৯৬৩ চনৰ ৪৭ নং বিধিটো সৰ্ব্বমুঠ ব্যয়ৰ বাবে দাবী মঞ্জুৰী উত্থাপনৰ বাবে স্পষ্টকৈ কোৱা আছে। অসম চৰকাৰৰ বাজেট মেনুৱেলৰটো ৭৪ অনুচ্ছেদটো কোৱা আছে যে বাৰ্ষিক বিত্তীয় বিবৰণীত হিচাবৰ শীৰ্ষ শিতানৰ মতে প্ৰাপ্তি আৰু ব্যয়ৰ হিচাব দেখুৱাৰ লাগে আৰু 'নেট' অৰ্থাৎ প্ৰকৃত ব্যয়ৰ হিচাপো 'ভোটেদ' আৰু চাৰ্জ্জ'দ' আৰু সাধাৰণ এলেকা আৰু ৬ষ্ঠ অনুসূচী (প্ৰথম অংশ) এলেকাৰ বাবে বেলেগে বেলেগে দেখুৱাব লাগে। আন হাতে দাবী মঞ্জুৰী সৰ্ব্বমুঠ ব্যয় বা 'গ্ৰছ এক্সপেণ্ডিচাৰ' বাবে হব লাগে বুলিও ইয়াত কোৱা আছে। আগতে উল্লেখ কৰা হৈছে যে সংসদতো একে ব্যৱস্থাকে অনুসৰণ কৰা হয়। ভাৰত চৰকাৰৰ 'কে টো দি বাজেট ডকুমেণ্টচ' নামৰ পুস্তিকাত ১৪ অনুচ্ছেদত কৈছে। I quote from "Key to the Budget Docuemnts" of Govt. of India-"Under the present accounting and budgetary procedures, certain classes of receipts, like payments made by one department to another and receipts of capital projects or schemes are taken in reduction of the expenditure of the receiving department. The estimates of expenditure included in the budget statement are for the net expenditure as will be reflected in the accounts, that is, after taking into account the recoveries. The estimates of expenditure included in the Demands for Grants are, however, for the gross amounts.

Annexure III to the Explanatory Memorandum on the Budget analyses the gross amounts of expenditure shown in the various demands for Grants, the recoveries taken in reduction of the expenditure and the net amounts of expenditure shown in the Budget statement."

অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলৰ আৰু বিষেশকৈ সদনৰ অভিজ্ঞ সদস্য সকলৰ গঠনমূলক সমালোচনাক আমি সদায়েই আগ্ৰহ আৰু শ্ৰদ্ধাৰে আদৰি লম। কিন্তু চৰকাৰে সদনক গুৰুত্ব দিয়া নাই আৰু তেনেই অশুদ্ধ বাজেট এখন সদনত ডাঙি ধৰা হৈছে বুলি কেইগৰাকীমান সদস্যই ধাৰণা এটা সৃষ্টি কৰিব খোজাটো অতিকৈ দুৰ্ভাগ্যজনক কথা হৈছে। তেখেত সকলে সৃষ্টি কৰিব খোজা এই ধাৰণাৰ কণমানো ভেটি নাই। বাজেট সম্পৰ্কীয় নিয়ম নীতিৰ পৰা চৰকাৰে ফালৰি কটা নাই আৰু কোনো তথ্য ইচ্ছাকৃত ভাৱে লুকুৱাৰ কথাটোও তেনেই ভিত্তিহীন।

অধ্যক্ষ মহোদয়, বাজেটৰ আলোচনা প্ৰসংগত আন কেইগৰাকীমান মাননীয় সদস্যই ডাঙি ধৰা কেটবোৰ বিষয়টো দুষাৰমান কথা কবলৈ মই আপোনাৰ অনুমতি বিচাৰিছো। কেইগৰাকীমান সদস্যই আৰু বিশেষকৈ শ্ৰীআবদুল মহিব মজুমদাৰ ডাঙৰীয়াই উল্লেখ কৰিছে যে মুঠ ৬৯ টা দাবীৰ মঞ্জুৰীৰ ভিতৰত বাজেট ভাষণত মাত্ৰ ৫ টাহে সামৰা হৈছে। শ্ৰীচফিকুল হক ডাঙৰীয়া আৰু মাননীয় সদস্য শ্ৰীচমন আলিয়েও বাজেট ভাষণত বাননিয়ন্ত্ৰনৰ উল্লেখ নথকাত ক্ষোভ প্ৰকাশ কৰিছে। আচলতে বাজেট উত্থাপন কৰোতে সদনৰ আগত মই যিখিনি বক্তব্য ডাঙি ধৰিছিলো তাৰ যোগেদি বৰ্ত্তমান চৰকাৰৰ নীতি আৰু মনোভাৱৰ এটা ইঙ্গিতহে দিবলৈ বিচৰা হৈছে। বাজেট উত্থাপন কৰি দিয়া ভাষণত সকলোবোৰ বিষয়ৰ বিষদ আলোচনাৰ অৱকাশ নাথাকে। কিন্তু বাজেট ভাষণত উল্লেখ থাকক বা নাথাকক, ৰাজ্যখনৰ সৰ্বাংগিন কল্যাণ আৰু বিকাশৰ বাবে আৰ্থ সামাজিক জীৱনৰ কোনোটো দিশেই গুৰুত্বহীন নহয়। কল্যাণ আৰু বিকাশৰ প্ৰশ্নটো এটা সামগ্ৰিক প্ৰশ্ন। তাক ক্ষেত্ৰ বিশেষত ভগাই ইটোক আনটোৰ পৰা বিচিন্ন কৰি চাব নোৱাৰি। নতুন চৰকাৰে যুগুত কৰা প্ৰথম বাজেটখনত এই উপলব্ধিৰে প্ৰতিফলিত কৰিবলৈ বিচৰা হৈছে আৰু একে

ধৰণেৰে সামগ্ৰীক দৃষ্টি ভংগীৰেই মাননীয় সদস্য সকলেও বাজেট প্ৰস্তাৱ সমূহ বিবেচনা কৰিব বুলি আমি আশা ৰাখিছো।

কেইগৰাকীমান মাননীয় সদস্যই এই বুলিও আশংকা প্ৰকাশ কৰিছে যে চৰকাৰে কুৰি দফীয়া আচনিৰ কল্যাণমূলক কাম কাজত অৱহেলা দেখুৱাইছে। এই কথাও আচলতে সচাঁ নহয়। দৰিদ্ৰতাৰ জটিল সমস্যাটোৰ বিষয়ে চৰকাৰ অতিকৈ সচেটন আৰু দৰিদ্ৰতা মোচনৰ বাবে চৰকাৰে আশাসুধীয়া প্ৰচেষ্টা চলাই যাব। আচলতে চৰকাৰৰ সকলোবোৰ আঁচনি আৰু কাম কাজৰ মূল উদ্দেশ্য হৈছে দৰিদ্ৰতা নিৰ্মুল কৰি সুখ আৰু সমৃদ্ধিৰ বাটেদি ৰাইজক আগবঢ়াই নিয়াটো। সেই বাবেই কুৰি দফীয়া আচনিৰ অন্তভুক্ত কাৰ্য্যসুচী সমূহকো চৰকাৰে আওহেলা নকৰে। দৰিদ্ৰতা মোচনৰ কেন্দ্ৰীয় আচনি সমুহৰ বিষয়ে বাজেট ভষণৰ উল্লেখ কৰা হৈছিল। নিয়োগ সম্ভাৱনা বঢ়াব পৰা আচনিৰ জৰিয়তে দৰিদ্ৰতা মোচনৰ কাৰ্যসুচীৰ কথাও ইতিমধ্যে উল্লেখ কৰা হৈছে। ক্ষুদ্ৰ উদ্যোগত গ্ৰাম্য উদ্যোগত চৰকাৰে দিব খোজা গুৰুত্বৰ ইঙ্গিটো মাননীয় সদস্য সকলে নিশ্চয় নোপোৱাকৈ থকা নাই। একে ধৰণেৰেই কৃষি ক্ষেত্ৰটো চৰকাৰে বিষেশ গুৰুত্ব দিছে আৰু কৃষিৰ উত্‌পাদন বঢ়াবলৈ সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। অৱশে আগতে উল্লেখ কৰা ধৰণেৰে বিকাশৰ প্ৰশ্নটো এটা সামগ্ৰীক প্ৰশ্ন আৰু ইয়াৰ বাবে বিভিন্ন বিভাগৰ মাজত সমন্বয় সাধনৰ বাবেও সেয়ে চৰকাৰে যত্ন কৰিছিল। এই প্ৰসংগত শ্ৰীচৰন নাজাৰি ডাঙৰীয়াইও তেনে সমন্বয়ৰ বাবে প্ৰাসংগ্ৰিক পৰামৰ্শ এটা আগবঢ়াইছিল, তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো।

বহুকেইগৰাকী সদস্যই ৬ৰ পৰা ১৩ বছৰ বয়সৰ ছাত্ৰ ছাত্ৰীলৈ বিনামূলীয়া পাঠ্য পুথি আৰু ইউনিফৰ্ম বিতৰণৰ আঁচনিখনৰ বিষয়ে মন্তব্য দিছে। কিন্তু শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰয়াস আৰু প্ৰচেষ্টা এই এখন আচঁনিৰ ভিতৰতেই সীমাবদ্ধ নহয়। মাননীয় সদস্যসকলে নিশ্চয় মন কৰিছে যে বাজেটৰ ভিতৰত আটাইতকৈ বেচি ধনৰ ব্যৱস্থা ৰখা হৈছে শিক্ষাৰ ক্ষেত্ৰতেই। আৰু চৰকাৰৰ প্ৰচেষ্টায়ো স্বাভাবিক ভাবে শিক্ষাৰ ক্ষেত্ৰত সকলোবোৰ দিশ সামৰি লব। স্কুল ঘৰ পুনৰ নিৰ্ম্মান, শিক্ষক প্ৰশিক্ষন ইত্যাদি কেটবোৰ কাৰ্য্যসুচীৰ বিষয়ে মাননীয় সদস্য সকলে জানিব পাৰিছে। শিক্ষাৰ উত্‌কৰ্শ সাধন আৰু বিকাশৰ বাবে

অন্যান্য কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰচেষ্টা চৰকাৰে হাতত নোলোৱাকৈ নাথাকে। মাননীয় সদস্য শ্ৰীচিল'ভিউচ কণ্ডপানে চাহ শ্ৰমিকৰ অৱস্থাৰ বিষয়ে উল্লেখ কৰিছিল। তেখেতে কোৱাৰ দৰে চাহ শ্ৰমিকৰ স্বাৰ্থক চৰকাৰে আওকান কৰাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। অসমৰ সকলো শ্ৰেণীৰ ৰাইজৰ কল্যাণ আৰু বিকাশৰ বাবে চৰকাৰে সমানেই উতবিল্ল আৰু জাতি ধৰ্ম্ম নিৰ্বিশেষে সকলো ৰাইজে যাতে সমানে আগবাঢ়িব পাৰে তাৰ বাবে চৰকাৰ সদায়েই সচেতন হৈ থাকিব। এই ক্ষেত্ৰত চাহ শ্ৰমিকৰ বিশেষ ধৰণৰ সমস্যা সমূহে চৰকাৰৰ বিশেষ মনোযোগ কেতিয়াও নোপোৱাকৈ নাথাকে।

মাননীয় সদস্য শ্ৰীৰমেশ্বৰ চৰকাৰ, শ্ৰীমকবুল হুচেইন আৰু শ্ৰীচইদুল ইচলামে বাজেটখনক হতাশজনক বুলি আক্ষেপ প্ৰকাশ কৰিছিল। এই মাত্ৰ কৈ অহাৰ দৰেই তেখেত সকলকো মৰো সবিনয়ে জনাব খুজিছো যে ৰাজ্যখনৰ কোনো জাতি ধৰ্ম্ম বা ভাষাৰ গোষ্ঠিৰ স্বাৰ্থকেই চৰকাৰে কেতিয়াও আওকান নকৰে। অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ প্ৰকৃত স্বাৰ্থও যথোচিত ভাবে সুৰক্ষিত কৰা হব, আৰু সকলো শ্ৰেণীৰ ৰাইজৰ মাজত শান্তি আৰু সৌহাৰ্দ্দৰ সম্পৰ্ক গঢ়ি তুলিবৰ বাবেও চৰকাৰে যত্নৰ ত্ৰুটী নকৰে।

মাননীয় সদস্য শ্ৰীশৰত চন্দ্ৰ সিংহ, শ্ৰীআলটাফ হুচেইন মজুমদাৰৰ উপৰিও আন কেইগৰাকীমান সদস্যই আলোচনা প্ৰসংগত আশংকা প্ৰকাশ কৰিছে যে অসম চুক্তিৰ ৰূপায়নে সমাজৰ কোনো শ্ৰেণীৰ ৰাইজক আহুকালত পেলাব। মাননীয় সদস্য শ্ৰীস্বৰূপ উপাধ্যায়ে আশংকা প্ৰকাশ কৰিছিল যে চুক্তিখন ৰূপায়ন কৰোতে অন্যায় অবিচাৰ হব পাৰে। আন এগৰাকী সদস্য শ্ৰীজব্বৰ আলি চাহাবে অসম চুক্তিয়ে বিভাজনৰ সৃষ্টি কৰিব পাৰে বুলিও আশংকা কৰিছে। তেখেত সকলক মই পুনৰ জনাব খুজিছো যে অসম চুক্তি কোনো সম্প্ৰদায় বিশেষৰ বিৰুদ্ধে নহয় আৰু আমাৰ চৰকাৰে এই কথা পৰিস্কাৰ ভাবে ঘোষণা কৰি আহিছে। মই এই সুযোগতে আকৌ দোহাৰিব খুজিছো যে অসম চুক্তিৰ ৰূপায়ণে সংখ্যালঘু বা কোনো শ্ৰেণীৰ ৰাইজকে আহুকালত নেপেলায় আৰু সেই ক্ষেত্ৰত কোনেও কোনো ধৰণৰ শংকাৰ ভাব মনত ৰখা সমীচিন নহব।

কেইবাগৰাকীও মাননীয় সদস্যাই চৰকাৰৰ কেতবোৰ উচ্ছেদ কাৰ্য্যৰ বিষয়ে ভাষণ প্ৰসংগত উল্লেখ কৰিছে। কোনো ধৰণৰ উচ্ছেদ কাৰ্য্যই চৰকাৰৰ বাবে আনন্দৰ বিষয় হব নোৱাৰে আৰু উচ্ছেদ কৰিবলৈ কোনো ধৰণৰ বেদখলকাৰী নথকা হলেই চৰকাৰ সুখী হলহেতেন। দুভাগ্যবসত: চৰকাৰী মাটি ব্যাপক ধৰণেৰে বেদখলৰ কবলত আছে আৰু মাননীয় সদস্য সকল নিশ্চয় এই কৰ্মত মোৰ লগত একমত হব যে চৰকাৰী মাটিৰ বেদখল চলি থাকিবলৈ দিব নোৱাৰি। একে ধৰণেৰে ৰাজ্যখনৰ কল্যাণ আৰু বিকাশৰ ঠাইত আৰু প্ৰাকৃতিক ভাৰসাম্য অখুন্ন ৰখাৰ জৰুৰী প্ৰয়োজনত আমাৰ বনানঞ্চলো বেদখলমুক্ত কৰি নাৰাখিলে নহব। এই প্ৰসঙ্গত মাননীয় সদস্য শ্ৰীচৰন নাজাৰিয়ে ভূমীহীন জনজাতীয় লোক, জনজাতীয় বেল্টনীৰ সুৰক্ষা আদিৰ সম্পৰ্কে যিখিনি বক্তব্য ডাঙি ধৰিছিল, সেইখিনি চৰকাৰে যথোচিত গুৰুত্ব সহকাৰে বিবেচনা কৰিব। চৰকাৰে বিভিন্ন প্ৰসংগত জনাই আহিছে যে অসমৰ সকলো শ্ৰেণীৰ ৰাইজৰ সমবিকাশেই চৰকাৰৰ নীতি আৰু সাধাৰণতে জনজাতীয় ৰাইজৰ বিশেষ ধৰণৰ সমস্যা সমূহৰ বিষয়ে আমি বিশেষ ভাৱে সহানুভুতিশীল আৰু উতবিগ্ন।

বাজেটৰ আলোচনা প্ৰসংগত দুই এগৰাকী মাননীয় সদস্যাই ভাষাৰ বিষয়টো সামৰি লৈছে। ৰাজ্য ভাষা প্ৰসাৰৰ বাবে আৰু সেই ভাষা শিকাৰ সুবিধা নোপোৱা ৰাইজক সুযোগ সুবিধা দিবলৈ চৰকাৰে ব্যৱস্থা লোৱা অৰ্থ এইটো নহয় যে চৰকাৰে বৰো বা ৰাজ্যৰ অন্যান্য সম্পদায়ৰ আন আন ভাষাক অৱহেলা কৰিছে। ভাষাৰ প্ৰশ্নটো বৰ স্পৰ্শকাটৰ আৰু সেয়ে এই ক্ষেত্ৰত সকলো দিশ শুদ্ধকৈ বিচাৰ আৰু বিবেচনা কৰাটো গুৰুত্বপুৰ্ণ কথা। সমাজৰ সকলো শ্ৰেণীৰ ৰাইজে যাতে একগোট হৈ থাকিব পাৰে আৰু একেলগে ৰাজ্যখনৰ বিকাশৰ প্ৰচেণ্টাৰ ভাগ লব পাৰে তাৰ বাবেহে আমি আটায়ে সম্মিলিত ভাৱে যত্ন কৰিব লাগে। জাতি ধৰ্ম ভাষাৰ নামত ৰাইজক ভাগ ভাগ কৰিবলৈ চলোৱা যি কোনো চেণ্টাই ৰাজ্যখনৰ সকলোৰে অনিণ্টহে কৰিব। মাননীয় সদস্য শ্ৰী এ এফ গোলাম ওচমানীয়ে চৰকাৰৰ কাৰ্য্য ব্যৱস্থাৰ ফলত বিভিন্ন গোণ্ঠীৰ মাজত সংঘাট হব পাৰে বুলি আশংকা কৰিছে। তেখেতক আমি আশ্বস্ত কৰিব খোজো যে চৰকাৰে সাম্প্ৰদায়িক উত্তেজনাক প্ৰশ্ৰয় নিদিয়ে আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে অহৰহ যত্ন কৰি যাব। সেই সন্দৰ্ভত মাননীয় সদস্য শ্ৰীচাম সিং

ছান্সে সকলোৰে ঐক্যৰ বাবে জনোৱা সময় উপযোগী আহবানৰ বাবে মই তেখেতলৈ ধন্যবাদ জনাইছো।

মাননীয় সদস্য শ্ৰীভবেন নাৰ্জি, ভদ্ৰেশ্বৰ তামূলী, কুসুম্বৰ গগৈ আদিয়ে বিভিন্ন দিশত কল্যাণমূলক দিহা পৰামৰ্শ আগবঢ়াইছে তেখেত সকলৰ পৰামৰ্শ-সমূহ আমি গুৰুত্ব সহকাৰে বিবেচনা কৰিম। তাৰ পিছত বাজেট আলোচনাত ভাগ লৈ মাননীয় সদস্য শ্ৰীদেব বৰা, শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, শ্ৰীনইছুল ইচলাম বৰা, শ্ৰীঅভিজিত শৰ্ম্মা, শ্ৰীকামাখ্যা চৰণ চৌধুৰী শ্ৰীপ্ৰফুল্ল গোস্বামী আদিয়ে বাজেটৰ বিভিন্ন দিশত মূল্যবান দিহা পৰামৰ্শ আগবঢ়াইছে আৰু শ্ৰীআনিনুল ইচলাম আৰু শ্ৰীৰামেন্দ্ৰ দে আদিয়ে কেতবোৰ বিষয় উত্থাপন কৰিছে আৰু দিহা পৰামৰ্শও আগ বঢ়াইছে চৰকাৰে এই পৰামৰ্শবিলাক গভীৰ ভাবে বিবেচনা কৰিব। মাননীয় সদস্য শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোহাই, শ্ৰীজয়নাথ শৰ্ম্মাই যি সমূহ পৰামৰ্শ আগবঢ়াইছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো সেই পৰামৰ্শ সমূহ আমি গ্ৰহণ কৰি কাৰ্য্যত খটুৱাবৰ যত্ন কৰিম। মাননীয় সদস্য শ্ৰীবিনয় কুঙ্গুৰ বসুমতাৰীয়ে কৃষিৰ ক্ষেত্ৰত আৰু তামুলপুৰত জনজাতিৰ লোক সকলক উচ্ছেদ কৰা ইত্যাদিৰ বিষয়ে উৎথাপন কৰিছে। মই আগতে কৈছো যে তামুলপুৰৰ লোক সকলক পুণঃ সংস্থাপন বিভাগে চোৱা চিতা কৰিব। মাননীয় সদস্য শ্ৰীউমেশ দাস ডাঙৰীয়াই অসমত কপাহী সূতাৰ উতপাদনৰ ওপৰত গুৰুত্ব দি সদনত পৰামৰ্শ আগবঢ়াইছে। এই বিষয়ে বিভাগীয় বিভাগটোৱে নিশ্চয় দৃষ্টি ৰাখিব। মাননীয় সদস্য শ্ৰীকুসুম্বৰ গগৈ, শ্ৰীমুক্তাৰ হুচেইন, আনিনুল ইচলাম আৰু শ্ৰীসুৰেণ স্বৰ্গীয়াৰীয়ে বাজেট বিতৰ্কত অংশ গ্ৰহণ কৰি যি সমূহ পৰামৰ্শ আগবঢ়াইছে তেখেত সকলক তাৰ কাৰণে ধন্যবাদ জনাইছো। শিক্ষাৰ ক্ষেত্ৰত বা ক্ৰিয়াৰ ক্ষেত্ৰত আমি ইতিমধ্যে ঘোষনা কৰিছো যে ১০০ খন স্কুলত টেবুল টেনিছ খেলাৰ সুবিধা দিয়াৰ সিদ্ধান্ত কৰা হৈছে। ক্ৰীয়াত এতিয়াও আমাৰ ল'ৰা ছোৱালী বিলাক সিমানদুৰ কৃতকাৰ্য্য হব পৰা নাই। তথাপি তাৰ মাজেদিয়ে অসমে ইতিমধ্যে বহুতো সুনাম অৰ্জন কৰিছে। বাকী খেলা সমূহতো যাতে বছৰে বছৰে আগবঢ়াই আনিব পাৰি তাৰ কাৰণে ক্ৰীড়া বিভাগে বিভিন্ন আচনি প্ৰস্তুত কৰি আছে।

মাননীয় অধ্যক্ষ মহোদয় বিভিন্ন সময়ত অসমৰ বিভিন্ন ঠাইত আক্ৰমণ বা তেনে ধৰণৰ কিছুমান ঘটনা ঘটিছে যিবোৰ ঘটনা চৰকাৰে কেতিয়াও মানি লব নোৱাৰে। তেনেকুৱা ক্ষেত্ৰত সামগ্ৰিক ভাবে ৰাজ্যখনৰ শান্তি শৃংখলা বজাই ৰাখিবৰ বাবে মই সকলো ৰাজনৈতিক দল আৰু ৰাইজক আহবান জনাইছো। লগতে মই অনুৰোধ কৰিছো যাতে বিভিন্ন ব্যক্তিয়ে বিভিন্ন ধৰণৰ ঘটনা ঘটাই তাকেই কিছুমান ৰাজনৈতিক বাতাবৰণ লৈ ৰাজনৈতিক গণ্ডিত সোমাব নোৱাৰে তাৰ চেষ্টা বিভিন্ন দল সমূহে কৰিব। গুৱাহাটী চহৰৰ ভিতৰতে এনে কেইটামান ঘটনা ঘটিছে যিবোৰ কথা মই সদনত উথাপন কৰিবলৈ ভাল পোৱা নাই। মদ বিচাৰি কেইজনমানে দোকানত গৈ হুলস্থুল কৰিছে আৰু যাৰ কাৰণে ৰাজনৈতিক বাতাবৰণৰ সৃষ্টি কৰিব বিচৰা হৈছিল বা ৰাজনৈতিক কালাৰ দিবলৈ চেষ্টা কৰা হৈছিল। য'ত এই সদনৰ সদস্যও জড়িত হৈছিল। সেয়ে মই কৈছো যে কোনোবা এ-জি-পিয়েই হওক বা কংগ্ৰেছ আই বা কংগ্ৰেছ এচয়েই হওক তেওঁলোকৰ প্ৰৰোচনাত পৰি এইবোৰ ঘটনা ঘটাতো অতি দুখজনক। মই এই বিষয়ে বেছি সমালোচনা কৰিবলৈ নাযাওঁ। মই পুনৰ দোহাৰিছো যেন বিভিন্ন ৰাজনৈতিক দলে শান্তি শৃংখলা বজাই ৰখাৰ বাবে আগবাঢ়ি আহে। বাজেট বিতৰ্ক আৰম্ভ কৰি মাননীয় সদস্যসকলে যি সমূহ পৰামৰ্শ আগবঢ়াইছে তাৰ কাৰণে মই সকলোলৈকে আন্তৰিক অভিনন্দন জনাইছো আৰু বাজেটখন অনুমোদন কৰি চৰকাৰক সহায় কৰিব বুলি আশা কৰিলো। ধন্যবাদ।

Shri Santi Ranjan Dasgupta : On a point of clarification. We have been supplied with an errata to-day. After sl.5.

২৫ কোটি টকা বাজেটত ধৰা হৈছে বুলি কৈছে। আগতে যে সাতত্ৰিশ কোটি হ'ল তাৰে দুই কোটি বাদ বত্ৰিশ লাখৰ উল্লেখ কৰিছে। পৃষ্ঠা ৭ত কৈছে সোতৰ কোটি টকাৰ ঠাইত সোতৰ লাখ ধৰা হব বুলি। এই যে পচিশ আৰু সোতৰ বিয়াল্লিশ কোটি নহয় জানো ?

Shri A. F. Goolam Osmani : On a point of clarification. It might be highly technical. But we are supposed to get

adquinted with the technical matter. Budget is the sum total of some money which comes to the Government coffer and consolidated fund is created there by of which some can be voted and some cannot be. Then a question comes how to spend that money ? On that account demands for grants come. Now the total responsibility is whether revenue or capital, the decision is made by the Government. What is about the discrepancy of 41 crores ? What are the technicalities of the matter. If it is technical let us try to learn it. Last year Rs. 100 crores was the budgetary sum and the Government at that time spent 20 crores in excess. Thus there is a deficit of Rs. 20 crores coming from the previous Government. Consequent deficit on this is also admitted by the Government. This 41 crores was shown as a demand to be voted through the legislature, but not shown in any account. After the discussion an errata has been issued. We are not quite experienced (voices from Treasury benches : we are experienced) and those officers would like to show it as highly technical and it is beyond the purview of the legislature taking advantage that some Ministers are new. Now an errata to the summary of demands for grants has been issued. I draw the attention of the hon'ble members Rs. 2,46,70 which was shown as plus by this errata this has been shown as minus. The whole amount is reduced. I draw the attention of the hon'ble members to this issue so that an examination may be made and these officers should be cautioned that when they prepare the paper they cannot get

away with anything. When we were Ministers our Secretaries used to say this is a highly technical matter. We should not forget this fact.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকী মোৰ বোধেৰে আগৰ বাজেট অধিবেশনতো আছিল। বাজেটখনত প্ৰিন্টিং মিচটেক থাকিব পাৰে সেইটো এভইড কৰিব পৰা নাযায়। কেন্দ্ৰীয় চৰকাৰৰ বাজেটৰ মাজতো ছপাৰ ভুলতে শব্দ বৈ গৈছিল। যদি কিবা ভুল থাকে বিভাগৰ জৰিয়তে সেইটো শুদ্ধ কৰি দিয়া হব।

Shri A. F. Goolam Osmani : The total will exceed 100 crores. According to figures supplied by the Finance Minister 20 crores relate to earlier Government. If this is not decided now they will have to come up with necessary answer in the next year's budget.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, মুখ্যমন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মই এই সম্পৰ্কে উত্তৰ দি গৈছোঁৱেই।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনত মই এটা কথাৰ স্পষ্টীকৰণ দিব বিচাৰিছোঁ। এই বাজেটৰ ৪১ কোটি টকাৰ হিচাবৰ কথা বাৰে বাৰে কৈ থকা হৈছে। আমি বিধান সভালৈ বিধায়ক হিচাবে নতুনকৈ আহিছোঁ সেইটো সত্য কিন্তু সেইবুলি বাজেটখন বুজি নোপোৱা মন্ত্ৰী বা বিধায়ক নহওঁহক। ভালেকেইজন মাননীয় সদস্যই বাজেটৰ সম্পৰ্কত দিয়া দুকুৰি কিতাপৰ মাত্ৰ বেইথনমান চাই একচল্লিশ কোটি টকাৰ হিচাপটো মিলাব পৰা নাই আৰু ভুল পথে পৰিচালনা কৰিবলৈ চেষ্টা কৰাতো উচিত হোৱা নাই। কিয়নো আটাইকেইখন কিতাপ পঢ়ি চালে এই একচল্লিশ কোটি টকা হিচাবত ওলাই পৰিব। বিত্তমন্ত্ৰী মহোদয়ে বাজেট প্ৰসঙ্গত এশ কোটি টকাৰ কথা কোৱা বুলিও কেইবাজনো মাননীয় সদস্যই কৈছে কিন্তু আচলতে সেইটো নহয়।

Mr. Speaker : An Erretum has to be issued only for a rinting mistake. I have listened to the points raised by Hon.

Member, Shri Santi Ranjan Das Gupta and other Members regarding discrepancy of about Rs.41 crores in the current year's budget. Hon. Chief Minister clearly explained that the Demands for Grants on which vote of the House is asked for is an estimated gross expenditure, and in the Annual Financial Statement only the net expenditure after deduction by way of estimated recovery or transfer etc. are shown. The details are available in Statement I at pages 62—82 of the Memorandum of the Budget Estimates.

I may also inform the Hon. Member that in framing the budget, the Finance Department is required to comply with the requirements laid down in para 74 of the Budget Manual of Government of Assam and Rule 47 of the Compilation of General Financial Rules of the Central Government. Similarly, Rule 141 (1) and 141 (2) of the Rules of Procedure also lay down the procedure to be followed in framing and presenting the budget proposals and I am sure, since the present practice has been followed for a long time, the practice of framing the budget is in order.

Shri Prafulla Kumar Mahanta ( Chief Minister ) : Mr Speaker, Sir, I beg to present the List of Supplementary Demands for Grants and Supplementary Appropriations for 1985-86 before the House.

## OBITUARY REFERENCE

মাননীয় অধ্যক্ষ : মই এতিয়া প্ৰয়াত ললিত কুমাৰ দলেৰ মৃত্যুত শোক প্ৰকাশ কৰিবলৈ থিয় হৈছো৷ শ্ৰীললিত কুমাৰ দলে লক্ষীমপুৰ জিলাৰ চাপৰি মৌজাত ১৯২৬ চনৰ ২২ মে তাৰিখে জন্ম গ্ৰহণ কৰি গুৱাহাটীৰ কটন কলেজত শিক্ষা লাভ কৰি-

ছিল। ১৯৫৭ আৰু ১৯৬২ চনৰ নিৰ্ব্বাচনত তেখেত ঢকুৱাখানা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্ব্বাচিত হৈছিল। ১৯৬২ চনৰ নিৰ্ব্বাচনৰ পিচত তেখেতে জনজাতি অঞ্চল সমূহৰ কল্যাণ, পিচপৰা শ্ৰেণী সমূহৰ কল্যাণ আৰু বন বিভাগৰ মন্ত্ৰী হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰিছিল। ১৯৭৭ চনত তেখেত লোকসভালৈ নিৰ্ব্বাচিত হৈছিল। ১৯৭২ চনৰ পৰা ১৯৭৭ চনলৈ পুনৰ ১৯৭৯ চনৰ পৰা ১৯৮০ চনলৈ অসম প্ৰদেশ কংগ্ৰেছ (ই) কমিটিৰ সভাপতি হিচাবে কাৰ্য্য চলাইছিল।

এইজন ব্যক্তি যোৱা ১৬ মাৰ্চ্চ তাৰিখে ৫৯ বছৰ বয়সত পৰলোকপ্ৰাপ্তি হয়। তেখেতৰ আত্মাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ ২ মিনিট সময় নিজৰ আসনত থিয় হবলৈ মাননীয় সদস্যসকলক মই অনুৰোধ কৰিলো।

(সদনত দুই মিনিট নিৰৱতা;

(কাইলৈ ৰাতিপুৱা দহ বজালৈ সদন স্থগিত থাকে)।

## ADJOURNMENT

The House then rose at 4.38 P.M. and stood adjourned till 10 A.M. on 19th March, 1986.

Dr. P. N. Hazarika,
Secretary,
Assam Legislative Assembly.

Dispur,
Dated the 18th March 1986.